# ডিগবৈ মহাবিদ্যালয় আলোচনী



ষষ্ঠ বিংশতিতম সংখ্যা

২০০২-০৩ বৰ্ষ

সম্পাদক
ফণী শৰ্মা


WEL COME
ALL
FRESHER











# ডিগবৈ মহাবিদ্যালয় আলোচনী

ষষ্ঠ বিংশতিতম সংখ্যা
২০০২-২০০৩ বৰ্ষ

সম্পাদক

শ্ৰী ফণী শৰ্মা



মাননীয় অধ্যক্ষ মহোদয় ঃ ডিগবৈ মহাবিদ্যালয়
শ্ৰীযুত স্বদেশ সহায় ৰায়চৌধুৰী

# শ্ৰদ্ধাঞ্জলি

*মৃত্যুওটো এটা শিল্প। জীৱনৰ কঠিন শিলত কটা নিৰ্লোভ ভাস্কৰ্য।*

☞ অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি, সু-সাহিত্যিক - বীৰেণ বৰকটকী

☞ প্ৰসিদ্ধ ইতিহাসবিদ, লোক সাহিত্যিক, সাধক - ড০ সৰ্বেশ্বৰ ৰাজগুৰু ।

☞ অসমীয়া সংগীতৰ পুৰোধা, হস্তীৰ কন্যা - প্ৰতিমা পাণ্ডে বৰুৱা

☞ অসমীয়া চলচিত্ৰৰ প্ৰথমগৰাকী নায়িকা, অসমীয়া আইৰ চেনেহৰ জী - আইদেউ সন্দিকৈ ।

☞ বিশিষ্ট সংবাদ সেৱী লেখক - পুলিন বিজুটো বৰঠাকুৰ

☞ সু-সাহিত্যিক, সাংবাদিক - মেদিনী চৌধুৰী ।

☞ যশস্বী সাহিত্যিক, নিপুন কথাশিল্পী, নাট্যকাৰ, বলিষ্ঠ চিত্ৰ নিৰ্মাতা, গল্পকাৰ - ড০ ভৱেন্দ্ৰ নাথ শইকীয়া ।

☞ আন্তৰাষ্ট্ৰীয় খ্যাতিসম্পন্ন প্ৰকৃতিবিদ - ড০ ৰবীন বেণাৰ্জী

☞ হিন্দী সাহিত্য জগতৰ অন্যতম স্তম্ভ স্বৰূপ কবি - হৰি বংশ ৰায় বচ্চন ।

☞ ভাৰতীয় শিল্পকলা জগতৰ নমস্য ব্যক্তি - ভবেশ চন্দ্ৰ সান্যাল ।

☞ অসমৰ সৰ্ব্বকালৰ শ্ৰেষ্ঠ গল্প লিখক - প্ৰফুল্ল হাজৰিকা ।

☞ তিনিচুকীয়া জিলা সাহিত্য সভাৰ সভাপতি, বিশিষ্ট সাহিত্যিক - মনবাহাদুৰ ছেত্ৰী ।

☞ জনমভূমি গোষ্ঠীৰ পৰিচালন অংশীদাৰ, অইল ইণ্ডিয়ান লিমিটেডৰ প্ৰাক্তন মুখ্য - কাৰ্য্যবাহী বিশিষ্ট নাগৰিক - অমিত কুমাৰ শৰ্মা ।

☞ সু-সাহিত্যিক, অভিধান প্ৰনেতা - ৰামচন্দ্ৰ ব্ৰজ ।

☞ ডিগবৈৰ বিশিষ্ট ক্ৰীড়াবিদ, সমাজ সেৱক - দিলীপ বৰা ।

☞ বিশিষ্ট সাহিত্যিক নাট্যকাৰ - ভীস্ম সাহনী ।

☞ ডিগবৈৰ সৰবৰহী ব্যক্তি - কমল সোনোৱাল ।

☞ ৰামজনমভূমি ন্যাসৰ অধ্যক্ষ - পৰমহংস ৰামচন্দ্ৰ দাস ।

☞ বাওঁপন্থী আন্দোলনৰ অন্যতম পুৰুধাপুৰুষ স্বাধীনতা সংগ্ৰামী - নন্দেশ্বৰ তালুকদাৰ ।

☞ বিশিষ্ট সাহিত্যিক, শিক্ষাবিদ, বড়ো সাহিত্য সভাৰ প্ৰাক্তন সভাপতি - ৰামদাস বসুমতাৰী ।

☞ মুক্তিযোদ্ধা, বিশিষ্ট সমাজ সংগঠক, মইনা পৰিজাতৰ প্ৰতিষ্ঠাপক তথা প্ৰাক্তন সভাপতি - বিদ্যানন্দ কলিতা ।

☞ সাহিত্যিক তথা অভিনেতা - বিজন নাথ ।

☞ ডিগবৈৰ সৰবৰাহী ধৰ্মপ্ৰাণ ব্যক্তি - ৰমাকান্ত গগৈ, উমা গোহাঁই আৰু হৰি বৰা ।

☞ স্পিন্ট কুইন, ক্ৰীড়াবিদ - জুনুমণি শইকীয়া দুৰৱা ।

☞ কৰ্ণাটকৰ প্ৰাক্তন মন্ত্ৰী - এইচ নাগাপ্পা ।

☞ দেশৰ কুৰীয়াড সেনাৰ গুলীত প্ৰাণ হেৰুওৱা সকল ।

☞ অসমীয়া আৰু বিহাৰীৰ মাজৰ সংঘাটত মৃত্যু ব্যক্তি সকল ।

☞ তালাপৰ আৰক্ষীৰ গুলিত নিহত শ্ৰমিক সকল ।

☞ অসমীয়া চলচিত্ৰৰ অভিনেত্ৰী - ইলা কাকতি

# উৎসৰ্গ



জন্ম : ২৪ জানুৱাৰী, ১৯৭৯

মৃত্যু : ১৬ নৱেম্বৰ, ২০০৩

*নিষ্ঠুৰ নিয়তিৰ অপাৰ পৰিহাস*
*কোনে পাৰে এই আহবান নেওচিব*
*শৰতৰ পুৱাৰ স্নিগ্ধ আৱেশৰ দৰে*
*পবিত্ৰ মনৰ .................*

"২০০৩ ৰ ১৬ নৱেম্বৰ" দিনটোত ডিগবৈ মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ, ডিগবৈ আঞ্চলিক ছাত্ৰ সন্থাৰ সভাপতি তথা সদৌ তিনিচুকীয়া জিলা ছাত্ৰ সন্থাৰ সাংগঠনিক সম্পাদক দীপাংকৰ বৰপূজাৰী অকালতে আমাৰ মাজৰ পৰা হেৰাই গ'ল। **সেই গৰাকী ছাত্ৰৰ পূণ্যাত্মাৰ স্মৃতিত সিক্ত নয়েনেৰে অশ্ৰু অঞ্জলী যাঁচি এই সংখ্যাৰ আলোচনীখন উচৰ্গা কৰা হ'ল।**

শ্বহীদ নহয় তুমি জাতিৰ চেতনা।
মহত্তম ত্যাগ আৰু অগ্নিক প্ৰেৰণা ॥



শ্বহীদ বেদী : ডিগবৈ মহাবিদ্যালয়

# এটি শুভেচ্ছা বাৰ্তা

## অসম সাহিত্য সভা

কেন্দ্ৰীয় কাৰ্যালয় : চন্দ্ৰকান্ত সন্দিকৈ ভৱন ❐ যোৰহাট- ৭৮৫০০১ ❐ ☎ (০৩৭৬) ২৩২০৩৭৬
গুৱাহাটী কাৰ্যালয় : ভাগৱতীপ্ৰসাদ বৰুৱা ভৱন ❐ গুৱাহাটী- ৭৮১০০১ ❐ ☎ (০৩৬১) ২৫২১৮৩০
ডিফু কাৰ্যালয় : বাবেলা ভৱন ❐ ডিফু- ৭৮২৪৬০ ❐ ☎ (৯৫৩৬৭১) ২৭২৫৯০
ধুবুৰী আঞ্চলিক কাৰ্যালয় ❐ ধুবুৰী- ৭৮৩৩০১ ❐ ☎ (৯৫৩৬৬২)২৩২৫২৮

ড° বীৰেন্দ্ৰনাথ দত্ত
সভাপতি

### এটি শুভেচ্ছা-বাৰ্তা

ডিগবৈ মহাবিদ্যালয়ৰ ২০০২-২০০৩ চনৰ বাৰ্ষিক আলোচনীখন প্ৰকাশ কৰাৰ বাবে প্ৰস্তুতি চলিছে বুলি জানি আনন্দিত হৈছোঁ। আলোচনীখন সৰ্বাংগ-সুন্দৰ হওক, ইয়াকে কামনা কৰোঁ।

একোখন শিক্ষা-প্ৰতিষ্ঠানৰ আলোচনী ছাত্ৰ-ছাত্ৰীৰ সৃষ্টি-কৰ্মৰ প্ৰকাশৰ মাধ্যম হোৱাৰ লগতে অঞ্চলটোৰ সমাজখনৰ বৌদ্ধিক আৰু সাংস্কৃতিক পৰিৱেশত উপযুক্ত ইতিবাচক প্ৰভাৱ পেলোৱাত সহায়ক হ'ব পাৰে। ডিগবৈ মহাবিদ্যালয় আলোচনীয়ে তেনে ধৰণৰ ভূমিকা পালন কৰিবলৈ আগ বাঢ়ি আহিব বুলি আশা কৰিছোঁ।

আলোচনীখনৰ যোগেদি মই মহাবিদ্যালয়খনৰ লগত জড়িত সকলোলোককে সাদৰ সম্ভাষণ আৰু আন্তৰিক শুভ-কামনা আগ বঢ়াইছোঁ।

১২ আগষ্ট, ২০০৩

শ্ৰীবীৰেন্দ্ৰনাথ দত্ত
সভাপতি, অসম সাহিত্য সভা

# শুভেচ্ছা বাণী

*Sri Punya Saikia* M.A.
**Principal**
**Sowmar Vidyapith, Digboi**

**শ্ৰীপুণ্য শইকীয়া**
প্ৰাক্তন সভাপতি
তিনিচুকীয়া জিলা সাহিত্য সভা।
প্ৰাক্তন সভাপতি
তিনিচুকীয়া জিলা সাংবাদিক সন্থা।
অধ্যক্ষ, সৌমাৰ বিদ্যাপীঠ
উচ্চতৰ মাধ্যমিক বিদ্যালয়, ডিগবৈ।

শুভেচ্ছা বাণী

কলেজ আলোচনী এক্ষেত্ৰত এটা বৃহৎ এলেকাৰ তৰুণ-তৰুণী সকলৰ বৌদ্ধিক চাহিদা পূৰণ কৰে। কলেজ আলোচনীৰ জন্মৰ মূল অভিপ্ৰায়টোও সেইটোৱেই। এই কলেজ আলোচনী সমূহৰ পাত সযতনে লুটিয়ালে দেশ আৰু জাতিৰ ভৱিতব্যৰো ইংগিত পাব পাৰি কাৰণ ইয়াৰ পৃষ্ঠাতেই তৰুণ মনৰ প্ৰতিফলন ঘটে। এই অৰ্থত ডিগবৈ কলেজ আলোচনী খনে এক বৃহৎ সামাজিক দায়িত্ব কান্ধ পাতি লৈছে। অজ্ঞাতসাৰেই ই তৰুণ প্ৰজন্মক এক অভীষ্ট লক্ষ্যৰ ফালে আগবঢ়াই লৈ গৈছে।

ডিগবৈ কলেজ আলোচনী খনৰ মই সৰ্বতোপ্ৰকাৰৰ শ্ৰীবৃদ্ধি কামনা কৰো। আশাকৰো ই নতুন গতিবেগ আহৰণ কৰি ভৱিষ্যতৰ মেৰুপ্ৰদেশে আলোকযাত্ৰা আৰম্ভ কৰিব।

(স্বাক্ষৰ) ২৬/০৭/০৬

# সম্পাদনা সমিতি



অধ্যক্ষ স্বদেশ সহায় ৰায়চৌধুৰী
সভাপতি



অধ্যাপক পবিত্র ভৰালী
তত্বাৱধায়ক



অধ্যাপক গৌৰী বুঢ়াগোহাঁই
সদস্য



অধ্যাপক জয়ন্তদ্বীপ দত্ত
সদস্য



ফণী শৰ্মা
সম্পাদক



অধ্যাপক জনাৰ্দন বড়া
সদস্য



অধ্যাপক পাৰ্থ নৰহ
সদস্য



প্ৰহ্লাদ বৰুৱা
সদস্য



গিৰীশ শইকীয়া
সদস্য

# কৃতজ্ঞতাৰ শৰাই

- বিশিষ্ট সাহিত্যিক তথা অসম সাহিত্য সভাৰ সভাপতি ড০ বীৰেন্দ্ৰনাথ দত্তদেৱলৈ ।
- অসমৰ জনপ্ৰিয় সাহিত্যিক তথা তিনিচুকীয়া জিলা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি শ্ৰীযুত পুণ্য শইকীয়া দেৱলৈ ।
- মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সভাপতি তথা আলোচনী সম্পাদনা সমিতিৰ সভাপতি মাননীয় অধ্যক্ষ মহোদয় শ্ৰীযুত এচ. এচ. ৰায়চৌধুৰী দেৱলৈ ।
- আলোচনী বিভাগৰ ভাৰপ্ৰাপ্ত অধ্যাপক শ্ৰীযুত পবিত্ৰ ভৰালী দেৱলৈ ।
- বেটুপাতৰ শিল্পী গৌৰী বুঢ়াগোহাঁই দেৱলৈ
- ডিগবৈ মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ শ্ৰীযুত মনেশ্বৰ বৰ্মনদেৱলৈ ।
- আলোচনী সম্পৰ্কীয় প্ৰতিটো কামতে দিহা পৰামৰ্শ দি সহায় সহযোগ আগবঢ়োৱা অধ্যাপক সৰ্বশ্ৰী দেবীচৰণ চেদাই, গৌৰী বুঢ়াগোহাঁই, জয়ন্তদীপ দত্ত, জনাৰ্দন বড়া, হেমন্ত শৰ্মা, বি. এন. পান্দে, প্ৰদীপ ভাৰতী, পাৰ্থ নৰহ দেৱলৈ ।
- মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ দ্বীপেন কুমাৰ বড়া, জয়ন্ত শৰ্মা, ধৰণী লাহন, দ্বিজু ওজা, জয়ন্ত বড়া, অশ্বিনী শইকীয়ালৈ ।
- ডিগবৈ আঞ্চলিক ছাত্ৰ সন্থাৰ সম্পাদক ৰাজীৱ ভট্টাচাৰ্য্য আৰু সমূহ সহকৰ্মী বৃন্দলৈ ।
- মহাবিদ্যালয়ৰ ছাত্ৰ বন্ধু - অৰূপ, সন্তোষ, বিচিত্ৰ, বিজু, কমল, ৰিংকু, ভাস্কৰ, দীপক, সৌৰভ, পাপু, বিনন্দ, কল্যাণ, উত্তম, প্ৰহ্লাদ, দেৱজিত, পদ্মজা, অজন্তা, দলিমঞ্জুৰী, ৰূপজ্যোতি, নিবেদিতা, চন্দনা, ছাহনাজ, দ্বিপজ্যোতি, অস্মিতা, সুজাতা, তিস্মিতা, বৰ্ণালী, দিপিকালৈ ।
- আলোচনীখন প্ৰকাশৰ সৰ্ব্বদিশতে বিভিন্ন দিহা পৰামৰ্শ, উৎসাহ তথা সহায় সহযোগ আগবঢ়োৱা সকলো শুভাকাংক্ষী ব্যক্তি তথা সতীৰ্থলৈ কৃতজ্ঞতাৰ শৰাই আগবঢ়ালো ।

# ডিগবৈ মহাবিদ্যালয় - কোৰাচ

ৰচনা - ড০ কান্তেশ্বৰ ডেকা / বিমল গগৈ।
সুৰ - ড০ কান্তেশ্বৰ ডেকা / বৰুণ দেৱ।

*এয়া অসম দেশৰে প্ৰান্ত*
*য'ত পনীয়া সোণেৰে প্ৰাণৱন্ত*
*আছে এক কামনা অনন্ত,*
*মানৱ হৃদয় প্ৰাণৱন্ত ।।*

*এখন ছবি এয়া বহুতো ৰঙৰ,*
*বহুত জনৰ আৰু বহুতো প্ৰাণৰ ;*
*তথাপিও এই ছবি প্ৰাণেৰে জীৱন্ত,*
*মানৱ হৃদয় প্ৰাণৱন্ত ।।*

*সূৰযমুখী আমাৰ এ মন*
*উৰ্দ্ধমুখী আমাৰ এ মন,*
*আমি যাওঁ, - শান্তিৰ পোহৰ বিচাৰি যাওঁ,*
*আমি যাওঁ, - শান্তিৰ জোনাক বিচাৰি যাওঁ ।।*

*মহা প্ৰলয়ৰ মহাভাৰতৰ*
*ইতিহাসত আমি পাওঁ*
*মহান মহান কত শ্ৰেষ্ঠ তুলিকা*
*মানৱক আমিয়ে বিলাওঁ ।।*

*ডিগবৈ কলেজৰ কৃতিত্বৰে*
*দেশ - মাতৃৰ মুখ উজলাওঁ*
*আমি যাওঁ - জ্ঞানৰ পোহৰ বিচাৰি যাওঁ,*
*আমি যাওঁ - শান্তিৰ জোনাক বিচাৰি যাওঁ ।।*

# অনুক্ৰমনিকা


সম্পাদকৰ একলম || ০১ ||

**কবিতাকুঞ্জ : অসমীয়া**

- তুমি - নিপম কোঁচ - || ০৪ ||
- আস্থা - শশীদেবী ছেত্ৰী - || ০৪ ||
- মাজনিশা - কল্যাণ দাস - || ০৪ ||
- কবিতা - ফণী শৰ্মা - || ০৪ ||
- তথাপি এটি আশা - অমৃত কুমাৰ উপাধ্যায় - || ০৫ ||
- যোৱাগৈ আধাবাটৰ পৰা ঘূৰি - চয়নিকা গগৈ - || ০৫ ||
- শৰত - হৰিকান্ত চেতিয়া - || ০৬ ||
- ল'ৰালি - শ্বাহনাজ বেগম - || ০৬ ||

**কবিতাকুঞ্জ : বাংলা**

- আমরা সকলেই একই - গায়ত্ৰী দেৱী - || ০৬ ||

**কবিতাকুঞ্জ : হিন্দী**

- आशा - रक्तिम कोंश - || ०७ ||
- सबेरा - बिंदिया यादव - || ०७ ||
- रिश्ता - संगिता कुमारी - || ०७ ||

**কবিতাকুঞ্জ : নেপালী**

- जान्दिन म किन - राजीव उपाध्याय - || ০৮ ||
- आँसु - वि. प्र. शर्मा - || ০৮ ||
- के यही प्रेम हो ? - गोमा क्षेत्री - || ০৮ ||

**কবিতাকুঞ্জ : ইংৰাজী**

- The moonlight Night - Pallabi Das - || ০৯ ||
- My Great India - Rana Ranjan Das - || ০৯ ||
- Teenage Trouble - Tuntun Debnath - || ০৯ ||

**অতিথি কবিৰ কবিতা**

- আমি চলাথ কৰোঁ যন্ত্ৰণাৰ ভূগোল - ভূপেন গগৈ - || ১০ ||
- তুমি মাতাল হলে ..... - দীপেন কুমাৰ বড়া - || ১০ ||
- প্ৰেমৰ কবিতা - জয়ন্ত শৰ্মা - || ১১ ||
- নদীর তীরের মানুষ - পাৰ্থ সাৰথি দত্ত - || ১১ ||

**চিন্তা শিল্প**

- Violence and Crime in India - Jayantadeep Dutta - ॥ ১২ ॥
- বৰ্তমান অসমৰ যুৱ উশৃংখলতাত ভোগবাদৰ প্ৰভাৱ - গিৰীশ শইকীয়া - ॥ ১৪ ॥
- Necessity of Education - Sunanda Deb - ॥ ১৬ ॥
- How to lead a happy life - Ambika Kakoty - ॥ ১৭ ॥
- ছিগমাণ্ড ফ্ৰয়েড - সন্ধান যাৰ মানৱ মনৰ ঘন ৰহস্য - অৰূপ কলিতা - ॥ ১৮ ॥
- Music - the Food for the Soul - Priyanka Roy - ॥ ২০ ॥
- স্ত্ৰী শিক্ষা : অতীত আৰু বৰ্তমান - জাহ্নবী সোনোৱাল - ॥ ২১ ॥
- মহাবিদ্যালয়ৰ যুৱ মানসিকতা - প্ৰহ্লাদ বৰুৱা - ॥ ২৪ ॥
- In search of extra Dimensions - Sandeep Sarkar, Paresh Pratim Saikia - ॥ ২৫ ॥
- दहेज - एक सामाजिक बुराई - संजीत कुमार साह - ॥ २६ ॥
- Importance of Commerce in our business World - Sujata Chakraborty - ॥ ২৯ ॥
- पश्चाताप और मनोबल - गुरुपद दे - ॥ ৩১ ॥

**অতিথি লেখকৰ প্ৰবন্ধ**

- ড০ ভবেনাথ শইকীয়া : জীৱন আৰু কীৰ্ত্তি - দ্ৰোণকান্ত বৰুৱা - ॥ ৩২ ॥

**চুটি গল্প**

- ৰজাৰ ঘৰৰ ৰাজকুঁৱৰী - সঞ্জনা মৌৰ্য - ॥ ৩৬ ॥
- যৌতুক কেনে আছা - সন্তোষ কুমাৰ ৰায় - ॥ ৩৯ ॥
- The Mystery of Three Mothers - Mousumi Kalita - ॥ ৪২ ॥
- মনত সূৰ্যোদয়ৰ শক্তি - বিনীতা গগৈ - ॥ ৪৩ ॥
- জীৱন লগৰী - তুলুমনী দাস - ॥ ৪৫ ॥
- বহাগত ৰংমনৰ বিয়া - গৌতম কুমাৰ - ॥ ৪৭ ॥
- বালিঘৰ - বুবু গগৈ - ॥ ৪৯ ॥
- সহোদৰ - দেৱজিত শইকীয়া - ॥ ৫০ ॥

**ভিন্ন ছন্দ**

- অলপ হাঁহি, অলপ অশ্ৰু, অলপ নুবুজা ডাৱৰ - হেমন্ত শৰ্মা - ॥ ২২ ॥

**একাংকিকা**

- Lunatics - A portrait of Man - Pabitra Bharali - ॥ ৫২ ॥

**উপন্যাসিকা**

- চকুলো যেতিয়া নদী হৈ বয় - ভাস্কৰ সোনোৱাল - ॥ ৫৯ ॥

**মুখামুখি শিতান**

- আমাৰ প্ৰশ্ন আপোনাৰ উত্তৰ - ॥ ৬৮ ॥
- **আলোক চিত্ৰ** - ॥ ৭১ ॥

**সম্পাদকীয় প্ৰতিবেদন** - ॥ ৭৪ ॥

- সাধাৰণ সম্পাদক
- সহঃ সাঃ সম্পাদক
- সাংস্কৃতিক সম্পাদক
- ছাত্ৰী জিৰণী কোঠা সম্পাদিকা
- গুৰু ক্ৰীড়া সম্পাদক
- ছাত্ৰ জিৰণী কোঠা সম্পাদক
- লঘু ক্ৰীড়া সম্পাদক
- সমাজ সেৱা সম্পাদক
- তৰ্ক আৰু আলোচনা চক্ৰ সম্পাদক
- শৰীৰ চৰ্চা সম্পাদক

- **খেল সপ্তাহৰ ফলাফল** - ॥ ৮০ ॥
- **লেখক পৰিচিতি** - ॥ ৮৩ ॥
- **ডিগবৈ মহাবিদ্যালয় আলোচনীৰ প্ৰাক্তন সম্পাদক সকল** - ॥ ৮৪ ॥


************************

************

**

# সম্পাদকৰ একলম

সাহিত্য :

সাহিত্য হৈছে মানুহৰ চিন্তা চৰ্চাৰ উৎস । যাক অধ্যয়ন কৰিলে সমগ্ৰ মানৱ জাতিৰ ইতিবৃত্তৰ কথা মনলৈ আহে । সাহিত্য হ'ল এটা জাতিৰ আশা-আকাংক্ষা, আনন্দ বেদনা আৰু ভাৱ-কল্পনা প্ৰকাশৰ থল । সাহিত্যৰ যোগেদি জাতিৰ মানসিক বিকাশ, সৌন্দৰ্য্যবোধৰ ধাৰা লক্ষ্য কৰা যায় আৰু অতীত বৰ্তমানৰ পৰিচয় আৰু ভৱিষ্যত জীৱনৰ সম্ভাৱনাৰ ইংগিত পোৱা যায় । কোনো জাতিৰ শিক্ষা-দীক্ষা, কলা-সংস্কৃতি আৰু সমাজৰ প্ৰকৃত পৰিচয় লাভ কৰিবলৈ সেই জাতিৰ সাহিত্য অধ্যয়ন অপৰিহাৰ্য্য । এটা জাতিৰ ইতিহাস নিৰ্ণয় কৰে সাহিত্যই ।

সাহিত্য সম্পৰ্কে যোৱা আঢ়ৈ হেজাৰ বছৰতকৈও অধিক কাল চিন্তা-চৰ্চাৰ অন্ত নাই । অৱশ্যে বৰ্তমান সময়ত সাহিত্য অধ্যয়নৰ ক্ষেত্ৰত নতুন নতুন দৃষ্টিভংগী গ্ৰহণ কৰা হৈছে আৰু এনে দৃষ্টিভংগীয়ে মহাবিদ্যালয়ৰ লগতে বিশ্ববিদ্যালয় পৰ্য্যায়ৰ শিক্ষাদানকো প্ৰভাবিত কৰিছে । কিন্তু এয়াইতো সত্য । সময়ৰ লগে লগে সাহিত্যৰ পৰিৱৰ্তন ঘটিলেও ইয়াৰ বুকুতে উঠি ফুৰিছে একো একোটা জাতিৰ সত্বা । আন কথাত সাহিত্যই জন্ম দিয়ে ন ন লেখকৰ, ন ন শিল্পীৰ, ন ন দাৰ্শনিকৰ । সেই জন্মই মানুহৰ অনৈক্যৰ মাজতো স্থাপন কৰে ঐক্যৰ । সাহিত্যৰ এই আপুৰুগীয়া গুণেই মানৱ জীৱনৰ ভৱিষ্যত ।

সাহিত্য আৰু আলোচনী :

কেৱল মাটি চহ কৰি ৰাখিলে নহব তাত বীজো চটিয়াব লাগিব আৰু বীজৰ অংকুৰণৰ কাৰণে নানান কৌশলো অৱলম্বন কৰিব লাগিব । নহ'লে বীজৰ পৰা পুলি পোখা মেলিব কেনেকৈ । সাহিত্য সৃষ্টি কৰি ৰাইজৰ মাজত বিলাই দিব লাগিব । নহ'লে ৰাইজে ইয়াৰ সাৰমৰ্ম দেখোন বুজিয়ে নাপাব । আজৰি সময়ত মানুহৰ একমাত্ৰ সংগী কিতাপ । বুঢ়া বয়সত মানুহে কথা পতাৰ সংগী বিচাৰি নাপায় বা পালেও তেনে এক দীৰ্ঘ সময় ধৰি নাপায় । উপায় নাপাই পিৰালিতে হামিয়াই হিকতিয়াই বহি উদাস মনে লক্ষ্য কৰে কোনোবা এটি বস্তুলৈ । তেওঁৰ চিন্তা কেতিয়ানো তেওঁৰ মৃত্যু হয় । কিন্তু তেওঁ যদি শিক্ষিত হ'ল হেঁতেন তেওঁ কিতাপৰ মাজতেই বিচাৰি পালেহেতেন সংগী । অৱশ্যে এই কথা গাৱঁলীয়া ঠাইতহে বেছি প্ৰযোজ্য । এইষাৰ কথা কবলৈ যাওঁতে ভলটেয়ৰে কোৱা এষাৰ কথালৈ মনত পৰিছে । তেওঁ কৈছিল - "কিতাপেই পৃথিৱী খনক শাসন কৰিছে । যি সমাজত কিতাপ নাই , সেই সমাজ থকা নথকা একে কথা ।" কথাষাৰৰ তাৎপৰ্য্য সচাঁকৈ ব্যাপক আৰু স্পষ্টজনিত । কাৰণ কিতাপ নোহোৱা হ'লে সিদিনাৰ সৌ-পৃথিৱী খন আজিৰ দৰে জাক জমক নহ'ল হেঁতেন । পৃথিৱীৰ বিভিন্ন ভাষাত ৰচিত সাহিত্যই প্ৰতিটো ভাষাৰ জাতি গঠনত যি অগ্ৰণী ভূমিকা গ্ৰহণ কৰিছে সি সচাঁকৈয়ে অপূৰ্ব । ইয়াৰোপৰি বিভিন্ন ভাষাৰ আলোচনী আৰু সংবাদ পত্ৰসমূহতো আছেই । মানুহে এই আলোচনী আৰু সংবাদ পত্ৰৰ যোগেদিয়েই প্ৰথমে মনৰ ভাৱসমূহ প্ৰকাশ কৰিবলৈ উপযুক্ত থল বিচাৰি পাইছে ।

গ্ৰামাঞ্চলত অৱশ্যে ইয়াৰ পৰিসৰ কম । যদিও আলোচনী আৰু সংবাদ পত্ৰসমূহৰ পৰিসৰ নগৰ অঞ্চলত প্ৰচুৰ, গাওঁ অঞ্চলত ইয়াৰ পৰিসৰ ঠেক । মুষ্টিমেয় লোকেহে এইবোৰ পঢ়াৰ সুবিধা পায় । গাওঁ অঞ্চলত যাতায়তৰ যেনে অসুবিধা শিক্ষাৰ ক্ষেত্ৰতো তেনে অসুবিধা । নগৰ-চহৰত শিক্ষাৰ প্ৰসাৰতা দ্ৰুতগতিত আগবাঢ়িছে যদিও গাওঁ অঞ্চলত লেহেম গতিত আগবঢ়া দেখা যায় । ইয়াৰ মূলতে হল চৰকাৰৰ অৱহেলিত শিক্ষা ব্যৱস্থা ।

বাৰু ই যি কি নহওঁক, এই সৃষ্টিশীল সাহিত্য সমূহে প্ৰত্যেক জাতিৰ সংস্কৃতি বজাই ৰখাত সহায়ক হৈছে আৰু বহু সাহিত্যানুৰাগী ব্যক্তিয়ে নিজৰ নিজৰ প্ৰতিভা উদঙাই দিয়াত সমৰ্থ হৈছে ।

সাম্প্ৰতিক আলোচনী সমূহ লক্ষ্য কৰিলে বহুক্ষেত্ৰত ইয়াৰ দুৰ্বল ৰূপহে দেখা যায় । ইয়াৰ প্ৰধান কাৰণ হ'ল বেটুপাতত নাৰীৰ অৰ্ধনগ্ন ছবি ছপা কৰাতো। অৱশ্যে সকলো আলোচনীতে বুলি কলে ভুল হব । সামাজিক যিবোৰ আলোচনী, ইবোৰত ইয়াৰ প্ৰধান্য বেছি । এজন মহৎ লোকে কৈছিল - "সাজ পোছাকে মানুহক সুন্দৰ কৰি নোতোলে, সু-ব্যক্তিত্বইহে মানুহক সুন্দৰ কৰি তোলে ।" কিতাপ খনৰ বেটুপাতটো সুন্দৰ হলেই কিতাপখন সুন্দৰ হোৱাটো নুবুজায়, যদিহে লেখনীসমূহ উন্নতমানৰ নহয় । এচামে ইয়াৰ যুক্তি যুক্ততালৈ লক্ষ্য কৰা নাই, তেওঁলোকৰ লক্ষ্য, কিতাপখন নাইবা আলোচনীখন সোনকালে বিক্ৰী হৈ যোৱাটো । এনেবোৰ বেমেজালিৰ ফলতে সমাজৰ এচামে বেয়া কামবোৰত লিপ্ত হৈ পৰিছে । ইয়াৰ ফলতে জাতিৰ লগতে সমাজৰ বিস্তৰ ক্ষতি হৈছে। সেয়েহে এনেবোৰ আলোচনী

প্ৰকাশ কৰি উলিওৱাত বাধা প্ৰদান কৰাত দেশৰ প্ৰতিজন লোকেই দৃঢ়পৰ হব লাগে।

## সাম্প্ৰতিক পৰিস্থিতি :

নানা ৰঙৰ তুলিকাৰে সেউজ দলিচা আঁকা অতীতৰ সেই সোণোৱালী দিনবোৰ এতিয়া নাই। কাল ধুমুহাই আহি যেন সেই দিন উৰুৱাই লৈ গ'ল ক'ৰবালৈ। আনকি জীৱনৰ ঘাত-প্ৰতিঘাতৰ মাজত লাভ কৰা স্মৃতিবোৰ ৰোমন্থন কৰাৰো কাৰো সময় নাই। চৌদিশে কেৱল বিদ্ৰোহৰ ভয়াল ঝংকাৰ। দুচকুত যি বিন্দু বিন্দু স্বপ্ন অংকিত কৰা হৈছিল, তাকো মচি পেলোৱা হ'ল। এতিয়া প্ৰশ্ন হ'ল কোনেনো আনিলে বিদ্ৰোহ? কিয়নো মচি পেলোৱা হ'ল সপোনবোৰ? নানা ৰঙৰ দলিচাখন কিয়নো আজুৰি ফালি পেলোৱা হ'ল? ইত্যাদি ইত্যাদি এশ এবুৰি প্ৰশ্ন। কিন্তু এই সমস্যাবোৰ যিমানেই বেছি হৈ নাহক কিয়, তাৰ বাবে দেশৰ যুৱচামে ঐক্যবদ্ধ হৈ ইয়াৰ নিয়ন্ত্ৰণৰ হ'কে চিন্তা কৰাটোহে কাম্য। দৈনিক নতুন নতুন সমস্যা গা কৰি উঠিছে। এচামে দেশপ্ৰেমৰ সাজ পিন্ধি নিজৰ স্বাৰ্থত লিপ্ত হৈ পৰিছে। এই সকল দেশৰ তথা সমাজৰ ঘাই শত্ৰু। তাৰোপৰি এসময়ত "মোৰ ভাৰত মহান", "ভাৰত কল্যাণকামী ৰাষ্ট্ৰ" বোলা পংক্তি বোৰ ভাবিলে এতিয়া নিজৰ ওপৰতে ধিক্কাৰ ওপজিব। ধনীক শ্ৰেণী সদায়েই উৰ্ধত হৈয়ে দেখা দিব আৰু দুখীয়া শ্ৰেণী সদায়েই নিম্ন পৰ্য্যায়তেই থাকিব, এইটো কিহৰ কাৰণে? গোষ্ঠীগত সংঘৰ্ষ, দূৰ্নীতি, হত্যা লুন্ঠনৰ কথাতো বাদেই দিলো। কিন্তু সকলোৱেইতো মানুহ; মানুহেই মানুহৰ প্ৰতি এনে ভয়ংকৰ ভাব পোষন কৰিলে 'পৃথিৱীৰ আটাইতকৈ শ্ৰেষ্ঠ প্ৰাণী মানুহ' বুলি কোৱা কথাষাৰো ভাবিলে বিপৰীত যেনহে লাগে।

আমাৰ সমাজত এনে লোক আছে, যাৰ কাৰণে ধন আলাউদ্দিনৰ বন্তি। কিন্তু তাৰ বিপৰীতৰ কথা ভাবিলে ইয়াৰ সংখ্যা লেঠাৰি নিছিগা। স্কুল-কলেজত পঢ়ি থকা কিছুমান ছাত্ৰৰ বাবে 'এডমিছন' ফিজ', 'ফৰ্মফিলাপৰ ফিজ আদি সময় মতে দিয়াটোও সম্ভৱ নহয় কেতিয়াবা। এনেবোৰ সমস্যাৰ বাবেই স্কুল কলেজ বহু ছাত্ৰই ত্যাগ কৰিব লগা হয়। তেনেকৈয়ে বাঢ়ি যায় দেশৰ নিৱনুৱা সমস্যা। কিন্তু ইয়াৰ সমস্যা চৰকাৰে সমাধান কৰিব পাৰিছেনে? তাৰফলতেই উদ্ভৱ হৈছে বিদ্ৰোহী সংগঠনৰ। বাঢ়ি গৈছে হত্যা লুন্ঠন, দেখা দিছে দেশত অৰাজকতাৰ। মানুহক হত্যা কৰাটো কুকুৰ মেকুৰীৰ দৰে হৈ পৰিছে। যাৰ যেনে ইচ্ছা তেনেকৈয়ে হত্যা কৰিব লৈছে। মানুহ যেন মানুহ হৈ থকা নাই, মানুহ যেন এতিয়া পশুলৈ পৰিৱৰ্তন হ'ল। ঐক্য আৰু শান্তি অনাৰ নামত নিৰীহ লোকৰ ওপৰত অত্যাচাৰ। হাজাৰ হাজাৰ নিৰপৰাধী লোকৰ ওপৰত চলা অত্যাচাৰে জানো প্ৰজাৰ শান্তি ঘুৰাই অনাৰ ইংগিত দিয়ে? অশান্তিয়ে শান্তি নানে, বৰং বঢ়াই। যুদ্ধ বিগ্ৰহে মাথোন অংকিত কৰি যায় একোখন ভগ্ন পৃথিৱীৰ ভগ্ন সমাজ এখনৰ ছবি য'ত কেতিয়াও এখন শান্তিৰ সমাজৰ কথা চিন্তাই কৰিব নোৱাৰি। কিন্তু আমি এনে কেতিয়াও নিবিচাৰো। আমি বিচাৰো শান্তি, সম্প্ৰীতিৰ একতাৰ জৰী।

## মহাবিদ্যালয়ৰ প্ৰাচীৰ পত্ৰিকা :

সাহিত্যানুৰাগী ছাত্ৰ-ছাত্ৰীয়ে সাহিত্যৰ প্ৰতি কিমান দক্ষ তাক উদঙাই দিবলৈ মহাবিদ্যালয়ত 'প্ৰাচীৰ পত্ৰিকা' এখনৰ গুৰুত্ব অধিক। তেওঁলোকে প্ৰথমতে সৰু সৰু আলোচনী বোৰতে নিজৰ প্ৰতিভা বাহিৰ কৰাৰ সুযোগ লাভ কৰে। নিজৰ মনতে সুপ্ত হৈ থকা প্ৰতিভাক প্ৰকাশ কৰাৰ যি ক্ষমতা, সেই ক্ষমতা আনি দিয়ে এনে আলোচনী বোৰে, এনেদৰে জন্ম হয় বহু সাহিত্যিকৰ। পৃথিৱীৰ বহু সাহিত্যিকৰ জন্ম এনেদৰেই হৈছে। আজিৰ ছাত্ৰ কালিলৈ দেশৰ নাগৰিক। দেশৰ নাগৰিক হিচাপে তেওঁ কৰিব লাগিব দেশৰ বাবে বহু কাম। সেই ছাত্ৰই গঢ় দিব লাগিব মহাবিদ্যালয়ৰ শৈক্ষিক পৰিবেশ এই আলোচনী সমূহৰ যোগেদি। প্ৰতিজন ছাত্ৰই নিজৰ বিচাৰ বুদ্ধিৰ মাজেৰে গঢ়ি তুলিব লাগিব মহাবিদ্যালয়খনৰ একতা। সেয়েহে মহাবিদ্যালয় এখনত সাহিত্য বিকাশৰ ক্ষেত্ৰত আলোচনী এখনৰ প্ৰয়োজনীয়তা অতি জৰুৰী।

## ডিগবৈ মহাবিদ্যালয় আলোচনী :

ডিগবৈ মহাবিদ্যালয়ৰ বাৰ্ষিক আলোচনী মহাবিদ্যালয়ৰ জন্মৰ কিছুদিনৰ পিছৰ পৰাই প্ৰকাশিত হৈ আহিছে। মহাবিদ্যালয়ৰ সকলো স্বৰূপৰ সমাবেশ ঘটিছে এই আলোচনী সমূহৰ যোগেদি ১৯৭২-৭৩ চনত ডম্বৰু শইকীয়াৰ সম্পাদনাত।

## আলোচনীৰ আঁৰত :

মনত এক অদ্ভুত সাহস তথা কিছু আবেগ, অনুভূতিৰ মাজতে ২০০২-০৩ বৰ্ষৰ ডিগবৈ মহাবিদ্যালয়ৰ আলোচনীখনৰ সম্পাদক হিচাপে কাৰ্য্যভাৰ গ্ৰহণ কৰিবলৈ আগবাঢ়ি আহিছিলোঁ। কাৰ্য্যভাৰ হাতত লোৱাৰ কিছুদিনৰ পিছতে মহাবিদ্যালয়ৰ প্ৰাচীৰ পত্ৰিকা 'সময়'ৰ উন্মোচন

কৰা হয় । প্ৰাচীৰ পত্ৰিকাখন উলিয়াওতে বিশেষ দিহা পৰামৰ্শ আগবঢ়াই তত্বাবিধায়ক অধ্যাপক পবিত্ৰ ভৰালীদেৱ আৰু মোৰ ছাত্ৰবন্ধু কেইজনমানে ।

আলোচনীৰ কাৰ্য্যভাৰ হাতত লোৱাৰে পৰা মনত এক অনামী আশংকাই বাহ লৈছিল যদিও কিছু আনন্দিত হৈছিলো । বহু ঘাত-প্ৰতিঘাতৰ মাজেৰে মোৰ সম্পাদনাৰ কাম হাতত তুলি ল'লো । তেতিয়াই ভাব হৈছিল আলোচনী এখনৰ সম্পাদনাৰ কাম হাতত লোৱাটো সহজ নহয়। তথাপিও সম্পাদনাৰ কাম হাতত ল'লো যেতিয়া মনত এক সাহস লৈ আগবাঢ়িলো সম্পাদনাৰ কামত । এখন আলোচনী প্ৰকাশ কৰিবলৈ যাওঁতে বহুত সমস্যাৰ সৈতে মুখামুখি হব লাগে । ইফালে আলোচনী প্ৰকাশত উপযুক্ত পুঁজিও সীমিত আৰু লেখনীৰ সংখ্যাও তেনেই নগণ্য । ছাত্ৰ-ছাত্ৰী সমূহৰ পৰা লেখনী বিচাৰি জাননী দিয়া হৈছিল যদিও সময় মতে মোৰ হাতত লেখনী আহি নপৰিল । সেয়েহে ভাব হৈছিল মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ সাহিত্য চৰ্চাত অৱহেলা কিয় ? ইয়াৰ পাছতো যি কেইটা লেখনী মোৰ হাতত পৰিছিল উন্নতমনদণ্ডৰ নাছিল । সেয়েহে প্ৰাক্তন আলোচনী সম্পাদক সকলৰ দৰে মোৰ হাতত পৰ্য্যাপ্ত পৰিমানে লেখনী নপৰাৰ বাবেও আলোচনী খন প্ৰকাশ ক্ষেত্ৰত বহুদিন পিছুৱাই গল । তাৰোপৰি মোৰ কিছুমান ব্যক্তিগত সমস্যাৰ বাবেও এয়া সোনকালে হৈ নুঠিল । তথাপিতো যিমান পাৰো সোনকালে উলিওৱাবলৈ যৎপৰোনাষ্টি কৰা চেষ্টাত আলোচনীখন প্ৰকাশ কৰা সম্ভৱ হৈ উঠিল । অৱশ্যে কেই গৰাকীমান শিক্ষাগুৰু আৰু ছাত্ৰবন্ধুৰ সহযোগতহে ই সম্ভৱ হ'ল ।

এই সংখ্যাৰ আলোচনীখন কেইটামান নতুন দিশ সামৰি লবলৈ আগবাঢ়িছিলো যদিও সেয়া হৈ নুঠিল যেন লাগে । কাৰণ নতুনত্বৰ যি প্ৰচেষ্টা হাতত লৈছিলো সেই প্ৰচেষ্টামতে আগুৱা নহ'ল । তথাপিও যি পাৰো নতুনত্বৰ আভাস দিবলৈ চেষ্টা কৰিলো । বহুত ছাত্ৰ-ছাত্ৰীয়ে লেখনী দিছিল যদিও উন্নতমানদণ্ডৰ নোহোৱা বাবে কিছুমান বাতিল কৰোৱা হৈছে । কাৰণ ব্যাকৰণগত শুদ্ধতাৰ পৰিপ্ৰেক্ষিতত‌হে এইবোৰ বাচনি কৰা হৈছে । বহু ছাত্ৰ-ছাত্ৰীয়ে প্ৰকাশ নকৰাৰ বাবে মোক বিব্ৰত কৰি তুলিলেও উপায় নাই । বহু চিন্তা চৰ্চা আৰু অনুশীলনৰ চেষ্টাতহে একোটি ভাল লেখনীৰ জন্ম দিব পাৰি । সকলো সমস্যাক আওকান কৰি ষষ্ঠবিংশতিতম সংখ্যাটি প্ৰকাশ কৰি উলিয়ালো। সহৃদয় পাঠক পাঠিকাই আলোচনীখন আদৰি ল'লে মোৰ শ্ৰম সাৰ্থক হোৱা বুলি ভাবিম ।

<u>সামৰণিত</u> :

২০০২-০৩ বৰ্ষৰ ডিগবৈ মহাবিদ্যালয়ৰ আলোচনী সম্পাদক পদত অধিষ্ঠিতকৰাৰ বাবে মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ - ছাত্ৰীলৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ । কোনো আলোচনী সম্পাদনা কৰাৰ ক্ষেত্ৰত মোৰ জীৱনৰ এয়েই প্ৰথম অভিজ্ঞতা । সেয়েহে ইয়াত কিছু ভুল থকাতো স্বাভাৱিক । আলোচনী এখন প্ৰকাশ কৰা কিমান কঠিন কাম তাক ব্যৱহাৰিক দিশৰ পৰাহে অনুভৱ কৰিব পাৰি । বহু ঘাত-প্ৰতিঘাত আৰু অভিযোগৰ মাজেৰে অতিক্ৰম কৰি সময়মতে আলোচনীখন আপোনালোকৰ হাতত তুলি দিবলৈ পাই মই অতি সুখী হৈছো । প্ৰেছৰ ভুল আদিকে ধৰি অনভিজ্ঞ ব্যক্তিৰ সম্পাদনা হেতু বৈ যোৱা ভুলৰ বাবে ক্ষমা বিচাৰিছোঁ । যিসকল বন্ধু বান্ধৱীৰ লেখনীৰ চেষ্টাত আলোচনীখনে পূৰ্ণতা লাভ কৰিলে সেইসকল বন্ধু বান্ধৱীলৈ মোৰ কৃতজ্ঞতা চিৰদিন থাকিব । এইখিনিতে মই মোৰ সহৃদয় লেখক লেখিকা সকললৈ একান্ত অনুৰোধ জনালো যে তেওঁলোকে যেন আৰু উন্নতমানৰ লেখা লিখিবলৈ চেষ্টা কৰে । সৰুতে প্ৰাথমিক বিদ্যালয়ত পঢ়া কবিতা এটিলৈ মনত পৰিছে "এটুপ এটোপ কৰি, ডাৱৰৰ পানী পৰি, ভৰি গ'ল বহল সাগৰ ---" এই কবিতাটিৰ মূলভাৱকে লক্ষ্য ৰাখি আগবাঢ়ি যোৱাত আপোনালোকৰ সহায়ক হব বুলি মোৰ একান্ত বিশ্বাস ।

শেষত আলোচনীখন প্ৰকাশ কৰি উলিওৱাৰ বাবে সহায় সহযোগ আগবঢ়োৱা ছাত্ৰবন্ধু ভাস্কৰ, অৰুপ, অশ্বিনী, সন্তোষ, ধৰণী, ৰাজীৱ, দ্বিজু, বিজু, জয়ন্ত, দেৱজিত, হৰিকান্ত, সৌৰভ, পিংকু, দীপক, পাপু, প্ৰহ্লাদ আৰু ছাত্ৰী-বান্ধৱী পদ্মজা, অজন্তা, বৰ্ণালী, নিবেদিতা, চন্দনা, দ্বিপজ্যোতি, সঞ্জয়, বিকাশ, জিতেন্দৰ আৰু সমূহ ছাত্ৰ-ছাত্ৰীলৈ । শেষত ডিগবৈ মহাবিদ্যালয়ৰ উজ্জ্বল ভৱিষ্যত কামনা কৰি সম্পাদকৰ একলম সামৰিছোঁ।

জয়তু ডিগবৈ মহাবিদ্যালয় ।
জয়তু ডিগবৈ মহাবিদ্যালয় ছাত্ৰ একতা সভা ।।

বিনীত,

*শ্ৰী ফণী শৰ্মা*
*আলোচনী সম্পাদক*
*ডিগবৈ মহাবিদ্যালয় ছাত্ৰ*
*একতা সভা ২০০২-০৩*

# তুমি

নিপম কোঁচ

তুমি যদি ফুল হোৱা
কাঁইট হৈ পহৰা দিম
তুমি যদি নিজৰা হোৱা
নদী হৈ প্ৰেমৰ প্ৰস্তাৱ দিম
তোমাৰ যদি দুখ হয়
সুখৰ ভাগো দিম
তুমি যদি গুচি যোৱা
পোহৰ পথে বাট চাই থাকিম ।

# আস্থা

শশী দেৱী ছেত্ৰী

সেই বালক ফটা কাপোৰ পৰিধান কৰা ।
পাতল ক্ষীণকায় শৰীৰ ।
উজলি আছিল চেহেৰাত,
অসীম কষ্ট আৰু বেদনা ।
আকৌ কিয় তুমি তাৰ
পৰিচয় বিচাৰি আছা ?
গৌৰৱ আছে, আমাক তোমাৰ
পৰিচয় দিয়া আৰু লোৱা আস্থাত ।
তাৰ শৰীৰে নকৰেনে
মানৱতাৰ চিত্ কাৰ ?
তাৰ হৈ থকা নাইনে বিৰক্তিৰ ভাৱ ?
বৈ থকা নাইনে বিৰক্তিৰ ভাৱ ?
বৈ থকা নাইনে চেহেৰাৰ ক্ষণে ক্ষণে
জীৱিত আত্মাৰ ৰহস্য জীৱন আৰু মৰণ ?
খং ধ্বনী কৰি আছিল তাৰ ফটা কাপোৰে
কৰি আছিল আমাৰ মানৱতাক চিৰাচিৰ ।
আকৌ তুমি থিয় দি আছা পৰিচয় লোৱাৰ শাৰীত,
ভাৱা তুমি কৰবাত ওলাই অহা নাইতো এই শাৰীত ।
আস্থা নহয় এইটো তোমাৰ পৰিত্যাগ ।
শুনিব নোখোজা তাৰ মৌনতা ।
তোমাৰেই আস্থাৰ ওপৰত বৈ আছে তাৰ আস্থা ।
দিব নোৱাৰা যদি তুমি কৃতজ্ঞতা তেন্তে সমাপ্ত কৰি দিয়া তোমাৰ কৃতজ্ঞতা
সেইবাবে পৰিচয় লোৱাৰ দিশত লগাই দিয়া তুমি প্ৰশ্ন চিহ্ন ?
নহ'লে
বজ্ৰপাত কৰিয়েই থাকিব সেই মাউৰা ল'ৰাৰ প্ৰতিবিম্বই ।



# মাজ নিশা

কল্যাণ দাস

এতিয়া মাজ নিশা
আগচোতালৰ বননি ডৰাত
নিয়ৰ সৰিছে,
কেউদিশ নিস্তব্ধ,
আলিকাষৰ নিয়ন লাইট কেইটা
আৰু মোৰ দুচকু সাৰে আছে
মাজনিশা ...
হঠাৎ, এয়া কিহৰ শব্দ !
কাণ স্যাৰ কৰি ৰলো ...
ভাৱনাৰ উকা কাগজত
ৰং তুলিকাৰে কোনোবাই
সপোন বুলাইছে নেকি !
এতিয়া পুনৰ নিস্তব্ধ
মোৰ দুচকু শুইছে
পিছে, চকুৰ পাতত জুপুকা মাৰি থকা
সপোনবোৰে নিদ্ৰাৰত চকুযুৰিক
শাস্তি দিয়াৰ ষড়যন্ত্ৰ ৰচিছে।
পিছ চোতালত নিস্প্ৰভ জোনটোৰে
সেউজীয়া পোহৰ যাচিছে,
জোনাক তথাপি অকলশৰীয়া
কিয়নো এতিয়া যে মাজনিশা ।

# কবিতা

ফণী শৰ্মা

১.
প্ৰায়েই যাওঁ
তেওঁক লগ পাবৰ বাবে
দেখিলেও থমকি ৰওঁ
মাতিবই নোৱাৰোঁ
মই যে বোবা
হাত মেলিবই নোৱাৰোঁ
দুয়োখন হাত কোঙা
তথাপিও যাঁও
আৰু আহোঁ ।
২.
কিয় চোৱা ইমান কৰুণ চাৱণিৰে
বিচাৰিছা কি
দিবলৈকে আছেবা কি
দুটুপাল চকুলো
এখনি ঠুনুকা হিয়া
আৰু দুহাতত শূন্যতাৰ বাহিৰে যে
একোৱেই নাই
মোৰ অনুৰোধ তুমি তেনেদৰে নাচাবা ।

## যোৱাগৈ আধা বাটৰপৰা ঘূৰি

চয়নিকা গগৈ

শীতৰ সেমেকা নিশা
শুভ্ৰ কুঁৱলীৰ মাজে মাজে
তুমি আহিছা

সচাঁই আচৰিত হৈছো

তুমি চাগে নাজানাই
মোৰ হৃদয়ৰ পঁজাত থকা
কজলা শেলুবৈৰ কথা
তাত যে হালধীয়া পোহৰ পৰিছে

যোৱাগৈ আধা বাটৰপৰা ঘূৰি

জুমি নাচাবা
তোমাৰ দুচকুও কজলা হ'ব
হেঁপাহেৰে ৰোৱা শেৱালীজোপাৰ
তলতো এখন্তেকো নৰবা
তাৰ পাহিবোৰ গাত পৰিলে
সচাঁকৈয়ে বেজাৰ পাবা

দুচকু মুদি মোৰ বাবে
ভগৱানক প্ৰাৰ্থনা নকৰিবা
চকু মেলি এন্ধাৰ দেখা পাবা

জীৱনৰ বাটত কেতিয়াবা
নষ্টালজিয়াত ভুগিলে -
মোক খং নকৰিবা
মাথো কবা
'ভালেই হ'ল'

সেয়ে দুনাই কৈছো
যোৱাকৈ আধা বাটৰ পৰা ঘূৰি । ❑



## তথাপি এটি আশা

অমৃত কুমাৰ উপাধ্যায়

তুমি বুলি মই কথা পাতিছিলোঁ
স্মৃতিৰ লগত
কালত সেয়াও বিস্মৃত হ'ল

এতিয়া বেলিকে তুমি বুলি
হাহোঁ, কথা পাতোঁ
দিনান্তত বেলিটিও হেৰাই যায়

আকৌ ৰাতিটো চন্দ্ৰমাৰ লগত কটাওঁ
কিন্তু আঁউসীত চন্দ্ৰমায়ো চকু জপায়
হায় ! তেতিয়া মই তৰাকে তুমি কৰি লওঁ

এনেকৈয়েতো পাৰ কৰি আছোঁ
দিনৰ পিছত ৰাতি, ৰাতিৰ পিছত দিন
দমাই ৰাখিছোঁ হৃদয়ানল

কিন্তু তুমি কোন, ক'ত থাকা
ইত্যাদিবোৰ মোক নকলা
হয়তো আৰু নকবাও
তোমাৰ ৰূমটোও নেদেখুৱালা
বুজিছোঁ তুমি আৰু নেদেখাবা কেতিয়াও ...

তথাপি মই কথা পাতি থাকিম
তোমাৰ লগত
দিনৰ পিছত ৰাতি ৰাতিৰ পিছত দিন ... ❑

## শৰত

হৰিকান্ত চেতিয়া

সেউজবুলীয়া প্ৰকৃতিৰ বুকুত
ৰূপৰ বহন চৰে ।
লুইতৰ পাৰত কঁহুৱা ফুলে,
মলয়া বতাহত নাচে !!
শেৱালী ফুলৰ মধুৰ গোন্ধে,
উতলা কৰিছে মন.!!
শৰতৰ নিশাৰ
জোনাকেও আজি,
ঢালি দিলে ৰং !!
ৰূপালী নদী
ৰূপালী বালি,
গছ, - বন লতিকাওঁ
ৰূপালী আজি !!
তৰা ভৰা আকাশত
পোহৰৰ মেলা,
আকোৱালী লম যেন
নিলগৰ পৰা !!
বিনন্দীয়া প্ৰকৃতিৰ
মোহনীয়া শৰতে,
নমাই আনে ধৰালৈ
শান্তিৰ সঁফুৰা !!
ত্যাগৰ মহিমাৰে
চিৰদিন হওঁক শৰত
সম্প্ৰীতিৰ প্ৰেৰণা !! ❑



## ল'ৰালি

শ্বাহনাজ বেগম

*ওঠৰতা বসন্তই ও পাহৰাব পৰা নাই অ'*
*তোৰ কোমল মাত*
*জুনুকাৰ ৰুণজুন, ৰুণজুন---*
*আৰ তাৰ কোঁচ বাগৰি যেন*
*দুপৰৰ বতাহত এতিয়াও*
*দুলি দুলি আহি থাকে*
*তোৰ শৰীৰৰ গোন্ধ ।*
*নদী ওভতি নবয়;*
*চিৰস্থায়িত্ব পৃথিৱীৰ নিয়ম নহয়,*
*হোৱা হ'লে - !*
*-ঘূৰি গ'লোহেতেন তোৰ কাষলৈ ।*
*ওঠৰতা বসন্তই ও তোক পাহৰাব পৰা নাই অ'* ❑

# বাংলা

## আমরা সকলেই একই

গায়ত্রী দেবী

একই একই একই
আমরা সকলেই একই ।
নাই কোন ভেদাভেদ,
আমরা সকলেই একই ।
ভারতে এক জাতি মনুষত্বের
নাই ভেদাভেদ রক্তে, বর্ণে, ভাষায় ।
আমরা সকলেই গাহি সত্যের জয় গান ।
মিলনের মধ্যে ঐক্য মহান ।
নানা জাতি, নানা ভাষা, নানা পরিচয়,
তথাপি সকলের মধ্যে ভাবের উদয়,
একই একই একই
আমরা সকলেই একই ।
সকলের উপরে একই ঈশ্বর,
এই ভাব সকলকে দিল
ঐক্যের পরিচয় ।
একই একই একই
আমরা সকলেই একই ।

নাই ভেদা ভেদ সূর্য, চন্দ্র, তারকায়
তাহারা সকলেই ভাই ভাই ।
নাহি জানি, নাহি পারি, নাহি বুঝিতে
সবার মাঝে অভেদ কোথায় ?
ভারতের মাটি, জল, বায়ু
আমাদের দিল মিলনের পরিচয়
একই একই একই
আমরা সকলেই একই ।
ভারত মাতা আমাদের দিলেন সংস্কার
সবার উপরে মানুষ মহান
তাহার উপরে কেহ নাই ।
একই একই একই
আমরা সকলেই একই । ❑

## सबेरा

*बिन्दिया यादव*

घनघोर अंधेरा को चीरकर
देखो फिर हुआ सबेरा,
सूरज की चमकती किरणों से
हुआ फिर उजियारा जीवन में,
चंचल हवाओं का वह झोंका,
फिर चिड़ियों की वह मधुर चहचहाहट,
फिर फूलों की महकती खिलखिलाहट,
फिर कोयल के वे मधुर गीत
फिर मिले हर मन को मनके मीत ।
होठों पर हँसी मन में संगीत
घनघोर अंधेरा को चीरकर
देखो फिर हुआ सबेरा,
मिट गाया दुखों का अंधेरा,
फिर खिल उठा एक नया सबेरा ॥ ❑



## आशा

*रक्तिम कौशं*

कितना मैं सहूँ,
तनहा क्यों रहूँ ।
कितना मैं करुँ इँतजार ।

मुझको है यकीन,
एक दिन तो सही
समझोगी सनम तू मेरा प्यार ॥

ये रास्ते, ये दूरियाँ ---
किस बात की मजबूरियाँ ।
तोड़ दे रस्म-रीति की हर दीवार ॥ ❑



## रिस्ता

*संगीता कुमारी*

एक रिस्ता जो अभी बन रहा था
टूटने लगा बनने से पहले ।
एक सहारे से उठते थे हम
गिर गए मगर संभलने से पहले ॥
जलने लगे जो उम्मीदों के चिराग
बुझा दिए गए जलने से पहले ।
कदम जो बढ़े आप के दिशा में
रुक गए वहीं से पहले ॥
सीखनाथा आप से मुस्कुराना
रुला दिया हमें हँसने से पहले ।
भिक्षा के लिए जो हमने झोली फैलायी
खींच लिया दामन कुछ देने से पहले ॥
परिभाषा जीवन की खोजने जो निकले
जिन्दगी छिन गई जीने से पहले
एक महल बनाया सपनों की दुनिया में
गिर गए नींव रखने से पहले ॥
क्या यही अर्थ होता है रिश्तों का
'जो टुटने लगता है बनने से पहले ? ❑

# आँसु

बी. प्र. शर्मा

आँसु आयो एक बुदं नयनमा
मँ जाउँ कसको शंरण मा ॥
आँसु आउँदो रहेछ दुःख पर्दा
तर किन ? सुखमा पनि आँसु
आउनै ??---
दुखको आँसुले शरीर सुकाउने,
सुखको आँसुले शरीर गदमदाउने ॥
आँसु एक तरल पदार्थ हो
तर यसमो तातपर्य के हौ ?
ऑसु त एकप्रकार को मणि हो
तर यसको स्वरुप मोलेर जान्दछ को (??
आँसु लाई बिषय गरी
कबिहरुले कबिता लेखे अनेक
बार-बार यौत एकं दिब्य रसायन हो । □

# के यही प्रेम हो ?

गोमा क्षेत्री

अहिले तिमी ---
मेरो हृदयको भित्री कोठामा
अँध्यारो हुँदा आकाशमा हैर्छु
जसरि तिमी हेछैऊ ---
'अपेक्षा' सरल शब्द दूईकौ लागि
तिम्रो मुटु भित्र छ
मेरा पयाँ नयाँ भाषाहरु
दुर्द आखाँमा तिम्रो प्रेम र म
औसीको अँध्यारो रातमा
तिपो नीलो आकाशको जुन भरुर
धुन् खोजछु तिम्रो हुदयको गभीरतालाई ॥ □



# जान्दिन म किन ?

राजीव उपाध्याय

हिजो म खुशी थिऊँ
तर गबाई थौह थिस्म
म किन खुशी यिदाँ ।
म खुशी यिहाँ
तरमलाइ भौह रहेवध कि,
म दुखी शिहाँ ।
हिजो म खुशी शिडाँ
हिजो म दुखी शिहाँ
तर मलाइ शाहै रहेनछ कि,
म दुखी शिहाँ।
म दुखी शिहाँ,
तर मलाइ शाहै छैन, हिजो
म किन दुखी शिहाँ।
सुख र सुख गाउदै सोलामा
लिदार हिड़दै रहेछ,
तर मलाई शहै रहेनछ कि
म हिड़दै शिहाँ । □

## THE MOONLIGHT NIGHT

Pallabi Das

On the last moonlight night,
When I and you were together.
We were talking of the future,
You had asked me then
If I could live without you.
I was stuck dumb,
To have your question replied.

It was now another moonlight night
Everything is similar, except one,
and that's you.
I am grieved
for you are no longer here with me.
You had gone too far
which is beyond my reach.

It is the unlucky hours
When my misfortune knocks at my door.
I, carrying the memories of,
the nights and days;
my childhood and youth,
Which I had spent
Under your shade "Mother".

I now feel that
Without you my life had turned into
a ship without rudder
or a sea without a shore
There's none to be with me now
to have my sorrows shared.
Really it has become hard
to live without you,
I believe, though in paradise
Mother ! you miss me too. ❑

## MY GREAT INDIA

Rana Ranjan Das

India, O my great India !
No one can be guide as you
No one can be brave like you
The world salutes your pride
Though they envy your glory.
But O Great India ! You never envy
Rather you cheer others glory
And stand always to make other stand.
India, O my Great India !
Where can I get mother like you ?
Where could I find a Nation like you ?
Bless all your children to be mighty
Teach all your children to be tolerant. ❑

## TEENAGE TROUBLE

Tuntun Debnath

Teenage is much of a trouble
A number of games and parties double.
At times of sea or a reddish pimple
Getting rid of them isn't simple.

Time passes trying perfumes & cream
While someone wishes packs of neem.
Wishing to be pretties even in a dream
The mirror never lies though we deem.

Maintaining figure is another worry
Making biceps & triceps teenagers hurry.
Dresses should be latest and catty
Though some one slim & other fatty.

Though racing cars & shining mobikes
Expensive wears of 'Adidas', Nikes'-
Linely cassettes music & dance
No one even misses a chance.

Its always a teenager tendency
To pine for a desire or simple fancy
In Rome Lagos Rio Toranto
Peking Sydney or wherever to go.

Full of ego and always dashing
Throughout fussy & also clashing.
No criticism what to say of bashing
May God save them from crushing. ❑

## আমি চলাথ কৰো যন্ত্ৰণাৰ ভূগোল

ভূপেন গগৈ

সময়ে সময়ে সেমেকি উঠে সকলো মানুহ
এৰি আহোতে পুৰণি ঘৰ । পকা তামোলৰ বাৰী
পদুলিৰ বকুল অথবা নাহৰ
নৈ পাৰৰ আবেলি অথবা দলঙৰ মূৰ অথবা
গোন্ধাই থকা গধূলি এটাৰ করুণ প্ৰাৰ্থনা

কেতিয়াবা কোনোবাই সোধে -
সকলো কথা পতাৰ পিছতো কি কথা বাকী থাকে
তেওঁৰ ওচৰত । জ্বলিব লাগে সমস্ত দিন
গোট গোট ৰাতি
সকলো ফুল ফুলাৰ পিছতো কি ফুল নুফুলে
আমাৰ বাগিচাত । নপৰে ৰ'দ
নানামে বৰষুণ

হাতে হাতে
কাৰ বুকুয়ে বুকুয়ে কিমান দিনলৈ থাকে প্ৰেমত পৰাৰ উছাহ
কোনে কিমান দিনলৈ কঢ়িয়াই লৈ ফুৰিব পাৰে
মৰি মৰি জীয়াই থকাৰ হেঁপাহ

ফিকা চাহ । শুকান চুপাৰি
দেখা-নেদেখা ছবি । শুনা-নুশুনা গান
কাকত-আলোচনী । বিভিন্ন অনুষ্ঠান
দূৰ-দূৰণিৰ চিঠি । আধালিখা উত্তৰ
নঘমাকৈ ভাত-কাপোৰ । টকা-পইচাৰ সপোন ...
যিবোৰে গৰকি থাকে আমাক
যিবোৰক গৰকি থাকো আমি
আৰু চলাথ কৰো যন্ত্ৰণাৰ ভূগোল ॥ ❑

## তুমি মাতাল হ'লে ---

(কবি নীলিম কুমাৰ সমীপেষু)

দীপেন কুমাৰ বড়া

তুমি শব্দৰ কাঁৰচাজি কৰি ভালপোৱা
যিখন হাতত কলমে বাট বোলে
বন্দুকৰ ডৰ সহিব নোৱাৰে সেই হাতে
তুমি নদীৰ কথা কোৱা
জোন-তৰা
ভূত-প্ৰেতৰ সাধু কব জানা
সুন্দৰকৈ কব পাৰা বাবেই তুমি প্ৰেমিক হব পাৰা
পৃথিবীৰ প্ৰেমিক ।

ডায়েৰীৰ প্ৰিয় পৃষ্ঠাত তোমাৰ ঠিকনা লিখি ৰাখিছোঁ
ডাকত চিঠি পঠাওঁ তোমালৈ
খবৰ কাগজত উত্তৰ পঢ়ো
মন গলেই আলাপ কৰিছোঁ তোমাৰ উমাল শব্দৰ সতে
আচিনাৰ খবৰ ৰাখো--
ক্ৰমশ: নিমজ্জিত হওঁ তোমাৰ নীলাত ।

কি খালে মাতাল হোবা কবি
তুমি মাতাল হলে নদীখনে লাজ কৰে
তিৰোতাবোৰ ধুনীয়া হয়
আপোন হয় ফ্ৰান্সৰ জোন
চৰাইবোৰে খুলি দিয়ে বুকুৰ কপাট
জন্ম হয় একোটাকৈ শব্দৰ সন্তান ।

প্ৰিয় কবি,
তুমি বাৰু কেতিয়া মাতাল হোৱা
ৰাতি নে দিনত
ৰ'দত নে বৰষুণত
তুমি মাতাল হ'লে পূৰঠ হয় আঘোনৰ বুকু
গাভৰুৰ হাঁহিত চঞ্চল হয় বতাহ
লংগৰ খুলি মুকলি হয় পাল তৰা নাওঁ
নীল সমুদ্ৰত । ❑

## নদীর তীরের মানুষ

মূল -(অসমীয়া) ইসমাইল হোসেন
অনুবাদ : (বাংলা) পার্থসারথি দত্ত

শৈশব কৈশোর আর যৌবনের নানা রঙীন তরঙ্গে ভেসে
এসে পড়ি এই ঢেউখেলা নদীর তীরের ঘাট ঘোলা জলে ভরপুর
নদী, কাঁটার অরণ্যে ঘিরে আছে দুইতীর। ঘোলা জলের ঢেউ
ভেঙে নাচছে নানা রঙের মাছ।
আমরা নদীর তীরের মানুষ ; ঘোলা জলের মতোই ধূসর মোদের
শরীর ; স্বপ্নের পথ ।. তবু স্বপ্ন দেখি স্বচ্ছতার।
রঙ বেরঙের মাছের মতো ঢেউ ভেঙে নাচি আর হৃদয় ভাঙি
বয়ে আসা নদীগুলো ছিটিয়ে সুন্দর করে তুলি দুই তীরের কাঁটার ঘাট।
আমার মতো প্রতিজন নদীর তীরের মানুষের হৃদয়ের মাঝে প্রতিপল
বয়ে যায় এক একটি নদী-মাখন রঙের। সেভাবে প্রতিটি নদীর
থাকে একটি করে হৃদয়, রুপালী রঙের: যন্ত্রণাকাতর অথবা সুখবাহী
ধার বয়ে যায় তাতে ; যেন শিশুর অবুজ ভাষা।
হৃদয় আছে বলেই নদীগুলো মানুষের মতো হাসে, নাচে,
দৌড়ে বেড়ায়। যন্ত্রণা দগ্ধ হলে নদীগুলো বিরহের গান গেয়ে কাঁদে
আর ইচ্ছে মতো এদিক্ সেদিক চলে যায় একাকী।
কত যুগের ভাঙা গড়ার ইতিহাসের সাক্ষী হয়ে সময়ের পিঠে
বসে ভেসে বয়ে যায় নদী ; কারোর জন্য নদীগুলো কেড়ে
আনে সুখের সংবাদ আর কারো জন্য শোকের আসুরিক বণ্যা।
তবু নদী গুলো স্পর্শ করে মানুষের সাত রঙের হৃদয়,
রামধনুর মতো। যন্ত্রণা কাতর মানুষের মতোই নদীগুলো কেড়ে আনে দুই তীরের
মানুষের দগ্ধ আর গলিত দেহের রক্ত, পূঁজ, মলমূত্র আর ঘাম।
এক দীর্ঘ পথ পরিক্রমায় নদীগুলো পালটে দেয় ভূগোলের গতিপথ,
ইতিহাসের রঙ। হৃদয়হীনের হৃদয় খুঁজে, রক্তহীনের রক্ত হয়ে, কত জীবন
আর সংস্কৃতির আঁধার হয়ে বয়ে যায় নদী।
আমরা নদীর তীরের মানুষ। নদীর মতোই এক চঞ্চল হৃদয় বয়ে বেড়াই
সংবেদনশীলতা আর আকুলতার। চঞ্চল নদীর স্রোতে কখনোবা
হারিয়ে যাই। আবার নদীকে হারানোর বেদনায় ঢুকরে কেঁদে উঠি শিশুরমতো।
তবু আমরা নদীকে ভালবাসি। আমাদের হৃদয়ে বইতে থাকে রঙ বেরঙের নদী ।।

- ০০ -

(কবিতাটি "প্রান্তিক" ১-১৫ সেপ্টেম্বর'০৩ সংখ্যায় প্রকাশিত হয়েছে)

## প্ৰেমৰ কবিতা

জয়ন্ত শৰ্মা

গুহাটোৰ ভিতৰত
মোক নেদেখাটো একো আচৰিত কথা নহয়,
কাষতে লাগি থকা ৰেলৰ দলং খনত উঠি
মই তললৈ চাইছো
পলস পৰা বালিচৰত
আঠু লৈকে সোমাইছো
"নৈৰ পাণীখিনি ঘোদা
খালে অপকাৰ কৰিব
তেওঁ কাচুলি পাতিছে।
বুকুৰ লোৰটো শুকাই যোৱাৰ ভয়ত
মোৰ দুহাতৰ আঙুলিবোৰ
পানীত খলপা খলপে
এৰাই গৈছে
টপ্ টপ্কৈ তেজৰ টোপালবোৰ, গড়কছাৰি
বালিৰ ঢাপটো বহু দূৰলৈ খহাই নিছে
ভাবিছো তেজ ৰঙাৰে
তোমাৰ নামটো লিখি থওঁ
পুৰা হ'লে দেখিবা
তেজৰ ৰং কলা বুলি ক'ব নোৱাৰা
কথাটো মই ভালদৰে জানো
অস্বীকাৰ কৰিব নোৱাৰো
মেটেকাৰ চুলিকোছাত লুকাই থকা
পোনা মাছৰ ডোৰা
ভাবোতেই ৰাতি হ'ল
নাহিল জুৰণি পানী
ৰেলৰ উকিটো কানত বাজিল
উভতিলো মোৰ গুহালৈ
মোৰ গুহাটোৰ বৰণ, তুমি
আজিও নেদেখিলা। ❑

# VIOLENCE AND CRIME IN INDIA

- *Jayantadeep Dutta*

**The internal violence is spreading widely to new areas in increasing frequency and often, even minor issues are inexorably engulfing large parts of the country in low intensity civil wars.**

The virtues blessed by Almighty like love, peace and brotherhood on humanbeings are getting lost in black dungeon of escalating crime and violence. Truth and honesty seem to play no role in the present day's developing Indian Society. The future of our nation, of our countrymen seem to have fallen in the hands of few mafia, dons, dacoits, militants and criminals. The internal violence is spreading widely to new areas in increasing frequency and often, even minor issues are inexorably engulfing large parts of the country in low intensity civil wars. Bomb-blasts, dacoities, rapes, gang-rapes, murders, abductions and gangwars continuously hit the newspaper headlines these days. These very well depict the changing scenerio of Indian society. News items for example "Bomblast left 20 dead", "Modesty of a school girl outraged', 'A suburban woman gangraped', 'An old housewife hacked to death', 'Militant strike left 30 dead' seem to pass off like any other routine incidents. Broad daylight murders, abductions for ransom, soaring crime graphs against woman show the violence and criminal upperhand in our society.

Crime and violence against woman have markedly risen in the last few years. Rapes, molestations, bride burning have become a routine phenomenon. Statistics say that there is a rape in every 54 minutes and molestation every 26 minutes. Sexual exploitation of women workers by their male employees and colleagues, politicians, beureaucrats and indistrialists has become frequent. The laws to curb such criminal acts have been tightened. Yet, there has been an unprecedented rise in the occurance of such incidents. In many cases the police officials are bribed by the assailants and they go scot free.

Regional movements in different parts of the country are on a rise. We notice that many of these movements which were benign to begin with, are fast taking a militant outlook. And coupled with this is the formation of new militant organisations. This has resulted in a spurt of new form of violence in Indian society. The common one include Jharkhand movement, Naxalite movement, Bodo and ULFA violence in Assam and various insurgencies in some of the North-Eastern states. These movements nourish the rising crime in Indian society and pose a grave threat to our every survival.

Today, the escalating violence has become the hall mark of any mass protest, demostration or strike. The peak of crime graphs has risen in direct proportion to increasing strikes and protests. These are usually marked with mob violence, burning of shops, looting and killing, crores and crores worth of Government and public property is destroyed in the wake of protest. The miscreants who incite the common people to holding mob protests, have political patronage. And ultimately, in the end the person who suffers most is the common man. Strikes and protests can be prevented with assistance and cooperation of political leaders. The politicians who set high ideals for themselves should refrain from awarding their guardianship to leaders of various trade unions. The media also can play an important role by highlighting the demerits and fallouts of strike to the common people. The Government should take firm steps to prevent them. It should take strong action against those responsible to expose the true colour and aims in front of the Indian people.

Common riots and ethnic violence have taken deep roots in Indian society. The whole nation is put to stake by petty politicians for their selfish political gains. They take advantage of religious sentiments of people to fill their vote banks. This has given rise to religious fundamentalism and militancy. The communal carnage at Bombay, Surat, Ahmedabad in aftermath of Babri Masjid demolition is a pointer in this direction. Ethnic violence has erupted in different parts of the country and have shaken the moral fabric of our society. Our society is facing today a new form of danger. The danger is from criminal-political nexus. It is hard to find a politician without a criminal link. In the present circumstances, the fate of a candidate appearing in election depends on the number of criminals he has on his side. The politicians protects them from law and they in turn, provide the politicians with vote banks. This has become one of the factors behind the failure of police force in controlling crime and violence in Indian society.

There has been a rise in the insurgencies and militant activities of ISI Pakistan in our country. Cities like Mumbai and Delhi and states like Kashmir and Assam are a pointer in this direction. The seize of RDX,arms, ammunition and various documents sent by Pakistan reveal its nefarious designs. Its policy is to spurt violence in Indian society, to block the economic growth of our nation. Following the end of the Afghan war, it has started infiltrating Afghan rebels into Indian teritory. What is most horrifying is the report of the Intelligence which indicates that Afghan rebels and ISI spies have spread over different parts of our country. Their main aim is to step up violence, in form of Hindu Muslim riots.

Students, considered as the future citizens of our country, plays an important role in shaping up the future of any society. In the last few years there have been seen an increased indulgence of students in unlawful activities. Incidents like harassment of Professors, eveteasing of girl students, boycott of classes have become a daily routine. They organise rallies, demonstrations and protests. The ever increasing portrayal of violence and crime in present day movies has an important part to play in student violence. The number of crimes committeed by students has increased. Rising unemployment is another factor which causes dissatisfaction and frustration among youth and they resort to violence.

To prevent atrocities and crimes against women, greater participation of women organisation and NGO's is required. At the Government level it is necessary to create a special women cell at the centre with its branches in all states to look into atrocities committed against women, Government should provide more power to the members of National Commission for women. Those found responsible be given quick rigorous punishment. Flaws in dowry laws should be removed and punishment for bride burning enhanced. The investigating agencies and police force must also provide their full support and cooperation.

Atrocities by caste panchayats can be prevented, if the state communicate on a more regular basis with them and make the limit of its power clear. The state must immediately prosecute the murderers of all those youngsters and make it quite clear the private vengeance is nothing short of murder and will not be tolerated. At the same time, formal legal system must cease to be a trap for ordinary citizens. The courts must no longer be a byword for corruption, prohibition, expenses, inordinate delay and procedures that defeats justice. Unless all this is done, we have hardly any right to preach caste panchayats.

**The politicians should refrain from giving speeches which provocate religious sentiments of various communities. Special laws and ordinances may be promulgated to punish such politicians. Special measures may be undertaken by the Government to prevent communal flare up in sensitive areas.** Committees may be formed from different ethnic and religious groups involving the intellectuals and elders to solve differences through peaceful means. On one hand the state Governments should

Contd. Page. 15



# বৰ্তমান অসমৰ যুৱ উশৃংখলতাত ভোগবাদৰ প্ৰভাৱ

*গিৰীশ শইকীয়া*

আগতে অসম বুলি কলে উত্তৰ পূৰ্বাঞ্চলৰ সাতোখন ৰাজ্যকে বুজাইছিল। কিন্তু প্ৰাকৃতিক বা ৰাজনৈতিক কাৰণতেই বা অন্য কাৰণতেই হওঁক সেই অসম ৰাজ্য ভাগ হৈ সাতখন সুকীয়া ৰাজ্যত পৰিণত হ'ল। আৰু বৰ্তমান অসম বুলি কলে ৭৪,৫৩৮ বৰ্গকিলোমিটাৰে আগুৰি থকা ভূ-খণ্ডকে বুজা যায়। বাৰে বৰণীয়া সাংস্কৃতিৰে পৰিপূৰ্ণ বৰ্তমান অসমৰ জনসংখ্যা দুই কোটিৰো অধিক।

বৰ্তমান অসমৰ যুৱ সমাজ বুলি কলে (৮০) আশীদশকত জন্ম গ্ৰহণ কৰা ২০-২৫ বছৰীয়া ডেকা সকলকে বুজা যায় আৰু ১৯৮০ চনৰ পৰা "বৰ্তমানৰ অসম" বুলি এই আলোচনাত কোৱা হৈছে। এই সময়চোৱাত আমি লক্ষ্য কৰিলে দেখা পাওঁ যে সমাজৰ বিভিন্ন দিশত যি উশৃংখলতা সৃষ্টি হৈছে তাৰ ভিতৰত যুৱ উশৃংখলতা সৃষ্টি হৈছে তাৰ ভিতৰত যুৱ উশৃংখলতাই এক ভয়ানক ৰূপ ধাৰণ কৰিছে যাক আমি বৰ্তমান অসমৰ এটা জলন্ত সমস্যা বুলি কব পাৰোঁ। এতিয়া আমি চাওঁ উশৃংখল মানেনো কি? এক কথাত কবলৈ গলে সু-শৃংখলাৰ অভাবেই হৈছে উশৃংখল। অৰ্থাৎ যেতিয়া আমি সু-শৃংখল সমাজৰ পৰা আতৰি আহি অসামাজিক কামত লিপ্ত হওঁ, তেতিয়াই উশৃংখলতা আহে। আমি মানুহ জাতিটো সামাজিক প্ৰাণী। আমি এখন সমাজত বাস কৰোঁ। সামাজিক প্ৰাণী হিচাপে আমি সমাজৰ ৰীতি-নীতি, আইন-কানুন মানি চলা উচিত। যেতিয়াই আমি সমাজৰ ৰীতি-নীতি, আইন-কানুন আদি মানি নচলো তেতিয়াই সমাজত উশৃংখলতা আহে।

আজি কালি ডাঙৰ ডাঙৰ অপৰাধ বিলাকত জড়িত থাকে সমাজৰ ক্ষমতাশালী ধনী পৰিয়ালৰ যুৱকসকল। যি সকলক দেশৰ প্ৰশাসন ব্যৱস্থাইও ধৰিব বা শাস্তি দিব নোৱাৰে। তাৰ ফলস্বৰূপে তেওঁলোকৰ দ্বাৰা সমাজত উশৃংখলতা দিনক দিনে বাঢ়ি যায়।

বৰ্তমান সমাজৰ বিভিন্ন দিশত উশৃংখলতাই দেখা দিছে যদিও, যুৱ সমাজৰ মাজত দেখা দিয়া উশৃংখলতাই এক ভয়ানক ৰূপ ধাৰণ কৰিছে। বিভিন্ন দিশত আমি লক্ষ্য কৰিলে দেখা পাম যে দিনক দিনে যুৱ সমাজৰ মাজত উশৃংখলতা বৃদ্ধি পাই আহিছে। শিক্ষিত, অৰ্ধশিক্ষিত, অশিক্ষিত আদি সকলো শ্ৰেণী যুৱকৰ মাজত দেখা যায় কেৱল উশৃংখলতা। ৰাস্তা-ঘাট, স্কুল-কলেজ, ক্লাব, ৰেষ্টুৰাঁ, চিনেমা হল, বজাৰ হাট আদিত দেখা পাব কেৱল উশৃংখল। বাতৰি কাকতখন মেলি চালেই দেখা পাব যুৱকৰ উশৃংখলতাই ডাঙৰ ডাঙৰ আখৰে বাতৰি কাকতৰ শিৰোনামা দখল কৰিছে যেনে যুৱতী ধৰ্ষণ, অপহৰণ, হত্যা, লুন্ঠন, বেংক ডকাইতি, চোৰাং ব্যৱসায় আদিৰ দৰে কেৱল অসামাজিক কাৰ্য্য-কলাপ। কেৱল সেয়ে নহয় শিক্ষাৰ দিশতো চালে দেখা পাওঁ যে ভুৱা প্ৰমাণ পত্ৰই শিক্ষা গ্ৰহণ, চাকৰি কৰা আদি নানা অসামাজক কাৰ্য্য-কলাপ। ডাঙৰ ডাঙৰ চহৰ বিলাকলৈ লক্ষ্য কৰিলে দেখা যায় যে ডাঙৰ ডাঙৰ চোৰাং ব্যৱসায়, জালনোট তৈয়াৰ, ড্ৰাগছৰ চোৰাং ব্যৱসায় আদিৰ দৰে কেৱল অসামাজিক কাৰ্য্যকলাপ। সমাজৰ বিভিন্ন দিশত এনে অসামাজিক কাৰ্য্যকলাপ দিনক দিনে বৃদ্ধি পাবলৈ ধৰিছে আমাৰ যুৱ সমাজৰ মাজত।

যুৱ সমাজৰ মাজত দিনক দিনে উশৃংখলতা বৃদ্ধি পোৱাৰ কাৰণনো কি বা কিহৰ প্ৰভাৱত যুৱ সমাজ এনে অসামাজিক কামত লিপ্ত হৈছে? যদি আমি এই দিশলৈ চাওঁ তেন্তে দেখা যায় যে এনে উশৃংখলতাৰ মূল কাৰণ হিচাপে আমি ভোগবাদকেই জগৰীয়া কৰিব পাৰোঁ। ভোগবাদ মানুহৰ প্ৰবৃত্তি, ই জন্মগত ভাৱে লাভ কৰা অধিকাৰ। তেনে স্থলত ভোগবাদক যুৱ উশৃংখলতাৰ বাবে দায়ী বুলি পোনপটীয়াকৈ কব নোৱাৰি। তথাপিও ভোগবাদৰ প্ৰভাৱে যে যুৱ উশৃংখলতা বৃদ্ধি কৰিছে তাকো নুই কৰিব নোৱাৰি। ভোগবাদ বুলি কলে কেৱল অৰ্থ সংগ্ৰহ কৰা আৰামদায়ক জীৱন যাপন কৰা আদি কাৰ্য্যকেই নুবুজায়। মানসিক সুখ, আংগিক তৃপ্তি, সুবিধা পোৱা আদি সকলো ভোগবাদৰ অন্তৰ্গত। প্ৰয়োজনতকৈ যদি অধিক পোৱা যায় তেতিয়াই সৃষ্টি হয় ভোগবাদ আৰু এই ভোগবাদেই যুৱক বা যুৱতীগৰাকীক ঠেলি দিয়ে উশৃংখল পথলৈ। এজন ছাত্ৰই যদি বিদ্যালয়লৈ খোজকাঢ়ি যাব পাৰে তথাপিও যদি তেওঁক এখন 'বাইক'ত বিদ্যালয়লৈ যাবলৈ দিয়া হয়, তেতিয়াই তেওঁ বাইক চলোৱা চখত ৰাষ্টাই ঘাটে উশৃংখল আচৰণ কৰে। আজি কালি ডাঙৰ ডাঙৰ অপৰাধ বিলাকত জড়িত থাকে সমাজৰ ক্ষমতাশালী ধনী পৰিয়ালৰ যুৱকসকল। যি সকলক দেশৰ প্ৰশাসন ব্যৱস্থাইও ধৰিব বা শাস্তি দিব নোৱাৰে। তাৰ ফলস্বৰূপে তেওঁলোকৰ দ্বাৰা সমাজত উশৃংখলতা দিনক দিনে বাঢ়ি যায়। ইয়াৰ বাবে দায়ী আমাৰ সুৰুঙা থকা প্ৰশাসন ব্যৱস্থা আৰু অভিভাৱক সকল। তাৰোপৰি আজি কালি যুৱক যুৱতী সকলে অন্য দেশৰ আদৱ কায়দাৰ ৰীতি-নীতি আমাৰ দৰে এখন দুখীয়া দেশত প্ৰচলন কৰিবলৈ বিচৰাত আমাৰ সমাজত উশৃংখলতা অতি তীব্ৰ গতিত বাঢ়িব ধৰিছে। অন্য দেশৰ পৰা আমাৰ অসমত প্ৰৱেশ কৰা সাজ পাৰ অতি কম দামী চিনেমা, কেৰোল, ইন্টাৰনেট আদিয়ে আমাৰ যুৱক-যুৱতী সকলৰ ভোগবাদৰ প্ৰবৃত্তিক দুগুণে বঢ়াই তুলিছে। আজি কালি যুৱতী-সকললৈ মন কৰিলে দেখা যায় যে তেওঁলোকে যি বোৰ সাজ-পাৰ

পৰিধান কৰে সেই সাজ-পাৰত দেহৰ প্ৰায় অৰ্দ্ধাংশই অনাবৃত্ত হৈ থাকে । যাৰ ফলত যুৱক সকলে নিজৰ প্ৰবৃত্তিক দমাই ৰাখিব নোৱাৰি উশৃংখল ব্যৱহাৰত লিপ্ত হয় । এই দিশত যুৱক যুৱতী সকলক অতি বেয়াকৈ প্ৰভাৱ পেলাইছে সস্তীয়া দামী অশ্লীল ছবি সমূহে ! আজি কালি চিনেমা হল আদিত প্ৰায় দেখিবলৈ পোৱা যায় অশ্লীলতা পূৰ্ণ ছবিৰ পোষ্টাৰ । তাৰ উপৰি নগৰ আৰু গাওঁ অঞ্চলসমূহতো দ্ৰুত গতিৰে বাঢ়িব লাগিছে চোৰাং অশ্লীল চি.ডি.ৰ বেহা । এই চি. ডি.ৰ বেহাই কিশোৰ-কিশোৰী তথা যুৱক যুৱতীৰ মাজত যৌন সম্পৰ্কীয় বিৰূপ ভাব জগাই তুলিছে । ৰঘু মলাৰ দৰে গোটেই অসমৰ গাৱেঁ-ভূঞে বিয়পি পৰিছে এই অশ্লীল চি. ডি.ৰ বেহা । অলপতে অসমীয়া প্ৰতিদিন কাকতত প্ৰকাশ পাইছিল মৰিয়নী অঞ্চলৰ স্কুলৰ ছাত্ৰৰ জেপত হেনো এনে চি.ডি.ৰ কেছেট আৰু স্কুলৰ ছাত্ৰৰ লগতে ছাত্ৰীয়েও হেনো পকেটত চি.ডি. প্লেয়াৰ লৈ নিৰ্জন ঠাই বা চাহ বাগিচাৰ মাজত বহি এনে অশ্লীল ছবি উপভোগ কৰে । অসমৰ চুকে কোনে ঘটি থকা এনেবোৰ কাণ্ডই নৱপ্ৰজন্মৰ মাজত বিদ্যায়তনিক দিশৰ প্ৰতি অনীহা আনি দিছে । অকল সেয়ে নহয়, অসমৰ সিংহভাগ নৱ-প্ৰজন্মই কোন দিশে বাট বুলিছে সেয়াও আঙুলিয়াই দিছে । এনে বোৰ যুৱক যুৱতী তথা কিশোৰ কিশোৰীয়ে অসমৰ সামাজিক বাতাবৰণ কলুষিত কৰাৰ লগতে নিজৰ পৰিয়াল তথা সমাজলৈ মাতি আনিছে ঘোৰ অন্ধকাৰ ।

আজিৰ অসমক ভোগবাদে চাৰিও দিশৰ পৰা চালি ধৰিছে । এই ভোগবাদে যুৱক যুৱতীৰ প্ৰবৃত্তিক দুগুনে বঢ়াই তুলিছে । যাৰ ফলস্বৰূপে আজিৰ যুৱক যুৱতীসকলে প্ৰকৃতিকে আদি কৰি সকলো বস্তুকে তথা গোটেই পৃথিৱীখনকে পেগবাদৰ আহিলা হিচাপে মানি লৈছে । বিভিন্ন শিক্ষা-সাংস্কৃতিক অনুষ্ঠান, গ্ৰন্থমেলা, সৃষ্টিশীল কৰ্ম আদিৰ পৰিবৰ্তে অভিভাৱকে কিনি দিয়া, বাইকৰ পিচফালে এগৰাকী যুৱতীক বহুৱাই লৈ টহল দিয়াটো অভিজাত্যৰ চিনাকী বুলি এইসকল যুৱকে মগজুত ভৰাই লৈছে । আৰু নিজৰ যুৱ মানসিকতাক কলিতে মষিমূৰ কৰি পেলাইছে । এতিয়াৰ পৰাই যদি এনে যুৱ মানসিকতা ৰোধ কৰিব পৰা নাযায়, তেন্তে ই অসম আৰু অসমীয়াৰ বাবেই ই বিষবাষ্প হৈ উঠিব । ইয়াৰ বাবে লাগিব এটা বিপ্লৱ, বিপ্লব আনিব লাগিব ছাত্ৰ সমাজেই ইয়াৰ মূলমন্ত্ৰ হব লাগিব। তেতিয়াহে যুৱসমাজ শৃংখলাবদ্ধ হ'ব । ❑

Contd from Page No.13

## VIOLENCE AND CRIME IN INDIA

It is twenty five years before, when a very aristocratic and happy couple was looking for a child to adopt. They, no doubt had everything in their life except a child. While, they were in search, they found a poor widow with three children - the eldest was a six year old boy, the second was a girl of four years and the youngest was a child of just one year. The widow was trying to give away her youngest son to that very couple, as she was totally in a poor situation in growing and caring up her children. The couple was extremely grateful to the widow to have a child. From that day, the child - named Rahul was the son of a very rich family. His parents cared for him a lot and satisfied his each and every want. It became such that, he did never have to ask for anything; it became such that he did only have to say that : " I like this," and the thing was before him. His mother was very much loving and caring. For her, Rahul was everything to her and vice versa. But, happiness could no longer stay with them. Rahul, at his tender age of five had to lose his mother - his second though the foremost mother. She suffered from cancer and became too loving to God. Rahul was all alone with his father. He was admitted to a good school; but Rahul lost his cheerful smile on his face. Rahul's father never wanted that Rahul should lack something. But, he lacked the love of a mother. So, his father was compelled to marry again, only to look after and care for his son. Rahul got his new mother. And Rahul considered her as a step-mother. His new mother no doubt tried hard to give all her love to him, but she failed to do so - as his first mother devoted her love. But, Rahul continued to get all the priviledges in his life. He completed his schoolings and went for his higher studies. In the meantime, he happened to be in love with a girl named Reemi. And at the sametime, he somehow came to meet his original elder brother and developed a good relationship between them. One day, while they were talking, as usual, Rahul came to know about himself - recognized his brother, met his real mother and his sister who was then married.

Tragedy broke upon him, just as mirrors broke into pieces. To add to his tragedy, his love with Reemi was completely opposed by his stepmother. At the same time Reemi's family - her relatives too were in complete dis-agreement with the proposal made by Rahul, except her younger sister Rinky. However, Rahul was never discouraged. He continued to meet his real mother and also determined to marry Reemi. As time passed, Reemi did her graduation. Rahul became stable as a good businessmen and was in hurry to marry Reemi. Reemi was totally ignorant of Rahul's tragic story. Rahul's father as usual to satisfy his need compromised with his wife and agreed to arrange the marriage; but it was all in opposition of the girl's family. On 20th of November 1990, the girl ran away with Rahul. They had a court marriage with support of Rahul's parents and relatives. But Rahul's parents were ignorant of the fact that Rahul did ever meet his real mothers. They arranged the marriage party and it was all done with pomp and show.

It was then after the rituals, suddenly, the woman with a white sari comes in with a pair of bangles in her hand, claiming it is for her daughter-in-law. The boy (Rahul) with great excitement embraces his real mother - the woman and takes her blessings along with his bride (Reemi), Rahul's parents (present - who did adopt him) remained astonished, but had to admit the truth - the fact. **Rahul's father said - "Yes, Rahul has three mothers, but she (pointing to the woman who put on a white sari) is real, very real. He has her blood in him."** ❑

# মনত সূৰ্যোদয়ৰ শক্তি

বিনীতা গগৈ

মায়াবিনীয়ে একেথৰে তালৈ চাই আছিল । তাইৰ চকুযুৰি তিৰবিৰাই আছিল । 'হয়তো তোমাৰ কথাই সঁচা । কিন্তু মই অকলশৰে কেতিয়াও ইমান শক্তিশালী হ'ব নোৱাৰিম তুমি জানা । মোক ---'

"নুসুধিবা মোক
মোৰ অন্তৰত কিহৰ ইমান দুখ
পাহাৰৰ চূড়ালৈ চালেই দেখোঁ
নিস্তেজ শুকুলা তুষাৰৰ চখ ---"

: মৌচম !

মায়াবিনীৰ বেদনা গধুৰ কন্ঠত সি কোনো গুৰুত্ব নিদিলে । বৰঞ্চ সি তাইৰ কাষৰ পৰা উঠি আহিল । নিজৰ অজানিতে মায়াবিনীও তাৰ লগে লগে আহিল । মায়াবিনীৰ ডিঙিত যেন কিহবাই সোপা মাৰি ধৰিছে । হঠাতে মায়াবিনী তাৰ আগত ঠিয় হৈ সিক্ত নয়নেৰে তাৰ দুচকুলৈ চাই ৰ'ল। সি তাইৰ চকুপানী চাব নোৱাৰে । তথাপি সি কঠোৰ হ'ল । সি অন্যফালে দৃষ্টি ঘূৰাই আঁতৰি যাবলৈ উদ্যত হ'ল ।

: প্লিজ, মৌচম । মায়াবিনীয়ে কাতৰ দৃষ্টিৰে তাৰ হাতত ধৰি বাধা দিবলৈ চেষ্টা কৰিলে । সি ৰৈ গ'ল । মায়াবিনীৰ কাতৰ দৃষ্টি তাৰ বুকুভেদি সোমাই গ'ল । সি ঠাইতে বহি পৰিল ।

: ইমান অধৈৰ্য্য নহবা মায়া । মইতো অবুজ নহওঁ । ইমান কাপুৰুষ বুলি ভাবিছা মোক ! আকাশ বৰুৱা মন্ত্ৰী হব পাৰে, টকা পইচাৰে মানুহ কিনিব পাৰে --- মোৰোতো টকা আছে । কিন্তু --- মইতো তাৰদৰে টকাৰ অপব্যৱহাৰ কৰা নাই । তাৰদৰে জুৱাৰী, অভদ্ৰ নহওঁ । তাৰদৰে মানুহ হৈও অমানুহ নহওঁ । তাৰ মনটো কান্দি উঠিল । মায়াই উচুপি আছে । ইয়াৰ বাহিৰে তাই কৰিবই বা কি । আকাশ বৰুৱাৰ লগত বিবাহ হোৱাৰ প্ৰথম নিশাৰপৰাই তাইৰ অন্তৰ পানীৰে ভৰি আছে । শান্ত, সৌম্য মানুহ জনক প্ৰথমতে মায়াবিনীয়ে দেখি বৰ সুখী হৈছিল । ৰাজনীতি কৰে যদিও আকাশ বৰুৱাক লৈ তাইৰ মনলৈ বেয়া ভাৱ অহা নাছিল । আকাশ বৰুৱাৰ পৰিচয়টো তাই বহুত দেৰিকৈ পাইছিল । যিটো সময়ত তাইৰ জীৱনটোৰ জোৱা লগাবলৈ একোৱেই নাথাকিল । বিয়াৰ প্ৰথম নিশাই আকাশ বৰুৱাৰ নীচ, মদপী চেহেৰাৰ আচন্ন ৰূপটো দেখি তাইৰ বিশ্বাসেই হোৱা নাছিল । অকথ্য, অত্যাচাৰেৰে জৰ্জৰিত হৈছিল তাইৰ শৰীৰ, মন । দিনৰ ভদ্ৰতাৰ পৰিচয় ৰাতিৰ ভাগত সাংঘাতিকভাৱে বিপৰীত হৈ পৰে আকাশ বৰুৱাৰ । পাঁচ মাহ মানৰ পিছতেই মায়াবিনীয়ে আদালতত আবেদন কৰিছিল বিবাহ বিচ্ছেদৰ বাবে । তাইৰ গোচৰত অকনো বিচলিত হোৱা নাছিল আকাশ বৰুৱা । বিবাহ বিচ্ছেদ হোৱাৰ পিছৰেপৰাই তাইৰ পুৰনি বন্ধু মৌচমে তাইক সাধ্যানুসৰি সহায় কৰি আহিছে । তাই মাকৰ লগতে থাকিবলৈ লৈছিল আৰু মৌচমে যোগাৰ কৰি দিয়া কলেজখনত অধ্যাপিকা কৰিবলৈ লৈছিল । মৌচম-মায়াবিনীৰ হলিগলি দেখি আকাশ বৰুৱা ক্ৰোধান্বিত হৈ পৰিছিল । তাৰ ফলস্বৰূপেই তেওঁ যোৱাকালি মায়াবিনীৰ গেটৰ মুখত দুখত দুঘন্টা ধৰি গাড়ীৰ হৰ্ণ বজাই মায়াবিনীৰ লগতে ওচৰৰ মানুহবোৰক অতিষ্ঠ কৰি তুলিছিল। মায়াবিনী গোটেই ৰাতি উচুপি আছে । মাকে তাইৰ কাষতে ৰাতিপুৱালৈকে বহি আছে ।

মৌচম পুৱা গৈছিল । মায়াবিনীৰ ওখহা ওখহা চকুহাল দেখি তাৰ মনটো আকৌ অস্থিৰ হৈছিল । সি একো নজনাকৈয়ে কলে - মায়া, অতীতৰ কথাই মাথো চিন্তা কৰিবলগীয়া বিষয় নেকি ? যি কাৰণে সদায় চকু পানীৰে তিতি থাকে । যদি সেয়েই তেন্তে মোৰ কবলগীয়া একো নাই । কাৰণ মই তোমাক প্ৰায়েই একে কথাই কওঁ ।

মায়াবিনীৰ আকৌ কান্দোনবোৰ ওজাই আহিব খুজিছিল । চেপি ৰখা কান্দোনখিনিৰে তাই ৰুমলৈ দৌৰি গৈছিল । মায়াবিনীৰ মাকে ঘটনাটোৰ কথা মৌচমক কৈছিল । তাৰ দুখ লাগিল মায়াবিনীক তেনেকৈ কোৱাৰ বাবে । মায়াবিনী ওলাই অহা নাছিল ৰুমৰপৰা । সি তাইৰ ৰুমলৈকে গৈছিল ।

: মায়া, ভুল নুবুজিবা, নজনাকৈয়ে কৈ পেলালোঁ । আচলতে কি জনা, তোমালৈ মোৰ খুওব চিন্তা লাগে ।

মায়াবিনীয়ে কাতৰ দৃষ্টিৰে তালৈ চালে ।

: তোমাৰ কোনো ভুল হোৱা নাই মৌচম । মই যে কি -- এই ভাবিহে দুখ লাগিছে। তুমি কোৱা কথাবোৰ --।

: তুমি কিয় কথা লুকুৱাবলৈ চেষ্টা কৰিছা মায়া । মই কি তোমাৰ বন্ধু নহয় ? তুমি যোৱাকালিৰ কথাটো --- মহ যি শুনিছোঁ মিছা বুলি ক'ব পাৰিবা ? আচলতে --- আচলতে মই --- ।

মৌচম ৰৈ গ'ল । মায়াবিনী উচুপি উঠিল ।

: মই আকাশ বৰুৱাৰ ওচৰলৈ যাওঁ । মই আচলতে জানিব বিচাৰো তেওঁ তোমাৰপৰা কি বিচাৰিছে । সি সংযত হৈ উঠি কলে ।

: তুমি পাগল হোৱা নাইতো ! তালৈ --- তালৈ যাব ওলাইছা ? নোৱাৰা যাব। মায়াবিনী চিঞৰি উঠিল । তাই তাক বহুৱাই দিলে ।

মায়াবিনী উচুপিয়েই আছিল । সি লাহেকৈ তাইৰ মূৰত হাতখন থলে । মায়াবিনীয়ে তালৈ চালে । সি কৈ গ'ল - আচলতে কি জানা মায়া, আকাশ বৰুৱাৰ নিচিনা মানুহেই তোমাৰ, মোৰ সকলোৰে জীৱন নষ্ট কৰিছে । আকাশ বৰুৱাৰ দৰে মানুহক চিনাটো ইমান সহজ নহয় । সিহঁতে মৰম-ভালপোৱা চিনি নাপায় । আনৰ মৰম দেখিলে সিহঁত আচৰিত হয় আৰু --- তেনে ক্ষেত্ৰত আমনি দিয়াটো সিহঁতৰ

নিয়ম। কিন্তু কি জানা, আমি শক্তিশালী হ'লে সিহঁতে আমাৰ একো অনিষ্ট কৰিব নোৱাৰে। সুযোগ নিদিলেই হ'ল মাত্ৰ।

মায়াবিনীয়ে একেথৰে তালৈ চাই আছিল। তাইৰ চকুযুৰি তিৰবিৰাই আছিল। হয়তো তোমাৰ কথাই সঁচা। কিন্তু মই অকলশৰে কেতিয়াও ইমান শক্তিশালী হ'ব নোৱাৰিম তুমি জানা। মোক --- ।

: কোৱা। মই আছো তোমাৰ স'তে। সি হঠাতেই কৈ পেলালে।

: মৌচম --- আচলতে মই তোমাক --- তোমাৰ দৰে এজনৰ সতেই শক্তিশালী হ'ব বিচাৰোঁ। তাই তলমূৰকৈ কওঁ-নকওঁকৈ কলে।

: মই তোমাৰ বহুদিনৰ পৰাই সঁচা কথাটো ক'ম বুলি ভাবি আছিলোঁ। আচলতে মায়া ---

মৌচমে আলফুলকৈ তাইৰ চকুদুটা মোহাৰি দিলে। খোলা খিৰিকি খনেৰে সূৰ্য্যোদয়ৰ পোহৰ আহি সিহঁত দুটাৰ গাত ৰংবোৰ সিঁচি দিলে। পোহৰত যেন ভাহি থাকিল ফণীন্দ্ৰ কুমাৰ দেৱচৌধুৰীৰ সেই বিখ্যাত উক্তিটো - প্ৰতিগৰাকী নাৰীয়েই জীৱনত এজন পুৰুষৰ মাজত দুজন মানুহ বিচাৰে। এজনৰ পৰা বিচাৰে আশ্ৰয়, আনজনৰ পৰা প্ৰেম। ❑

---

## ভাৰতৰ আঠটা ডাকমণ্ডলৰ অন্তৰ্গত অঞ্চলসমূহ

| | | |
|---|---|---|
| মণ্ডল ১ | : | দিল্লী, হাৰিয়ানা, পঞ্জাৱ, চণ্ডীগড়, হিমাচল প্ৰদেশ, জম্মু আৰু কাশ্মীৰ। |
| মণ্ডল ২ | : | উত্তৰ প্ৰদেশ, উত্তৰাঞ্চল। |
| মণ্ডল ৩ | : | ৰাজস্থান, গুজৰাট, দমন আৰু দিউ, দাদৰা আৰু নগৰ হাভেলী। |
| মণ্ডল ৪ | : | মহাৰাষ্ট্ৰ, গোৱা, মধ্যপ্ৰদেশ, ছত্তিছগড়। |
| মণ্ডল ৫ | : | অন্ধ্ৰপ্ৰদেশ, কৰ্ণাটক। |
| মণ্ডল ৬ | : | তামিলনাডু, কেৰালা, লাক্ষাদ্বীপ, পণ্ডিচেৰী। |
| মণ্ডল ৭ | : | পশ্চিমবংগ, উৰিষ্যা, অৰুণাচল প্ৰদেশ, অসম, মণিপুৰ, মেঘালয়, মিজোৰাম, নাগালেণ্ড, ত্ৰিপুৰা, আন্দামান নিকোবৰ দ্বীপপুঞ্জ, ছিকিম। |
| মণ্ডল ৮ | : | বিহাৰ, ঝাৰখণ্ড। |



# জীৱন লগৰী

*তুলুমনী দাস*

**দুয়ো-দুয়োকে ভাল পাইছিল প্ৰানভৰি । অসীমৰ অবিহনে মানসীৰ জীৱন শূন্য হৈ পৰিছিল । ইফালে অসীমে মানসীক নিজৰ কৰি লোৱাৰ প্ৰতি শ্ৰুতি দিছিল । কিন্তু সিহঁতৰ মাজত দেখা দিলে সমাজ নামৰ শব্দটোৱে জাতিভেদক লৈ । সিহঁতে কোনো বাধা নামনি আগবাঢ়ি আহিছিল 'প্ৰেম' নামৰ শব্দটিলৈ । তাতে হয়তো সিহঁতৰ ডাঙৰ ভুল হল ।**

মানসীৰ বাবে প্ৰেম মধুৰ ---। মানসীয়ে জানে অসীম আৰু উভতি নাহে । সি উভতি আহিব নোৱাৰে । সি হয়তো তেজৰ নদীৰ কোবাল সোতত হেৰাই গল - তথাপি তাইৰ মনে যে নিবিচাৰে --- । সি যেন তাইৰ ওচৰে পাজৰে নিচেই কাষতে কৰবাত আছে । তাইৰ হৃদয়ত (?) সি। হৃদয়ৰ তাগিদা বিহীন ভাবেই তাই খোলা খিৰিকীখনেৰে বাহিৰলৈ চাই পথালে । দৃষ্টিৰে ঢুকি পোৱালৈকে চাই তাই আকৌ বুকুৰ মাজলৈ টানি আনিলে এবুকু উদাসীনতা । এনেকৈয়ে মানসীৰ দিনবোৰ পাৰ হৈ যায় । পৃথিৱীৰ সকলো মানুহে হাঁহে বাবে তায়ো হাঁহে । তাইৰ হাঁহিৰ মাজত কি লুকাই আছে কেৱল তাইহে বুজি পায় । বহাগ আহিলেই কুলিটিয়ে তাইৰ কলিজাত বিনায় ।

এপৰ দুপৰকৈ পাৰ হৈ যায় চকুলোৰে সিক্ত কত উজাগৰী নিশা ! কাহিলী পুৱা চিলমিল টোপনীত দেখা পায় অসীমৰ প্ৰতিচ্ছবি । গিৰগিৰকৈ তাইৰ দুচকুৰে নামি আহে বিষাদৰ দুধাৰি তপত চকুলো । তাইৰ গাৰুটোৱে সাবতি লয় তাইৰ দুখৰ লুনীয়া সোৱাদক । মাজে মাজে তাই পৰিবৰ্তনৰ প্ৰয়োজন অনুভৱ নকৰা নহয় । তথাপি শৰবৃদ্ধ সপোনবোৰক মন্থন কৰি অকালত চেপি উলিয়ায় নিজৰ দুখ । প্ৰতাৰিত সপোনৰ দুখকে যেন নিৰবে পান কৰি নীলকন্ঠ হৈ পৰিব খোজে । প্ৰেমতেই তাই অন্ত: সত্তা হব খোজে । মৃত সপোন বোৰক বুকুত সাবতি লোৱাৰ দৰে তাই স্মৃতিবোৰক লৈ ভাগৰি পৰে ।

মানসীৰ হৃদয়ে কান্দে নিৰৱে অসীমক বিচাৰি । কাৰোবাক পাহৰো বুলিতো পাহৰিব নোৱাৰি, বেয়া পাওঁ বুলিও বেয়া পাব নোৱাৰি । যেনেদৰে সময়ত আপোনা-আপোনি শিঠিল হৈ পৰে মৰমৰ এনজৰী, ঠিক সেইদৰে মানসীয়ে নোৱাৰে অসীমক পাহৰিব । দুয়ো-দুয়োকে ভাল পাইছিল প্ৰানভৰি । অসীমৰ অবিহনে মানসীৰ জীৱন শূন্য হৈ পৰিছিল । ইফালে অসীমে মানসীক নিজৰ কৰি লোৱাৰ প্ৰতি শ্ৰুতি দিছিল । কিন্তু সিহঁতৰ মাজত দেখা দিলে সমাজ নামৰ শব্দটোৱে জাতিভেদক লৈ । সিহঁতে কোনো বাধা নামনি আগবাঢ়ি আহিছিল 'প্ৰেম' নামৰ শব্দটিলৈ । তাতে হয়তো সিহঁতৰ ডাঙৰ ভুল হল । এজনী অজাতি ছোৱালীক বোৱাৰী কৰিবলৈ অসীমৰ ঘৰখন অমান্তি হল । ঘৰৰ সকলোৱে তাক বুজনি দিবলৈ ধৰিলে মানসীক পাহৰি যাবলৈ। মানসীৰ দৰে বহুতো ছোৱালী এই পৃথিৱীত আছে । সি তাৰে এজনীক বিয়া কৰাই আনক, ঘৰৰ কোনেও আপত্তি নকৰিব । কিন্তু মানসীক অসীমৰ ঘৰখনে কেতিয়াও বোৱাৰীৰূপে মানি নলয় ।

এই কথা শুনি অসীমে মনতে ভাবিলে বিয়া যদি কৰাবই লাগে তেন্তে সি মানসীকেই বিয়া কৰাব । যদি মানসীক বিয়া কৰাব নোৱাৰে তেন্তে সি এই পৃথিৱীৰ পৰাই আঁতৰি যাব । তাৰ এই কথা শুনি ঘৰখনত এক প্ৰকাৰৰ হুলস্থুল লাগি গল । কাৰণ মানসীৰ দৰে এজনী অজাতি ছোৱালী অসীমহঁতৰ দৰে সম্ভ্ৰান্ত পৰিয়ালটোৰ বাবে বৰ লাজৰ কথা । এই দৰে ভাবি অসীমৰ ঘৰখনে শেষত এটা সিদ্ধান্তত উপনীত হল । অসীমৰ ঘৰৰ মানুহবিলাকে অসীমৰ বিয়া থিক কৰি পেলালে সি কব নোৱাৰাকৈ । লাহে লাহে কথাবিলাক অসীমৰ কানত পৰিল । কথাবোৰ শুনি সি পাগলৰ দৰে হৈ পৰিল । সি ঘৰৰ পৰা বাহিৰলৈ নোলোৱা হল, খোৱা-বোৱা বাদ দি সি কেৱল নিজৰ ৰুমতে সোমাই থাকে । ইফালে অসীমক দেখা নাপাই মানসী পাগলীৰ দৰে হৈ পৰিল । দুখত ভাগি পৰিল তাই । কিন্তু তাই একো কৰিব পৰা নাছিল । কাৰণ তাই ভালদৰেই জানে অসীমৰ ঘৰখনৰ মানুহখিনিক । তেওঁলোকে কেতিয়াও নিবিচাৰে অসীমৰ বিয়াখন মানসীৰ লগত পাতিবলৈ । কিন্তু কি কৰিব এতিয়া মানসীয়ে ? তাই কৰিব পৰা একোৱেই নাই । কাৰণ তাই কেতিয়াও নিবিচাৰে ঘৰ খনৰ মানুহখিনিক অশান্তি দি অসীমৰ লগত বিয়া হবলৈ । কিন্তু এই কথা তাই অসীমক কেনেকৈ কব । কাৰণ অসীম ঘৰৰ পৰা এক চেকেণ্ডও কলৈকো নোলায় । শেষত মানসীয়ে তাইৰ বান্ধবীৰ আগত সকলো কথা কৈ অসীমৰ ওচৰলৈ পঠিয়াই দিলে । মানসীৰ বান্ধবী জনীয়ে গৈ অসীমক সকলো কলে; ইয়াকো কলে যে অসীমৰ ঘৰখনে তাৰ বাবে চোৱা ছোৱালী জনীৰ লগত বিয়া পাতিবলৈ কৈছে । এই কথা শুনি অসীমে একো নকলে মাথো এটা ক্ৰুৰ হাঁহি মাৰি মানসীৰ বান্ধবীক বিদায় দিলে ।

অসীমে ভাবিলে এতিয়া তাৰ আপোন বুলিবলৈ কোনো নাই । সকলো পৰ । আৰু তাৰ মৰমৰ মানসীজনী; তায়ো আজি ইমান ডাঙৰ এটা কথা কৈ পঠাইছে ! আচলতে মানসীয়ে তাক নিবিচাৰে এই কথাষাৰে বাৰে বাৰে অসীমৰ মগজুত ক্ৰিয়া কৰিবলৈ ধৰিলে । অসীমে ভাবিলে তাৰ বাবে এতিয়া এটাই পথ খোলা আছে : সেয়া হল মৃত্যু । সি এতিয়া সেই পথকেই বাছি লব । এই বুলি ভাবি সি ড্ৰয়াৰৰ পৰা উলিয়াই ললে এটা টোপনীৰ ঔষধৰ ফাইল । আৰু লগে লগে বহুকেইটা টেবলেট খাই বিছনাত বাগৰি দিলে । আৰু সি ভাবিলে কাইলৈ তাৰ মৃত্যুৰ বাতৰি টো পাই মানসীয়ে অলপ দুখ পাব, তাৰ পাছত তাই হয়তো পাহৰি পেলাব তাক, তাৰ মৰমক । এই কথাবোৰ ভাবি থাকোতেই অসীমক গভীৰ নিদ্ৰাই হেঁচা মাৰি ধৰিলে ।

ৰাতিপুৱা বহু দেৰিলৈ অসীমৰ কোঠাৰ দুৱাৰ নোখোলা দেখি ঘৰৰ সকলো আচৰিত হল । দুৱাৰত ঢকিয়াই চিঞৰ বাখৰ লগালে কিন্তু অসীমৰ কোঠাৰ দুৱাৰ বন্ধ হৈয়ে ৰল ।

শেষত দুৱাৰ ভাঙি কোঠাত প্ৰবেশ কৰি সকলো আচৰিত হৈ গল। ওচৰতে টেবলেটৰ ফাইলটো পাই তেওঁলোকৰ আৰু বুজিবলৈ একো বাকী নাথাকিল। ততালিকে তাক হস্পিতেললৈ লৈ গল। কিন্তু হস্পিতেল পোৱাৰ আগতেই অসীমৰ প্ৰানবায়ু উৰি গুচি গল। বহুদূৰলৈ ---। য'ৰ পৰা কোনো উভতি আহিব নোৱাৰে।

অসীমৰ মৃত্যুৰ বাতৰি পাই মানসী পাগলীৰ দৰে হৈ পৰিছিল। তাইক কোনেও সান্তনা দিব পৰা নাছিল। তাই বহুদিনলৈ খাবও পৰা নাছিল, শুবও পৰা নাছিল। কেবল কান্দি কান্দিয়েই দিন-ৰাতি পাৰ হৈছিল। তাই অসীমক শুদ্ধ অন্তৰে ভাল পাইছিল। কিন্তু অসীমৰ লগত বিয়া হবলৈ তাইৰ ভাগ্যত লিখা নাছিল। সেইবাবেই হয়তো ভগৱানৰ সহ্য নহল, অসীমক তাইৰ কাষৰ পৰা আঁতৰাই নিলে।

মানসী, মৰুভূমিৰ মাজত যেন এজোপা কাইটীয়া কেকটাছ। সূৰ্যৰ তাপৰ পৰা সঞ্চিত পানীখিনি বচাবৰ বাবেই কেক্টাছৰ পাতবোৰেও কাঁইটৰ ৰূপ লোৱা দৰেই মানসীয়ে পৃথিবীৰ পৰা আঁতৰি অসীমৰ লগতেই থাকিব বিচাৰে।

অসীমৰ মৰমে তাইক বাৰু কি দি গল? এটা স্তব্ধ জীৱন যেন পুখুৰীৰ বন্ধ পানী। কথাবোৰ ভাবি তাই গোপনে কান্দে. কোনেও নজনাকৈ। মানসীয়েও ভাবিছিল তাইৰোতো এখন ঘৰ হলহেঁতেন। অসীমৰ বুকুৰ উমত মূৰ থৈ কিমান শান্তি আৰু নিৰাপত্তা পালেহেঁতেন কিন্তু সেই সপোনৰ বাস্তৱিক মূল্য নাই। মানসীৰ আজিও মনত পৰে অসীমে কোৱা কথাষাৰলৈ। হয়তো অসীমে জানিছিল তাৰ মৃত্যুৰ কথা। সেইবাবেই সি তাইক কৈছিল, "জান মোৰ অবিহনে তুমি জীয়াই থাকিব লাগিব। মোৰ কল্পনা, মোৰ আশাবোৰক বাস্তৱত ৰূপ দিব লাগিব তুমিয়েই। তোমাৰ হৃদয়ৰ উদাৰতাৰে অন্য এজন অসীমক বিচাৰি লব লাগিব।"

কিন্তু তাৰ মৰমক জানো জানজনীয়ে পাহৰিব পাৰিব?

মানসীয়ে তাইৰ বুকুৰ মাজৰ সমাধিতো চকুৰ পানীৰে ধুই পৰিস্কাৰ কৰি লব বিচাৰিছে। তাইতো অসীমৰ ঠাইত অন্য এজন অসীমৰ লগত সংসাৰ কৰিব লাগিব। কিন্তু --- অসীমৰ আশা, বাসনা, সপোনবোৰ জীবাস্মৰ দৰেই দুখৰ সাঁচ বহুৱাই তাইৰ জীৱনৰ পৰা বহুদূৰলৈ গুচি গল।

মানসীয়ে বিচাৰিছিল অসীমৰ লগত জীবন লগৰী হৈ থাকিবলৈ। কিন্তু সমাজৰ ভয়ত, লোকনিন্দাৰ ভয়ত তাই নিজৰ ওপৰতে প্ৰতিশোধ লবলৈ সংকল্প কৰিছিল।

মানসীয়ে ভাবে অসীম তাইৰ সপোন। কেৱল সপোনক লৈয়েই জীয়াই থাকিব নোৱাৰি। জীয়াই থাকিবলৈ প্ৰয়োজন হয় কাৰোবাৰ বুকুৰ কোমল নিশ্বাসৰ। কিন্তু তাই আকৌ প্ৰেমৰ মায়াত বান্ধ খাব নোখোজে। অসীমৰ স্মৃতিকে বুকুৰ মাজত লৈ জীয়াই থাকিব খোজে। কিন্তু পাৰিব জানো তাই জীবন ৰংগমঞ্চত অকলশৰে খোজ দিবলৈ?

কথাবোৰ ভাবি মানসীৰ বুকুৰ মাজত অনুভৱ কৰে এক অনামী তিক্ততা। নিসংগ বেলাত মৌন পৰত বুকুৰ সাফৰ খুলি কিয় তাই গোপনে কান্দে? কাহিলী পুৱাৰ কেঁচা টোপনীত অসীমে জানো তাইক আমনি নকৰে?

অসীমৰ কিবা এক সাদৃশ্যৰ তাড়নাত মানসীৰ হাঁহিটো কান্দোন হৈ বুকুৰ মাজতে থমকি ৰয়। তাই ভাবে তাই অসীমৰ কথা ৰাখি নতুনকৈ প্ৰেমত পৰিব। কিন্তু তাই পাৰিব জানো নতুনকৈ প্ৰেমত পৰিব?

মানসীয়ে হয়তো নাজানে অন্য এখন ঠাইত তাইৰ বাবেই যে বাট চাই আছে সীমান্তই। সিতো তাইক প্ৰথম দেখাৰ পৰাই ভালপাই পেলাইছিল। এই কথাষাৰ মানসীয়ে গম পোৱা নাছিল। যেতিয়া জানিব পাৰিছিল তেতিয়া বহুত দেৰী হৈ গৈছিল। মানসীৰ হৃদয় তেতিয়া ভাঙি চুৰমাৰ হৈ গৈছিল। তাইৰ হৃদয়ত শূন্যতাৰ বাহিৰে অন্য একো নাছিল সীমান্তক দিবলৈ।

কিন্তু সীমান্তই সকলো জানিও মানসীৰ ওচৰলৈ আগুৱাই আহিছিল তাইৰ ভগ্ন হৃদয়ত প্ৰেমৰ পাপৰি সিৰ্চিবলৈ। সীমান্তৰ এই বিস্ময়ত মানসীয়ে একো কোৱা নাছিল। মাথো কেইদিনমান সময় বিচাৰিছিল ভাবি চাবলৈ।

মানসীয়ে জানে, নিজক ফাঁকি দিয়াটো কিমান কষ্টকৰ। কাৰণ তাই সীমান্তক ভাল পাবলৈ ধৰিছিল অসীমৰ অলক্ষিতে। দুদিন পাছত যেতিয়া মানসীয়ে সীমান্তক জনালে তাইৰ অতীতৰ কথা। অসীমৰ লগত হোৱা ঘটনাবোৰ দাঙি ধৰিলে। তাৰ পাছত মানসীয়ে কলেও ইমানখিনি জনাৰ পিছত তোমাৰ হৃদয়ে জানো মোক বিচাৰে? সীমান্তই উত্তৰ দিলে 'তোমাক মোক হৃদয়ত প্ৰতিমা হিচাপে বহুদিন আগতেই স্থান দিলো। কিন্তু এই কথা তোমাক কেতিয়াও কোৱা নাছিলো। কাৰণ তুমি অন্য এজনক ভাল পাই আছিলা। কিন্তু মই তোমাৰ বাহিৰে কাৰোৰে প্ৰেমত পৰা নাছিলো। মোৰ হৃদয় এখন আছিল। সেই হৃদয় তোমাকেই দান কৰিলো তোমাৰ অজানিতে। এতিয়া তুমি বাৰু মোক তোমাৰ প্ৰেমিক হিচাপে স্বীকৃতি দিবানে? মানসীয়ে একো উত্তৰ দিয়া নাছিল সীমান্তৰ বুকুৰ মাজত সোমাই উচুপি উঠিছিল। হয়তো মানসীয়ে তেনেকৈয়ে তাইৰ প্ৰেমৰ সহাঁৰি জনাইছিল সীমান্তক। সীমান্তই তাইক বিয়াৰ প্ৰস্তাব দিছিল কিন্তু মানসীয়ে কলে তুমি এটা বছৰ মোৰ বাবে বাট চাব লাগিব। তেতিয়ালৈকে হয়তো মই অসীমৰ স্মৃতি একেবাৰে মনৰ পৰা আঁতৰাই পেলাব পাৰিম। এনেদৰে মানসীয়ে সীমান্তক কথা দিলে। সঁচাকৈয়ে মানসীয়ে অসীমক পাহৰিব পাৰিব জানো?

সীমান্তই মানসীক কৈছিল - এনেকৈয়ে জীয়াই আছে বহু মানুহ। যাৰ কোনো ঘৰ নাই, যাৰ হৃদয়ত জুই নাই, যাৰ কোনো অনুভুতি নাই, সিয়ো জীয়াই আছে - সময়ৰ বাবে। আকৌ সীমান্তই কৈছিল - মানসী যদি তুমি জোকাৰি পেলাব পাৰা স্মৃতিৰ ভৰাঁল তেতিয়া আৰু মোৰ কব লগা একোৱেই নাথাকিব। মাথো লুকুৱাই নথবা হাঁহিৰ মাজত তোমাৰ দুখভৰা হৃদয়, মোৰ বুকুৰ মাজত উচুপি উচুপি মোৰ তেজবোৰ পানীৰে উপচাই নেপেলাবা, হাঁহিৰে উপচাই পেলোৱা আমাৰ প্ৰেম। এই বুলি কৈ সীমান্তই গভীৰ আবেগেৰে মানসীক বুকুৰ মাজত সাৱতি ধৰিলে। □

# বহাগত ৰংমনৰ বিয়া

*গৌতম কুমাৰ (উত্তম)*

: বাপেক - পুতেকে একেলগে ছোৱালী বিচাৰি আহিছো -
: কি কলে, হেৰি শুনিছেনে, গৰম তেল খিনি লৈ আনক চোন, এই পাষণ্ড পাপী কেইটাক ---

: পিতাই অ, বয়স দুকু ৰি হলেহি, তই দেখোন মোক বিয়াখনেই পাতি দিয়া নাই । লগৰ সমনীয়াবোৰে নাতিৰ মুখ দেখিলে, লগৰ ছোৱালীবোৰ মাক হৈওঁ কিছুমান আইতাক হল আৰু মই বিয়াই কৰোৱা নাই । পিতাই, মই বৰলা হৈ থাকিম নেকি ? মোক বিয়ানখন কিয় পাতি দিয়া নাই পিতাই, কিয় ? কিয় ? ৰমেনে কথাকেইটী কৈ হুকহুকাই কান্দি পেলালে ।
: বাপুকণ, তই দুখ নকৰিবি অ, এইবাৰ বহাগতে তোৰ বিয়াখন পাতি দিম । কিন্তু ----- ।
: কিন্তু কি পিতাই -
: তাৰ আগতে মই --- ।
: তই আকৌ,
: অ, মই আকৌ বিয়া কৰাম,
কি মই বুঢ়া নেকি ? এতিয়াও চফল ডেকা । বাপু, পিতাৰে ইচ্ছা কৰিলে, ঘৰতে ৰ্ফাম খুলিব পাৰো বুজিছ । কিন্তু এইবোৰ নকৰো । প্ৰভুৰে বেয়া পাব। মানুহে কব বোলে ৰংমনৰ বুঢ়া বয়সত পৰকতি লৰিছে । বাৰু, এইবোৰ বাদ দে, বহাগ মাহলৈ মাত্ৰ পোন্ধৰ দিনহে আছে । দুয়ো একেলগে ন-কন্যা ঘৰত সোমোৱাম দে । ৰংমনৰ হৃদয়ৰ পৰা এফাকি গান ওলাই আহিল -

অ মোৰে বাপুকন ঐ ----
নহও মই বৰলা
হব নিদিও বৰলা তোক
বহাগত পাতিম দুয়ো বিয়াখনি
বহাগত পাতিম দুয়ো বিয়াখনি
চামেগৈ ছোৱালী,
আনিমগৈ পলোৱাই
বহাগতে পাতিম দুয়ো বিয়াখনি
বহাগতে পাতিম দুয়ো বিয়াখনি ।।




: বহাগ মাহ । বহাগ বুলিলেই অসমীয়া মানুহৰ মন ৰাইজাই ৰাইজাই কৰে । গাৱঁৰ সমস্ত বুঢ়া-বুঢ়ী, যুৱক-যুৱতী, শিশুসকল আনন্দত উত্তাৱল হৈ থাকে । সচাঁ, অসমীয়া ৰাইজৰ বাবে এইটো এটা অতুলনীয় মাহ । - বহাগে লৈ আহে সমস্ত অসমীয়া ৰাইজলৈ ৰং, কেবল ৰং ।
: ৰংমন আৰু ৰমেনে পুৰাই গা-পা-ধুই "Tip top" হৈ ছোৱালী চাবলৈ ওলাল ।
: পিতাই অ, ছোৱালী কত বিচাৰিবি ?
: বজাৰত, চিনেমাহলত ! গৰু তাকো নাজান, মানুহৰ ঘৰত বিচাৰিম আক, মাকক পালে মাকক আৰু জীয়েকক পালে জীয়েকক আনিম । বাপু তই এইবোৰ চিন্তা নকৰিবি ।
: পিতাই, যদি মাকক নাপায় ?
: বাপু, শুভ কামত অমংগল নামাতিবিচোন ।
: পিতাই, কথা এটা সুধো বেয়া পাবি নেকি ?
: সোধ বাপু, তোৰ মই পিতাই হয় ।
: পিতাই, মোৰ বৌতি (মাৰ) আছে নে নাই ?
: বাপু তোক মই, মাৰ কথা ক'ম বুলিয়েই ভাবিছিলো । বাৰু, চমুকৈ কৈছো শুন, তোৰ জন্ম হোৱা ৫ বছৰমান হওঁতে মাৰে অন্য এজন মানুহলৈ পলাই গল । মানুহজন মই চিনি নাপাওঁ । মানুহজনৰ বিষয়ে একো নাজানো, মায়ে পলোৱা দিনাখন, মই ঘৰত নাছিলো, ভেদেলা কাইক কৈ গৈছে, বোলে 'ৰংমনকাইক কবি মই পলাই গৈছো', এইবিলাক বহু কথা বাপু বাদ দে । এতিয়া যাও ব'ল । ৰংমনে মনে মনে ভগৱানক প্ৰাৰ্থনা কৰিলে, প্ৰভু, দ্বিতীয় বাৰৰ বাবে মই ছোৱালী চাবলৈ ওলাইছো, তুমি মোক সহায় কৰিবা । ৰংমনে টান পালেহে ৰাম কয় । ৰংমনৰ দৰে বহু মানুহ আছে, প্ৰভুক স্বাৰ্থতেহে পূজা অৰ্চনা কৰে । টান পালে ৰাম কয় । ৰংমন আৰু ৰমেনে নিজৰ লক্ষ্য আগত ৰাখি যাত্ৰা আৰম্ভ কৰিলে । দুয়ো গৈ, অচিনাকী এঘৰ মানুহৰ দুৱাৰমুখ পালেগৈ ।
: হেৰি, গৃহস্থ, ঘৰত কোনোৱা আছে নেকি ?
: বাহিৰত শব্দ শুনাত ভিতৰৰ পৰা এগৰাকী অতি ক্ষীণ মহিলা ওলাই আহিল ।
: বাপু, প্ৰেতাত্মা নহয় তো, (বাপেকে ফুচফুচাই কলে )
: নহয় পিতাই, লগৰে।
: আপোনালোক কৰ পৰা আহিছে -
: আমি বিশেষ সকামতহে আহিলো --- হেৰি, ইয়াত একেলগে মাক -জীয়েকক পোৱা যাব নেকি ?
: তাৰ মানে ?
: বাপেক - পুতেকে একেলগে ছোৱালী বিচাৰি আহিছো -
: কি কলে, হেৰি শুনিছেনে, গৰম তেল খিনি লৈ আনক চোন, এই পাষণ্ড পাপী কেইটাক ---
: কথাষাৰ শেষ নৌ হওঁতেই দুয়ো পলাই পত্ৰং দিলে । দুয়ো এনেদৰে কেইবাঘৰৰ পৰা খেদা খালে ।
: পিতাই অ, মোক ছোৱালী নালাগে, তই যা, কেইজনী পাৰ লৈ আহ । মই বৰলা হৈয়ে থাকিম ।
: বাপুকন তই ভয় নকৰিবি । ছোৱালী নিবলৈ আহিলেই এইবোৰ আছেই, - কেতিয়াবা খেদা, কেতিয়াবা ফটা চেগুলৰ মালা পিন্ধোৱা, এয়াই জীৱন বাপু । যাও ব'ল এই ঘৰেই শেষ, পালে পাম, নাপালে বাটৰ পৰাই দুগৰাকী ধৰি লৈ যাম । বাপু, এইবাৰ মই অন্য এটা বুদ্ধি কৰিছো, পোন প্ৰথমে মাক জীয়েক হ'বনেকি বুলি নকওঁ ---
: দুয়ো গৈ মানুহ ঘৰৰ সন্মুখ পালেগৈ ।
: ভিতৰত কোনোবা আছে নেকি ? কেইবাবাৰো মাত লগোৱাত ভিতৰৰ পৰা এগৰাকী সুন্দৰী যুৱতী ওলাই আহিল -

: আপোনালোক ক'ৰ পৰা আহিছে ?
: আমি নে ?
: অ, আপোনালোক ?
: প্ৰেমনগৰ বকুল গাঁৱৰ, ভৰলা মুখৰ পৰা -
: আহক, ভিতৰলৈ আহক -
: দুয়ো ভিতৰলৈ যায় -
: বহক, মই মাক মাতি দিছো, তাই ভিতৰলৈ সোমাই যায়,
: পিতাই একেবাৰে, স্বৰ্গৰ অপেশ্বৰী, মাক আহিলে চিধাই কৈ দিবি মাক জীয়েকক নিব আহিছো বুলি ।
: বাপু, মনে মনে থাক, নহলে পণ্ড হৈ যাব হে প্ৰভু, ৰক্ষা কৰা, আপোনাৰহে লীলা আৰু --- ৰয়ামণিৰ মাক ৰূমলৈ সোমাই আহিল ।
: আপোনালোক ক'ৰ পৰা আহিছে ।
: প্ৰেম নগৰ বকুলগাৱঁৰ ভৰলামুখৰ । পিয়াহ লগাত পানী এটোপা খাবলৈ সোমালো বেয়া নাপাব।
: নাই, বেয়া পাবলৈ কিতো আছে -
: আপোনাক ক'ৰ বাত দেখা দেখা লাগিছে ৰংমনক উদ্দেশ্যি কলে -
: হয় নেকি ? আপোনাকো কৰৰাত দেখিছো, কিন্তু মনত পেলাব পৰা নাই । বাৰু, আপোনাৰ ঘৰত কোন কোন আছে ?
: মই আৰু মোৰ ছোৱালীজনী -
: অ, এইজনী আপোনাৰ ছোৱালী নেকি ?
: হয়, মোৰ মানে, এওঁৰ আগৰজনী পৰিবাৰৰ - ক্ষন্তেকতে মানুহগৰাকীৰ ফৰকাল হৈ থকা মুখখন বিষন্নতাৰে ভৰি পৰিল -
: আপোনাক কথা এটা সোধো বেয়া পাব নেকি ? মনত দুখ লুকুৱাই ৰাখিলে মনে বৰ কষ্ট পায়, গতিকে দুখ বোৰ নিজৰ, কৈ অন্ত কৰিব লাগে -
: দুখ, যান্ত্ৰণা অন্য কাৰোবাক কৈ শেষ কৰিব নোৱাৰি । কেতিয়াবা মানৱ জীৱনলৈ এনেকুৱা কিছুমান সংঘাত আহে সেই তিক্ত স্মৃতিকে লৈ বাস্তৱত জীয়াই থাকিব লাগে ।
: বুজিছে ইয়াৰ মাজতো সুখ থাকে । দুখৰ লগতে সুখ সোমাই থাকে । যি মানুহে দুখ, যান্ত্ৰণা, সংঘাত আদি উপলব্ধি কৰিব নোৱাৰে, সি কেতিয়াও সুখ অনুভূতি কি তাক অনুভৱ কৰিব নোৱাৰে । বাৰু, বহুও দেৰি অৰ্থহীন কথা বোৰ কলো, বেয়া নাপাব, এতিয়া আপোনাৰ হৃদয়ৰ দুখৰ কথা বোৰ কওক সকলোৰে ভগাই লওঁ ।
: বুজিছে, দুখ নাই, কেৱল চিন্তা এটাই, -
: কি চিন্তা -
: এই ছোৱালীজনীক বিয়া দিব পাৰিলেই মই উদ্ধাৰ হওঁ ।
: আৰু, আপুনি নিসংগ ভাৱে জীৱন পাৰ কৰিব । আপুনি সচাঁই, আপুনি এতিয়াও ৰূপবতী হৈ আছে, মোৰ পিছে ছোৱালীজনীতকৈ আপোনাকহে পছন্দ লাগিছে ।

বাৰু, আপুনি এই বিষয়লৈ চিন্তা নকৰিব। মই, face to face কৈয়ে দিছো বাৰু, আমি ছোৱালী বিচাৰিহে ইয়ালৈ আহিছো। যদি আপুনি ইচ্ছা কৰে আজিয়েই ৰাতি আপোনাক আৰু আপোনাৰ একমাত্ৰ ছোৱালী ৰয়ামনিক মই আৰু মোৰ একমাত্ৰ লৰা ৰমেনে নিবলৈ আহিম ।
: মানুহগৰাকীয়ে, লাজ ভাৱেৰে তলমুৰ কৰি কলে, আপুনি, সচাঁই এজন উদাৰ মনৰ মানুহ । আপোনালোক বহক, ভাত খায় যাব -
: আমি নাখাও বুজিছে, ৰাতি প্ৰায় ৯ মান বজাত একেবাৰে নিবলৈ আহিম । ৰংমন প্ৰকৃততে এজন ভাল মানুহ কিন্তু তেওঁ যিকোনো ৰূপবতী নাৰী ওচৰত অতি দূৰ্বল ।

সন্ধিয়া সময় । চতুৰ্দিশে এক অপূৰ্ব গোন্ধ বিৰাজমান । বাপুকণ ঐ চাইকেল কেইখন পাম-চাম মাৰিলিনে নাই ।
: মাৰিলো পিতাই । পিতাই অ, সাতটা বাজিলেই দেখোন, কেতিয়া যাবি ?
: বাপু, ৰহ অলপ tip top হৈ লও । সন্ধিয়া সাতমান বজাত দুয়ো যাত্ৰা কৰিলে । দুয়োয়ে মূখত অনাবিল আনন্দ ।ৰাতি প্ৰায় ৯ মান বজাত ছোৱালী ঘৰ পালেগৈ । বাহিৰৰ পৰাই ৰংমনে চাইকেলৰ বেল দিলে, - টিলিং, টিলিং
: ৰয়ামনি ওলাই আহি সিহঁতক দেখি, কৈ উঠিল আহক ভিতৰলৈ আহক, আমি অথনিৰেপৰা ওলাই আছো ।
: দুয়ো, গৈ ভিতৰত সোমাল ।
: হেৰি শুনিছে, মোৰ বৰ ভয় লাগিছে, হুলস্থুল নকৰিবা, গাৱঁৰ ৰাইজে গম পালে কথা বিষম হব। - ৰয়ামনিৰ মাকে, ৰংমনক উদ্দেশ্য কৰি কলে ।
: ভয় নকৰিবা, জান । যদি হল, যাও বলা, বয় বস্তু একো নিব নালাগে । সম্পত্তিৰ প্ৰতি এনেও মোৰ লোভ নাহ : ব'লা সচাঁ, নাৰীৰ মন পানীৰ দৰে, যিফালে ঢাল লয়, সেইফালে বৈ যায় । ৰাতি, প্ৰায় বাৰ মান বজাত তেওঁলোক গৈ ঘৰৰ পালেগৈ । ৰংমনে কলে "হেৰি তোমালোকে কিবা খায় আহিছা নে" নাই । মোৰ বৰ ভাগৰ লাগিছে, শুৱলৈ মন গৈছে ।
: আমি খাই বৈ আহিছো,
: পিতাই অ, মই আৰু এওঁ কত শুম ।
: বাপু, ৰাতি পুৱাবলৈ বেচি দেৰি নাই, আজি ইয়াতে চাৰিও কটাও দে, কাইলৈ এখন বিচনা তোক তৈয়াৰ কৰি দিম ।
: পিতাই, বিচনা ভাঙি নাযায় তো -
: ধেৎ, বুৰ্বক এইখন বাপুতিকলীয়া বিছনা, চাম কাঠৰ, ভঙা ইমান সহজ নহয় । চাৰিও নিদ্ৰাদেবীৰ কোলাত পৰিল ।
: পুৱাই, সূৰ্য্যৰ পোহৰ খিড়িকি ফাকেৰে আহি বিছনাত পৰিলহি ।
: হেৰি শুনিচা, উঠা পুৱা হলেই, বাপু, বোৱাৰী উঠা, ৰাতিপুৱালেই -

ৰমেন আৰু ৰয়ামণি উঠি বাহিৰলৈ গ'ল । বতাহ লোৱাৰ উদ্দেশ্যে ।
: হেৰা ৰাতি শুই কষ্ট পালানেকি । চিন্তা নকৰিবা আজি বিছনা তৈয়াৰ কৰিম। অ, হেৰি নহয়, তোমাৰ নামটোকে সোধা নাই -
: মোৰ নাম, ৰমণী হাজৰিকা,
: কি কলা, ৰমনী হাজৰিকা, ৰংমনে হুহুৱাই কান্দি কবলৈ ধৰিলে, তই মোক কেলৈ এৰি পলাই গৈছিলে অ, সোণ, কিয়, কিয় ? ৰমণীয়েও, উচুপি কৈ উঠিল । তোমাক এৰি আজিৰ পৰা মই কলৈও নাযাও ৰংমন, ক্ষমা কৰা মোক । সি তাইৰ কপালত এটা চুমা আকি দিলে । এয়াই জীৱন । ❑

# বালিঘৰ

বুবু গগৈ

মানুহে মানুহৰ ওপৰত কিয় বাৰু এনে পাশৱিক অত্যাচাৰ চলাই --- ? সেই কেইটা ল'ৰা জানো মানুহ নাছিল, পঢ়া শুনা নাছিল ? সিহঁতৰ হৃদয়ত দয়া, মৰম, বোলা গুন বোৰ নাই নেকি যে সিহঁতৰ দৰে ল'ৰা এটা ওপৰত এই দৰে অত্যাচাৰ চলালে ? কি যে পাপী এই মানৱ জাতি ! মানুহে মানুহক যদি মৰম শ্ৰদ্ধা কৰিব নাজানে, মানুহৰ মাজত যদি আৱেগ, অনুভূতি, সহানুভূতি এই বোৰ নাথাকে, তেনেহলে দেখোন এই গোটেই মানৱ ঐতিহ্যটোৱেই নিঃশেষ হৈ পৰিব ।

"মাঁ আহিলোঁ ---" পুতেকৰ কথাষাৰে গভীৰ ভাৱে আঘাট কৰিলে মাকক । কথাষাৰৰ প্ৰত্যুত্তৰ দিব পৰা নাই মাকে । কন্ঠস্বৰত কিহবাই চেপামাৰি ধৰা যেন লাগি গ'ল । কান্দিয়েই দিবলৈ মন গৈছিল । কিন্তু নাকান্দিলে । যাত্ৰাৰ আৰম্ভনিতে কান্দিব নাপায়, যাত্ৰা বোলে অশুভ হয় । যদিও অন্তৰ গভীৰ বিষাদেৰে ভৰা, ব্যহ্যিকভাৱে কিন্ত বেচ আনন্দদেখুৱাই কলে মাকে --- যা বোপাই --- চহৰীয়া ঠাই, ভালদৰে চলা ফুৰা কৰিবি । দেহাটোলৈ চকু দিবি ।"

মুলুক নামৰ গাওঁখনৰ একমাত্ৰ আৰু প্ৰথম মেট্ৰিক পাছ কৰা ল'ৰা প্ৰণয় । চহৰীয়া কলেজত উচ্চ শিক্ষাৰ সন্ধানত তাৰ এই যাত্ৰা । সেই সময়ত গাৱৰ সকলো মানুহে ভিৰ কৰিছে প্ৰণয়হতঁৰ ঘৰত । সকলোৰে মুখত মাত্ৰ এটাই কথা, "প্ৰণয়ে কলেজ পঢ়িবলৈ গৈছে ।" যোৱাৰ সময়ত দহ টকা, বিশটকা, এশ টকা যিয়েই যিমান পাৰিছে দিছে তাক । খুড়ীয়েক সম্বন্ধীয়া মালতীয়ে আকৌ লাডু কেইটামানো বনাই দিছে । "যা সোনাই, ভালকৈ পঢ়িবি --- এই মুলুক গাওঁ খনৰ তোৰে ওপৰত ভৰসা । আমাৰ আশীৰ্বাদ তোৰ লগত সদাই থাকিব" - মালতীয়ে কলে ।

গাওঁবাসীৰ আৰ্শীবাদ আৰু আশা বুকুত বান্ধি চহৰ অভিমুখে যাত্ৰা কৰিলে প্ৰণয়ে । চকুৰ দৃষ্টিৰে ঢুকি পোৱালৈকে মাকে তাক চাই থাকিল । দুখে খুন্দা মাৰি ধৰিলে তাইক । হগালে বৈ আহিল চকুলো । পুতেকৰ অনুপস্থিতিত গাওঁখনৰ অস্তিত্বই মানৱহীন যেন অনুভৱ কৰিলে মাকে ।

যি সময়ত বিজ্ঞানৰ বিস্ময়কৰ আৱিস্কাৰে গোটেই পৃথিৱীখনক এখন সৰু গাৱঁলৈ পৰিৱৰ্তন কৰিছে, যি সময়ত বিজ্ঞানে সাগৰৰ তলিৰ পৰা মহাকাশলৈকে খলকনি তুলিছে, এনে সময়ত কিন্তু বিজ্ঞানে এই মুকুল গাওঁ খনক সামান্য ভাৱেও স্পৰ্শ কৰিব পৰা নাই । গোটেই পৃথিৱীখন যে এক যান্ত্ৰিক গতিত চলিবলৈ ধৰিছে তাৰ ভ্ৰূক্ষেপেই নাপায় গাওঁবাসীয়ে । পুৱা ঢাৰিপাটি এৰিবৰ পৰা, নিশা গা বাগৰ মৰালৈকে কেৱল কৰ্ম ব্যস্ততাৰ মাজেৰে পাৰ কৰে সময়খিনি । আৰ্থিক সংকটত জুৰুলা গাৱঁৰ মানুহ । সৰ্বস্বান্ত হৈছে বানেগৰকা ৰাইজ । চহৰ নগৰ বোৰৰ লগত যোগাযোগৰো ব্যৱস্থা নাই । বাট পথৰ অভাৱ । যিকেইটা আছিল, আটাইকেইটা বানে পালে । ভঙা ছিঙা । ওৰেদিনটো বাট কুৰি বাই এনে ৰাস্তাৰে চহৰলৈ যাবলৈও আসক্তি নাই গাওঁৰ মানুহৰ । চহৰীয়া কৃত্ৰিমতাৰ পৰা আঁতৰি থকাতো, গাওঁখনৰ বাবে সৌভাগ্য বুলিয়ে কব লাগিব ।

দুখ কষ্ট থাকিলেও, গাওঁবাসীৰ মাজত একতা আছে । মিলাপ্ৰীতিৰ ভাৱ আছে । এজনৰ দুখত দুখী, সুখত সুখী হৈহে ভাল পায় তেওঁলোকে । এনে অবাধ সম্প্ৰীতিয়েই গাৱঁৰ মানুহক পাহৰাই ৰাখিছে, তেওঁলোকৰ দুখ-কষ্ট অভাৱ অনাটনৰ কথা। এই একেখন পৃথিৱীতে যে স্বয়ং মানুহৰ মাজতে হত্যা হিংসা, ধৰ্ষণ, অপহৰণ দৰে ঘটনাই এক অশান্তিকৰ পৰিৱেশ সৃষ্টি কৰিছে, তাক কল্পনাই কৰিব পৰা নাই গাওঁখনে ।

এনে এখন গাৱৰ উদীয়মান যুৱক প্ৰণয় । বিভিন্ন বাধা বিঘিন নেওঁচা দি হলেওঁ প্ৰথম বিভাগত মেট্ৰিক পাছ কৰিছে সি ---। গৌৰৱ আৰু আনন্দত ওফন্দি পৰিছিল গাওঁখনৰ মানুহবোৰ । লগে লগে মাক দেউতাকো । সন্তানহীন হৈ থকা মাক দেউতাক হালে বহুত দিনৰ মুৰকতহে লাভ কৰিছিল প্ৰণয়ক । একমাত্ৰ পুতেক যেতিয়া, পঢ়িবলৈ চহৰলৈ পঠিয়াবলৈ একেবাৰে ইচ্ছা নাছিল মা দেউতাকৰ । কিন্তু প্ৰণয় সি জনা বুজা ল'ৰা। মাক দেউতাক বুজালে সি , "নহয় মা আজি পৃথিৱীখন যি গতিত আগবাঢ়ি গৈছে তাৰ তুলনাত মেট্ৰিকটো মাত্ৰ পাছ কৰিলে নহব । সমগ্ৰ পৃথিৱীখনৰ লগত, মই, আপোনালোক আৰু এই পিছ পৰি থকা গাওঁখন আগুৱাই যাবলৈ মই আৰু পঢ়িবই লাগিব। এই গাওঁখনৰ প্ৰতি জানো মোৰ এটা কৰ্তব্য নাই ?" দৃঢ়তাৰে কোৱা কথাষাৰ শুনি ভাল পালে মাকে । আনন্দ লভিলে পুতেকৰ মহৎ লক্ষ্য শুনি ।

চহৰলৈ বেপাৰ কৰিবলৈ যোৱা বীৰেনে দিয়া সংবাদ টোৱে খলক লগালে গাওঁখনত । প্ৰণয়ৰ অসুখ, দুদিন হল হস্পিতেলত ভৰ্ত্তি হোৱা । হৃদয় জোকাৰি গল গাওঁ বাসীক এই সংবাদটোৱে । আৰু মাক দেউতাক । তেওঁলোকৰ সৰ্ব শৰীৰ কপি উঠিল, মাক কিন্তু ধৈৰ্য্যশীল তিৰোতা । ধৈৰ্য্য ধৰিব পাৰে । লৰা লৰিকৈ ৰাওঁনা হল তেওঁলোক হস্পিতেল অভিমূখে ।

হস্পিতেলত পুতেকক দেখি মাক দেউতাকৰ বুকু-চিৰিং কৰি গল । চকুকেইটাৰ বাহিৰে মুৰত সকলোতে বগা কাপোৰৰ বেণ্ডেজ। পুতেকক সাৱতি হুক হুকাই কান্দি পেলালে মাকে । কাষতে থিয় হৈ থকা দেউতাকৰো চকুপানী ওলাই আহিল । তাৰ কেনেকৈ এনে অৱস্থা হবলৈ পালে, তাক জানিবলৈ, মাক বাউলী হৈ পৰিল । কথা কবলৈ একেবাৰেই ইচ্ছা নাছিল যদিও সি কৈ গল "---। সন্ধিয়া সময় । পাঁচটা ডেকাই হোষ্টেলৰ মোৰ কোঠালৈ সোমাই আহিল । মোৰ নাম সুধিলে,

৫১ পৃষ্ঠাত চাওক

# সহোদৰ

দেৱজীত শইকীয়া

ৰাজনীতি বিজ্ঞানৰ মেজৰৰ পিৰিয়দৰ পিচত আমাৰ দুটা পিৰিয়দ ছুটী আছিল । সেয়েহে চাৰ ওলাই যোৱাৰ লগে লগে মই মোৰ সহপাঠী ৰূপমৰ কাষ পালোগৈ । কলো, 'বলা কেন্টিনলৈ যাওঁ । উত্তৰত সি কলে, "মোৰ মন আজি ভাল নাই, কিয়নো আজি মোৰ মা, দেউতা, দাদা আৰু ঘৰখনলৈ বৰকৈ মনত পৰিছে ।"

সেইদিনাৰ পৰা মাহীআইৰ পৰা আমি বিভিন্ন ধৰণেৰে লাঞ্চিত হলো। সেই লাঞ্চনা সহ্য কৰিব নোৱাৰি মোৰ দাদাই মোক এৰি কৰবালৈ গুচি গল। ইফালে গাভৰু মাহীয়ে আন এজন ডেকাক আমাৰ ঘৰত চপাই ললে । শেষত মাহীআইৰ অত্যাচাৰ ইমানেই বাঢ়িছিলযে, মই চাৰিদিন লঘোণে থাকিবলগীয়া হৈছিল । চাৰিদিনৰ পিচত মই মাহীৰ ওচৰত খাবলৈ কিবা বিচৰাত মাহীয়ে মোক গছত বান্ধি বান্ধি মাৰিছিল । ইমান অত্যাচাৰ সহ্য কৰিব নোৱাৰি, মই মোৰ বান্ধোন যেনেতেনে খুলি সেই ঠাইৰ পৰা সেইদিনাই আহিছিলো ।

তাৰ দেউতাকৰ কিবা হৈছে নেকি বুলি সোধাত সি বৰ দুখ মনেৰে কলে, - "বৰ দুখৰ কথা । ব'লা এই বিষয়ে কমন ৰূমত কথা পাতিম।"

ৰূপম হৈছে এই সমষ্টিৰ বিধায়কৰ একমাত্ৰ সন্তান । ধনীৰ সন্তান যদিও সি ধনী হিচাপে নিজকে পৰিচয় নিদিয়ে দেখাত মোতকৈ দুই বছৰমান সৰু হব নেকি ! ৰূপম ল'ৰাটো সহজ-সৰল, গতিকে একো কথা লুকুৱাই নথয় । মোৰ বৰ্তমান ঘৰ হৈছে ৰূপহীজান গাওঁত । কিন্তু মোৰ পিতাৰ ঘৰ কমলদৈপুৰ গাওঁত । সৰুতে মাক হেৰুৱাই মাহীআই পালো, দুদিনমানৰ পিচতে দেউতাৰ মৃত্যু হোৱাত ভাইটিক মাহীৰ লগত এৰি মই পলাই আহি ৰূপহীজান গাওঁৰ মানুহ এঘৰত থাকিবলৈ ললো । সেই ঘৰত থাকিয়েই মই এইবাৰ গাওঁৰে উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ পৰা উচ্চতৰ মাধ্যমিক পৰীক্ষাত উত্তীৰ্ণ হৈ বি.এ.ত নাম লগাইছোহি । ভাইটিয়েও মাহী আইৰ অত্যাচাৰ সহ্য কৰিব নোৱাৰি ঘৰৰ পৰা ওলাই গল বুলি কোৱা শুনিছিলো । কলেজত অহাৰ প্ৰথমদিনাই ৰূপমৰ সৈতে মোৰ আকস্মিকভাবে চিনাকী হৈছিল । মই এই কথাবিলাক ভাবি থাকোতেই কেতিয়া কমনৰূম পালোহি গমকে নপালো । হঠাৎ ৰূপমে বহা বুলি কোৱাতহে সম্বিত ঘুৰাই পালো ।

মই হাঁহিমাৰি ৰূপমক কলো - "কোৱাচোন তোমালোকৰ দুখৰ কথাখিনিকে শুনো । নিশ্চয় ৰাজনীতিয়ে তোমালোকৰ ঘৰখনক বাৰুকৈয়ে লম্ভিছে নহয় জানো ?" উত্তৰত ৰূপমে কলে - আমাৰ ঘৰখনক ৰাজনীতিয়ে লম্ভিছে যদিও মোৰ প্ৰকৃত ঘৰ ইয়াত নহয় । মোৰ কমলদৈপুৰ গাওঁত । মই এই বিধায়কজনৰো নিজৰ সন্তান নহয় । মই কমলদৈপুৰ গাৱঁৰ সপোন হাজৰিকাৰহে সন্তান । হঠাৎ মোৰ মুখেৰে 'কি' শব্দটো বাহিৰ হৈ আহিল । তথাপিতো মই ধৈৰ্য্যৰে তাৰ কথা শুনি গলো ।

ৰূপমে কলে "চুবুৰীয়া গাৱঁৰ মানুহ নিশ্চয় শুনিব লাগে ।" মই দুখমনেৰে কলো, - "১৯৯৩ চনত পথাৰৰ পৰা ধৰি আনি হত্যা কৰাজন নহয় জানো ?" ৰূপমে মূৰ জোকাৰি সহাঁৰি দি কৈ গল, "মোৰ জন্মৰ ঠিক দুই বছৰমান পিচত মোৰ মাৰ কিবা ৰোগত মৃত্যু হল । তেতিয়া দাদাৰ চাৰি বছৰমান বয়স হৈছিল । এবছৰমান পিচত দেউতাই আমাৰ অভাব অনাটনক অনুভৱ কৰি দ্বিতীয় বিবাহ কৰালে । কাৰণ, মোৰ লগতে স্কুললৈ দাদাৰ যোৱা উপৰিও ঘৰখনৰ চোৱা চিতা কৰিবৰ কাৰণে এজনী তিৰোতাৰ প্ৰয়োজন হৈছিল । প্ৰথম দুবছৰমান গাভৰু মাহী আয়ে আমাক বৰ মৰম কৰিছিল । কিন্তু তেওঁ গৰ্ভৱতী হোৱাৰ পিছৰ পৰাই আমালৈ মৰম কমি আহিল । তেনে সময়তে আমাৰ গাৱঁত আলফা-আৰক্ষীৰ মাজত গুলীয়া গুলী হৈছিল আৰু সেই যুজঁত আলফাৰ সলনি কেইজনমান সেনাৰহে মৃত্যু হয় । সেয়েহে গাৱঁৰ মানুহবিলাক ভয়তে গাৱঁৰ পৰা আতৰি গৈছিল । কিন্তু আমাৰ দেউতাক পথাৰত হাল বাই থকাৰ পৰা ধৰি নি যুদ্ধ হোৱাৰ ঠাইত উগ্ৰপন্থী সজায় মাৰি পেলাইছিল । লগতে গাৱঁৰ পাঁচটামান ঘৰ জ্বলাই ভস্মীভূত কৰি গৈছিল । ভাবি দুখ লাগে যে সেই সময়ত মেট্ৰিক পৰীক্ষা দিবলগীয়া এজনী ছাত্ৰীৰ সকলো কিতাপ-পত্ৰ তেনেকৈয়ে জ্বলি গৈছিল । ভাবি চোৱাচোন ভাৰতীয় সেনাই ছাত্ৰ-ছাত্ৰীক কেনেকৈঅ সহায় কৰিছে !! যিকি নহওক দেউতাৰ মৃত্যু হোৱাৰ দুদিনমান পিছতে মাহীৰ এটা সন্তান জন্ম হল । সেইদিনাৰ পৰা মাহীআইৰ পৰা আমি বিভিন্ন ধৰণেৰে লাঞ্চিত হলো। সেই লাঞ্চনা সহ্য কৰিব নোৱাৰি মোৰ দাদাই মোক এৰি কৰবালৈ গুচি গল। ইফালে গাভৰু মাহীয়ে আন এজন ডেকাক আমাৰ ঘৰত চপাই ললে । শেষত মাহীআইৰ অত্যাচাৰ ইমানেই বাঢ়িছিলযে, মই চাৰিদিন লঘোণে থাকিবলগীয়া হৈছিল । চাৰিদিনৰ পিচত মই মাহীৰ ওচৰত খাবলৈ কিবা বিচৰাত মাহীয়ে মোক গছত বান্ধি বান্ধি মাৰিছিল । ইমান অত্যাচাৰ সহ্য কৰিব নোৱাৰি, মই মোৰ বান্ধোন যেনেতেনে খুলি সেই ঠাইৰ পৰা সেইদিনাই আহিছিলো । সেই পলাই যাওঁতে মাহীয়ে হাতত লৈ থকা কটাৰীখন মোলৈ দলিয়াই দিছিল । তেতিয়াই মই মোৰ বাওঁহাতৰ এই আঙুলীটো হেৰুৱালো । তেতিয়া মই মৰণকো শৰণ কৰি মাথো পলাবলৈ ধৰিছিলো । বহুতদূৰ যোৱাৰ পিচত মই মোৰ আঙুলীৰ ঘাঁ দোখৰত কিছুমান বনপাত মোহাৰি লগাই দিলো । অশেষ যত্নৰ পিচত মোৰ তেজ বন্ধ হল । তেনেকৈয়ে মই বহুতদূৰ যোৱাৰ পিচত এখন বাচ পালো । সেই বাচতেই মই উঠি আহি আজিৰ এই চহৰখন পালোহি । চহৰলৈ আহি

মোৰ বৰ ভোক লাগিছিল । উপায় নাপায় মই ৰেলৰ লাইনে লাইনে খোজকাঢ়ি গৈ আছিলো । মোৰ বিপৰীত ফালৰ পৰা এখন ৰেল আহি থকা দেখিলো । ৰেলখনৰ আগে আগেএজন মানুহো অন্যমনস্কভাৱে আহি আছিল । মানুহজনৰ ৰেলখনৰ প্ৰতি কোনো ভ্ৰুক্ষেপেই নাছিল । সেয়েহে মই ততালিকে গৈ মানুহজনক ৰেললাইনৰ পৰা আতৰাই আনিলো । তেতিয়া ৰেলখনে মানুহজনক চেপিবলৈ মাত্ৰ ছয়ফুটমান বাকী আছিল । মানুহজনক মই বচাই দিয়াৰ বাবে মোক অশেষ ধন্যবাদ দিছিল। আৰু সিহঁতৰ ঘৰলৈ মোক লৈ গৈছিল । সিহঁতৰ ঘৰত সিহঁতে মোৰ পৰিচয় জানিব বিছাৰিছিল । মোৰ পৰা সকলো শুনাৰ পিচত মানুহজন কান্দি উঠিছিল । সিহঁতৰ কোনো সন্তান নাছিল । গতিকে সিহঁতে মোকেই সিহঁতৰ সন্তান হিচাপে ডাঙৰ দীঘল কৰি স্কুলত নাম লগাই দিয়ে । সিহঁতে এদিনো মোক মা দেউতাৰ অভাৱ অনুভৱ কৰিবলৈ দিয়া নাই । সেই অভাৱবিলাক সিহঁতে পূৰ কৰিলেও মাজে মাজে মোৰ দাদালৈ বৰকৈ মনত পৰে। সেয়েহে কেতিয়াবা মই বৰ মন মাৰি থাকো" ।

ৰূপমৰ কথা শুনি মই কান্দি দিলো । কিয়নো ৰূপম মোৰ একমাত্ৰ নিজা ভাই । মই কেতিয়াও ভাবিব পৰা নাছিলো ৰূপমৰ দৰে এজন বিধায়কৰ পুতেকৰো তেনে ঘটনা থাকিব পাৰে । ৰূপমৰ কথাই মোক বৰকৈ আঘাত দিলে । কিয়নো একমাত্ৰ ভাইটোকো মই বিভিন্ন যন্ত্ৰনা ভুগিবৰ বাবে এৰি আহিছিলো । মোৰ নিজকে বৰ অপৰাধী -অপৰাধী লাগিল । সেয়েহে শেষত মই মোৰ কথা প্ৰকাশ নকৰি নোৱাৰিলো । ৰূপমে মোৰ কথা শুনি আনন্দত জপিয়াই উঠিছিল। কিয়নো আজি সম্পূৰ্ণ চৈধ্য বছৰৰ পিচত আমাৰ দুই ভাতৃৰ মিলন হল । আনন্দতে দুয়ো দুয়োকো সাৰটি ধৰিলো । ❑

---

পৃষ্ঠাৰ পৰা ৪৯

## বালিঘৰ

কৰ পৰা আহিছোঁ, ইত্যাদি বহু প্ৰশ্ন কৰিলে সিহঁতে । উত্তৰ দিয়াত সামান্য খেলিমেলি হলেই সিহঁতৰ চৰ ঘোঁচা মোৰ গালত । শেষত আকৌ মোক চিগাৰেট এটা দিলে খাবলৈ । নাখাও বুলি কবলৈ ভয় লাগিল । খালো, খুব কাঁহিছিলো । সিহঁতকেইটাই কিন্তু বেছ আনন্দ পাইছিল । এইবাৰ সিহঁতে এটা মদৰ বটল ওলিয়ালে । সৰ্ব শৰীৰ মোৰ কপিবলৈ ধৰিলে । খাবলৈ কলে, মই কিন্তু এইবাৰ নাখাও বুলি কলোঁ । আকৌ মুখত চৰ । সেই দিনটো মোৰ মৃত্যুসম কাল নিশা যেন লাগি গল । জোৰ কৰিয়ে সিহঁতে গোটেই বটল মদ মোক খুৱাই দিলে । নিচা ধৰাত কবনোৱাৰা হলোঁ । সিহঁতে মোক আকৌ নাচিবলৈ কলে, ময়ো নাচিবলৈ চেষ্টা কৰিছিলো । বাৰে বাৰে ওৱালত খুন্দা খাওঁ, তেজ ওলাই । এবাৰ জোৰ কৈ পৰিলোঁ পকাতে । মোৰ চেতনা হেৰাল । তাৰ পাছত কেনেকৈনো ইয়াত পালোহি, গমকে নাপালোঁ । "কথাখিনি কৈ কান্দি পেলালে প্ৰণয়ে । এই কাৰণেই নেকি তাক মাক দেউতাক, গাৱঁৰ মানুহে চহৰলৈ পঠিয়াইছিল । তাৰ সেই আশা, গাওঁখনক আগুৱাই নিয়াৰ সেই লক্ষ্য সকলো নিমিখতে চাৰখাৰ হ'ল । মনতে ভাৱিলে সি । মাকেও কান্দি কান্দি বাউলি হল । ধিক্কাৰ জন্মিল সেই উদ্ভান্ত ডেকা কেইটাৰ ওপৰত ।

নিশালৈ সি ভ্ৰম বকিলে । "মই, মই আৰু পঢ়িব লাগিব", "গাওঁ খনক আগুৱাই নিব লাগিব মই", "তেজ্জ ! তেজ ওলাইছে মোৰ মুৰৰ পৰা" । সময়ত হহাঁৰ নিচিনাও কৰে । ৰাতিপুৱাইছে । গাৱঁৰ মানুহবোৰো আহি হস্পিতেলত উপস্থিত । সি আকৌ বেছিকৈ কিবা কিবিবোৰ বকিবলৈ ধৰিলে । ডাক্টৰ আহিল । কিবা পৰীক্ষা নিৰীক্ষা কৰাৰ অন্ত: কলে - মস্তিস্কত গুৰুত্বৰ ভাৱে আঘাট পাইছে, গতিকে ই মানসিকভাৱে বিকলাংগ হৈ পৰিব । তাক স্বাভাৱিক অৱস্থালৈ আনিবলৈ বহু চেষ্টা কৰিলোঁ, কিন্তু নোৱাৰিলোঁ, দুখ নকৰিব ।" ডাক্টৰ জনৰো চকুপাণী ওলাই আহিল । আকাশৰ পৰাহে যেন গাওঁবাসী পৰিল । আচৰিত হৈ "কিন্তু" বুলি ওলাই আহিল সকলোৰে মুখৰ পৰা । ডাক্টৰজনে কিন্তু পুনৰাই নকলে । লগে লগে কান্দোনৰ ৰোল উঠিল গোটেই হস্পিতেলখনত । স্বয়ং মানুহেই মানুহৰ মাজত এক অশান্তিকৰ পৰিৱেশ সৃষ্টি কৰা কথাটো আজি কল্পনাই কৰিব পৰাই নহয় নিজৰ চকুৰে বাস্তৱ ক্ষেত্ৰতো প্ৰত্যক্ষ ও কৰিব পাৰিলে গাওঁ বাসীয়ে ।

মানুহে মানুহৰ ওপৰত কিয় বাৰু এনে পাশৱিক অত্যাচাৰ চলাই --- ? সেই কেইটা ল'ৰা জানো মানুহ নাছিল, পঢ়া শুনা নাছিল ? সিহঁতৰ হৃদয়ত দয়া, মৰম, বোলা বোৰ নাই নেকি যে সিহঁতৰ দৰে ল'ৰা এটা ওপৰত এই দৰে অত্যাচাৰ চলালে ? কি যে পাপী এই মানৱ জাতি ! মানুহে মানুহক যদি মৰম শ্ৰদ্ধা কৰিব নাজানে, মানুহৰ মাজত যদি আৱেগ, অনুভূতি, সহানুভূতি এই বোৰ নাথাকে, তেনেহলে দেখোন এই গোটেই মানৱ ঐতিহ্যটোৱেই নি:শেষ হৈ পৰিব । দেউতাকৰ মুখৰ পৰা অজানিতে ওলাই এনেধৰণ কথাবোৰ, যেতিয়া হস্পিতেলখনত একেবাৰে নিস্তব্ধতা । এক মাত্ৰ পুত্ৰৰ দূৰৱস্থা দেখি, মাকে অচেতন হৈ পৰি আছে । এনে কৰুণাত্মক পৰিৱেশৰ মাজতে গান গায় ভাল পোৱা গাৱঁৰ বলৰামে কৰুণমূৰত গাই দিলে ভূপেন হাজৰিকাৰ সেই গীতটি ---

মানুহে মানুহৰ বাবে
যদিহে অকণো নাভাৱে - ❑

# LUNATICS

(A PORTRAIT OF MAN)

- *Pabitra Bharali*

**Characters :**

1. **Mr. Lunatic - middle aged man of learning.**
2. **Mrs. Lunatic - his wife, a dark lady.**
3. **Lover - young man, dressed in rich costume.**
4. **Poet - with black spectacles, but seemingly jovial, has a stick to walk.**
5. **Philosopher - religious minded old fellow.**
6. **Scientist - overbearded ugly researcher.**

**Locale : A reading room**

[ At the rise of the curtain, Mr. Lunatic will be seen sitting by his reading table, with his left side to the audience. There are on his reading table a copy of the Holy Bible, a Trishul, a Buddha's portrait, Eiensteins book of Theory of Relativity, another book entitled "ART", among others.]

[Dressed in shorts and a bulky, loose, multi-coloured shirt, Mr. Lunatic looks an odd figure. A stetson on his head, wrinkles in his face, the man sits very uncomfortably in the wheel chair by the reading table. He is not reading or writing, but murmuring. He is apparently engrossed in some thoughts.]

( A sound of calling bell being rung.)

MR. LUNATIC : (thinks) What's next ? Who is it ? Why should he come ? Is it he or she ? Are they equal ? Why not ?
( A pause. The bell is rung again.)
(turning the chair towards the audience)
Browning's heroes have listeners.
(without looking right or left) Come in !
(turns the chair to the table again).
(Mrs. Lunatic comes in from left covered by a screen held by her. Audience will see the phrase "A Portrait of Man" clearly written on the screen. Mr. Lunatic does not notice her.)

MR. LUNATIC : Come in ! I say. Won't you ?

MRS. LUNATIC : (Spreading the screen on the floor) People call you lunatic so. I am already here. I know what you should really do.

MR. LUNATIC : What ?

MRS. LUNATIC : Thanks for the interest. But first tell me if you do love me.

MR. LUNATIC : That's absurd.

MRS. LUNATIC : It's related to it.

MR. LUNATIC : Not at all.

MRS. LUNATIC : Really.
(Lying on the screen) Come and kiss me !

MR. LUNATIC : Your mouth smells bad. I won't. I shouldn't.

MRS. LUNATIC : I have a hard load. (Sleeps)
(A pause)

MR. LUNATIC : Lover ! Lover !
(Lover enters) .

MR. LUNATIC : Love her, love her. (He turns the chair to the audience)

LOVER : Why should I love her ? She's no beauty.

MR. LUNATIC : She hates you. She's woman. So you should love her. Love her.

LOVER : She once invited me. It's in her twentieth spring.

MR. LUNATIC : She was beautiful then ?
LOVER : Might be ..... How should I love her ? Train me.
MR. LUNATIC : Come. (They embrace. Lover takes out Lunatics purse shows.
LOVER : It's no use to you.
MR. LUNATIC : You shouldn't. I love you.
LOVER : You feign.
MR. LUNATIC : Love her ! That's my pleasure.
(Lover sits in front of the sleeping Mrs. Lunatic like meditating Buddha)
LOVER : Wake up, arise or you will sink.
MR LUNATIC : Wake up, ma'am, arise or you will sink.
(Mrs. Lunatic wakes up, puts her head in the lap of Lover. Lunatic rushes and drags her to his wheel-chair and has her seated.)
LOVER : My self, you can't love him, you hate him.
MR. LUNATIC : My other self, you hate him, you can't love him.
MRS. LUNATIC : I was twenty years' at that time.
MR. LUNATIC : You were beautiful then ?
MRS. LUNATIC : Love me. Praise me and I'm beautiful.
( A pause)
MR. LUNATIC : Poet, Poet, Poet !
POET : (Within) yes me !
MR. LUNATIC : (To lover) Show him the path.
(Lover goes and returns with poet)
MR. LUNATIC : Has love made you blind ?
POET : I have never been in love.
MR. LUNATIC : You praised my other.
POET : Other ! What's that ?
MR. LUNATIC : That's her pet, my wife's/
(Lover meekly departs.)
POET : I feigned love. Who's left ?
MR. LUNATIC : We do not know. Time is fleeting. It's twenty seconds.
MRS. LUNATIC : You feigned ! Was I present then ?
POET : I do not see.
MRS. LUNATIC : You did afore.
POET : Oh, you Mrs. Lunatic. You hit me. And in the eyes.
MRS. LUNATIC : Why should I ?
POET : I read a poem.
MRS. LUNATIC : Wasn't that good ?
POET : Lunatic didn't like it.
MR. LUNATIC : What did you write ?
POET : Nonsense. I thought good.
MR. LUNATIC : Don't you know what you should write ?
POET : I have a letter-Poem to you.
MR.LUNATIC : Later Poem ! Read it. Oh, let me read it.
(Poet unpockets a paper. Mrs. Lunatic snatches it-).
MRS. LUNATIC : (Reads) 2 0 (Two zero)
My darling,
See -
If you be in the suitable place in time
You can locate time in place.

"'peace be within thy walls'
And restlessness in the rest of the world."
Here's a change, change is the law of God.
God is changed and made dog
Master serves, servants rule
Sanes are insanes
Insanes, sanes -

MR. LUNATIC : That's hard, that's hard.
(Mr. Lunatic tries to blow poet, Mrs. Lunatic comes in between the two)

MRS. LUNATIC : You are madly mad. Why can't you better ?

MR. LUNATIC : **THE SUPREMACY OF MAN IN THIS WORLD IS DUE TO MADNESS.**

POET : Rightly ! O' brave new world
That has such people in it.

MR. LUNATIC : Do you see ? Man, and have eyes ?

POET : Mind's eye.

MRS. LUNATIC : Should I continue ?

MR. LUNATIC : Do.

MRS. LUNATIC : (reads) Sanity breeds contempt
Insanity, friends,
Lunatic to you here
My head bends.

MR. LUNATIC : Darling poet, is this a later addition ?

POET : O my self, yes this is a letter-edition.

MRS. LUNATIC : What a charming piece !

MR. LUNATIC : It's charming, but no poetry.

POET : What's poetry like ?

MR. LUNATIC : I can't define. It's something vague. **To tell the truth, nobody can write poem now, as we can't understand.** Romantics believed in love and appreciation of nature.

POET : If I appreciate Mrs. Lunatic, is that poetry ?

MR. LUNATIC : I do not know. Romantics are outdated. There's change.

MRS. LUNATIC : You believe in change ?

MR. LUNATIC : I believe in Socrates - "I know onething - I do not know anything" The rest is silence.

MRS. LUNATIC : (Almost weeping) I shouldn't have married you .

MR. LUNATIC : You married me ! Didn't I ?

POET : Aha ! you, you look fascinating, Mrs. Lunatic.
Here's Gods purity
In thy eyes
In every look
The poet dies.

MRS. LUNATIC : You brute, you brute, you feign blindness.
(Poet takes the stick and slowly departs, Mrs. Lunatic chases poet and departs too).
(Lunatic comes forward, closes hands and then spreads in a gesture. to mean that what has passed is meaningless)

MR. LUNATIC : What madness ! 'Much Learning doth make thee mad'.
(A pause)

MR. LUNATIC : (Moving) I like it, I like it ;
I would use so many voices as Eliot
I would find out whence I was created - why and when
Who is earlier-man or his counterpart ;
Eve or Adam -
Adam's ribs !
Ah Virginia woolfs ! they would strangle me !

MR. LUNATIC : (Sweating with wrath) Why should I follow them ?
Have I no wits ?
(A pause)

MR. LUNATIC : (Calmly) Browning's heroes have listeners.
Should I call my philosopher ?
...
Philoso ...

PHILOSOPHER : May I come in, my Lord ?

MR. LUNATIC : Come in, I was recalling you. (Philosopher enters)

MR. LUNATIC : (Without a gesture) Please be seated.
(Philosopher sits on floor)

PHILOSOPHER : (Sitting on one buttock) You look led away.

MR. LUNATIC : I do.

PHILOSOPHER : Mediate on the greatness of the Universe and be calm.

MR. LUNATIC : What would you squeeze out of that ?

PHILOSOPHER : Nothing, but that's what we need do.

MR. LUNATIC : But why ? If we do not benefit.

PHILOSOPHER : We do benefit from it, if we could Philosophize.

MR. LUNATIC : Is philosophy the end of knowledge ? Or is it knowledge itself ?

PHILOSOPHER : It's a truth.

MR. LUNATIC : The true truth ?

PHILOSOPHER : What's a false truth ?

MR. LUNATIC : That changes.

PHILOSOPHER : Truth has mobility ?

MR. LUNATIC : Every thing is transitory in this world.

PHILOSOPHER : That's true.
(Philosopher philosophizes. Lunatic goes to the wheel chair)

MR. LUNATIC : Yeats is a prophetic poet.
Should it change !

PHILOSOPHER : My Lord !

MR. LUNATIC : Yes -

PHILOSOPHER : What do you think ?

MR. LUNATIC : About what ?

PHILOSOPHER : About time.

MR. LUNATIC : When was it cheated ? "Let there be time, and there was time" ?

PHILOSOPHER : I think it's so. Time was created out of chaos.

MR. LUNATIC : Chaos is eternity then ? How do we count time ?

PHILOSOPHER : By events, movements, revelation.

MR. LUNATIC : Yeats spoke of twenty centuries a civilization.

PHILOSOPHER : Y-e-s-

MR. LUNATIC : What's the final truth ? Is there a God or gods ?

PHILOSOPHER : That's no question.

| | |
|---|---|
| MR. LUNATIC : | It IS. |
| PHILOSOPHER : | Time has changed. Many are sceptics; others feign. |
| MR. LUNATIC : | Then - |
| PHILOSOPHER : | I know not |
| MR. LUNATIC : | Is my other beautiful ? |
| PHILOSOPHER : | What's that ? |
| MR. LUNATIC : | My Mrs' Pet. |
| PHILOSOPHER : | Whether she is fine needs a comparison. |
| MR. LUNATIC : | Poet said- She was incomparably charming. |
| PHILOSOPHER : | Why do you ask me then ? |
| MR. LUNATIC : | For confirmation. |
| PHILOSOPHER : | Fineness is a quality of the mind. |
| MR. LUNATIC : | Do you have any definition of the mind. |
| PHILOSOPHER : | Well, I seem to understand only. |
| MR. LUNATIC : | Ah ! then you know nothing more than me. |
| PHILOSOPHER : | W-e-l-l- |
| MR. LUNATIC : | My madness ! the dare devil !<br>Have you seen a lonelyman in shirt sleeves ?<br>(A bell is rung) |
| MR. LUNATIC : | I have peace of mind. The saint is no more. |
| PHILOSOPHER : | I should be no more ! |
| MR. LUNATIC : | I would rather kill you and see what is in your brain<br>(Rises from the wheel chair)<br>(Scientist enters) |
| PHILOSOPHER : | (horrified) The Scientist !<br>(Rising, to Scientist) Are you dissecting me ? |
| SCIENTIST : | I will find out which tissue does what. |
| MR. LUNATIC : | P'haps thus you will establish a truth that changes. |
| SCIENTIST : | They have value. |
| MR. LUNATIC : | The changing value. What's the value of the mind ? |
| SCIENTIST : | We rather study the brain. |
| MR. LUNATIC : | It is fragmentation. |
| SCIENTIST : | The major division. (He sits down) |
| MR. LUNATIC : | Why is one particular cell allowed to form the brain and others become subordinates ? |
| SCIENTIST : | That's investigated and yet to arrive at a truth. |
| MR. LUNATIC : | Why shouldn't you use THE truth ? |
| SCIENTIST : | Well - |
| MR. LUNATIC : | You are helpless, I know. Is there a God ? |
| SCIENTIST : | The question is absurd. We create God for our safety. |
| MR. LUNATIC : | What keeps the heart working ? |
| SCIENTIST : | A kind of pumped baloon - the heart's a machine that pumps blood all through the body. |
| MR. LUNATIC : | Where is the end of this universe ? |
| SCIENTIST : | That's like dreaming of something which is never seen in the earth. It is vast and limitless. |
| MR. LUNATIC : | Then you are sure of nothing really. |
| PHILOSOPHER : | Vastness is the other name of God. God is responsible for all these creations. |

SCIENTIST : That's old fashioned.
PHILOSOPHER : The root of today is in yesterday.
SCIENTIST : What about modern creations ?
PHILOSOPHER : Man can explain or analyse only, not create.
MR. LUNATIC : We do transform, that's all.
(A pause).
(The scientist's wrath is visible as he rises, philosopher, calmly sits on the floor. Lunatic goes to the wheel chair. Mrs. Lunatic rushes in)
MRS. LUNATIC : Help, help !
SCIENTIST / PHILOSOPHER : Help! (They try to leave. Mrs. Lunatic catches hold of their shirts. They wait . )
MRS. LUNATIC : Marry me, I have a hard load.
SCIENTIST : (aside to Philosopher) She has the blood, woman of the world.
PHILOSOPHER : (aside to Scientist) She's erotic, shall not enter heaven.
MRS. LUNATIC : Marry me, I have a hard load, I say.
: (She thrusts both of them. Scientist and Philosopher fall flat on the ground. Mr. Lunatic comes forward and takes away Mrs. Lunatic)
MR. LUNATIC : Aren't you satisfied ?
MRS. LUNATIC : Would a man marry me twenty times.
MR. LUNATIC : (To Mrs. Lunatic) My other !
(aside) She's mad in lustfulness !
(To Mrs. Lunatic) Could you let this world be in rest.
(Lover enters)
LOVER : (To Scientist + Philosopher) My friends !
(Scientist and Philosopher rise. Poet enters)
POET : Hey! ho! **It's Lunatic asylum.**
Here have we all come.
MR. LUNATIC : Hey !
(Mr. Lunatic takes Mrs. Lunatic to the wheelchair. Neither sits but bends on the two hands of the chair, looking to each other).
SCIENTIST : (To Philosopher, Poet, Lover) **Could we find a solution to the problem ? Were we allowed to produce anything we like !**
PHILOSOPHER : **Man's estrangement from God has resulted in this.**
POET : **Poetry makes one think and feel. We should insist on writing and make new experiment in poetic technique.**
LOVER : **It's love that can encompass all.**
(Mr. Lunatic leaves, followed by Mrs. Lunatic)
LOVER : Lunatics are becoming parents. (goes to the door)
Silence, Listen.
MR. LUNATIC : (within) What do you eat for lunch ?
PHILOSOPHER : What does he say ?
MRS. LUNATIC : (Within) Your brain or brains.
POET : Hush ! It's their wedding anniversary.
SCIENTIST : Let's take the screen.
PHILOSOPHER : The dickens.
POET : What ?
LOVER : Let's uncover.
(Scientist goes to the reading table, presses a calling bell)

MR. LUNATIC : (Coming) What ?
MRS. LUNATIC : The dickens !
MR. LUNATIC : **Let's take the screen.**
MRS. LUNATIC : **Let's uncover.**
SCIENTIST / PHILOSOPHER / POET / LOVER : Horrible ! (They take the four corners of the screen. Mr. and Mrs. Lunatic jump on the screen)
MR. LUNATIC : What's next ?
MRS. LUNATIC : Are we equal ?
SCIENTIST / PHILOSOPHER / POET / LOVER : Help, help !
MRS. LUNATIC : Help, help !
MR. LUNATIC : Hey, ho ! help, help !!

[ Mr. and Mrs. Lunatic stand embracing ; Scientist, Philosopher, Poet and Lover raise the four corners of the screen and cover Mr. and Mrs. Lunatic.]

[ There is silence].

[Darkness envelops all of them]. ❑

## SPECULATION

A fool's brain digests philosophy into Folly, Science into superstition, and art into pedantry.

He who can, does. He who cannot, teaches.

A learned man is an idler who kills time with study. Beware of his false knowledge : it is more dangerous than ignorance. Activity is the only road to knowledge.

Every fool believes what his teachers tell him, and calls his credulity science or morality as confidently as his father called it divine revelation.

No man can be a pure specialist without being in the strict sense an idiot.

Virtue consists, not in abstaining from vice, but in not desiring it.

Greatness is only one of the sensations of littleness. Greatness is the secular name for Divinity : both mean simply what lies beyond us.

Happiness and Beauty are by-products. Folly is the direct pursuit of Happiness and Beauty.

The fatal reservation of the gentleman is that he sacrifices everything to his honor except his gentility.

The unconscious self is the real genius. Your breathing goes wrong the moment your conscious self meddles with it.

**- George Bernard Shaw. (Man and Superman)**

# চকুলো যেতিয়া নদী হৈ বয়

ভাস্কৰ সোনোৱাল

প্ৰেম, এই শব্দটো শুনিলেই মোৰ মূৰ গৰম হৈ উঠে । হায়াৰ-ছেকেণ্ডাৰীত পঢ়োতে এই শব্দটোৱে ভালকৈয়ে মোৰ মনত শিপাবলৈ লৈছিল ! কিন্তু এদিনো ভাবি নাচালো যে এই শব্দটোৱে মোৰ কণমাণি হৃদয়খন থকা-সৰকা কৰি পেলাব এদিন। এতিয়া মই ঘিন কৰো এই শব্দটোক। মোৰ মন দৃঢ় প্ৰতিজ্ঞ হয়, এই শব্দক মই দ্বিতীয় এবাৰ মোৰ জীৱনলৈ আহিবলৈ নিদিওঁ ।

হঠাতে কাৰেন্ট গুছি গল। মূৰৰ ওপৰত তীব্ৰ গতিত চলি থকা ফেনকেইখন লাহে লাহে স্থিতি অৱস্থালৈ আহিল। উৎকট গৰম সহিব নোৱাৰি বাৰাণ্ডালৈ ওলাই আহিলো । ফিৰ ফিৰিয়া এজাক বতাহে চুই নিলে গা । দূৰৈৰ হাবি ডৰালৈ চকু ফুৰালো। ৰদৰ চিক-মিকনিত অপূৰ্ব লাগিছে গছ-গছনিবোৰ। মলয়াৰ সান্নিধ্য পাই হালি-জালি পৰিছে গছ-লতিকাবোৰ। কবিসকলে হয়তো এনে এটা দৃশ্যত মুগ্ধ হৈ অনেক কবিতাই আৱিস্কাৰ কৰি পেলায় । ঘড়ীটোলৈ চালো ন বাজিবৰ এতিয়াও দহ মিনিট বাকী । ন বজাৰ পৰাহে ক্লাছ আৰম্ভ হব। লগৰ ফণী এতিয়াও আহি পোৱা নাই। আমাৰ মেজৰ ক্লাছৰ ছাত্ৰ মাত্ৰ দুজন । মই আৰু মোৰ সহপাঠী ফণী শৰ্মা । ফণীৰ গঢ়-গতিবোৰ দেখিলে মোৰ কেতিয়াবা খুওৱ হাঁহি উঠে। কিয়ে ল'ৰাজন ? লাজ, সংশয়ৰ হয়তো সি কোনোদিনেই সন্মুখীন হোৱা নাই। শিক্ষক ছাত্ৰ-ছাত্ৰী সকলোৰে লগতেই সি ফ্ৰী । তাৰ কথা ভাবিলে মোৰ নিজকে মানুহৰ শাৰীত নপৰো যেন লাগে । কাৰো লগতে ফ্ৰী হৈ কথা পাতিব নোৱাৰো মই । অকলে অকলে থাকিহে যেন মই বেছি ভাল পাওঁ । মোৰ ভাল বন্ধু বুলিবলৈ জান্টু আৰু জয়ন্তহে । তাকো লগ বেছি নাপাওঁৱেই । সিহঁতৰ ক্লাছবোৰ প্ৰায় তলৰ মহলাত হয়। দুয়োৰে ৰাজনীতি বিজ্ঞানত মেজৰ। কেতিয়াবা কোনোবা এটা দিনতহে সিহঁতক ভালদৰে লগ পাওঁ ।

ছাত্ৰ-ছাত্ৰীবিলাকে খৰ-খোজেৰে আগবাঢ়িছে নিজ নিজ শ্ৰেণীলৈ । সকলোৰে মুখত ব্যস্ততাৰ চিন স্পষ্ট । ক্লাছলৈ হয়তো বেছিপৰ নাই ।

"ঐ দীপু, কেতিয়াবাই আহিলি নেকি ?" ফণীৰ মাতত মই খন্তেকৰ বাবে স্তব্ধ হলো।

"নাই, অলপ আগতে" মই কলো ।

"আজি ফাৰ্ষ্ট ক্লাছ কাৰ আছে ?"

"শইকীয়া চাৰৰ"

সি ভিতৰলৈ সোমাই গ'ল । পিছে পিছে ময়ো আগবাঢ়িলো। বেঞ্চখনত বহি অইন দিনাৰ দৰে সি আজিও মোৰ বহীখনৰ এফালৰ পৰা পৃষ্ঠাবোৰ লুটিয়াই যাবলৈ ধৰিলে । সেইতো তাৰ অভ্যাস ।

"তই খুওৱ পঢ়িছ নেকি ?" ফণীয়ে মোক সুধিলে ।

"খুওৱ বুলি কেনেকৈ কওঁ, সামান্যহে ...."

"মোৰ আৰু একেবাৰে পঢ়া হোৱা নাই ভাই।"

"কিয় ? কি কাম থাকেনো পঢ়া যে হোৱা নাই ?"

"আচলতে কি জান ?"

"কি ?"

"মই এজনী ছোৱালীৰ প্ৰেমত পৰিছো।" - সি মোলৈ চাই এটা শেতাঁ হাঁহি মাৰিলে ।

"ষ্টুপিড কথা কবলৈ আৰু বিচাৰি নাপালি ?" মই কৃত্ৰিম খং দেখুৱাই ক'লো।

"একদম সচাঁ ভাই । তই বিশ্বাস কৰিবলৈ টান পাবি বুলি মই জানোৱেই । চা দীপু---"

"কি চা চা হে, ৰাতিপুৱাই মূৰ গৰম নকৰিবিচোন আল্টু-ফাল্টু কথা কৈ ।" মোৰ কৃত্ৰিম ধমকত সি মনে মনে থাকিল । ময়ো পুনৰ একো নকলো । তাৰ কাষতে বহি ছাৰ অহালৈ আপেক্ষা কৰিলো।

এসময়ত ছাৰ আহিল । ছাৰে একান্তমনে বুজাই গৈছে । মোৰহে কথাবোৰ মনত ৰোৱা নাই । ফণীৰ কথাবোৰ কাণত বাৰে বাৰে বাজি উঠিছে । বেচেৰা, কথাবোৰ তাক ক'বলৈ সুবিধা দিব লাগিছিল । কিমান যে আগ্ৰহেৰে সি ক'বলৈ বিচাৰিছিল কথাবোৰ । প্ৰেম, এই শব্দটো শুনিলেই মোৰ মূৰ গৰম হৈ উঠে । হায়াৰ-ছেকেণ্ডাৰীত পঢ়োতে এই শব্দটোৱে ভালকৈয়ে মোৰ মনত শিপাবলৈ লৈছিল । কিন্তু এদিনো ভাবি নাচালো যে এই শব্দটোৱে মোৰ কণমাণি হৃদয়খন থকা-সৰকা কৰি পেলাব এদিন। এতিয়া মই ঘিন কৰো এই শব্দটোক। মোৰ মন দৃঢ় প্ৰতিজ্ঞ হয়, এই শব্দক মই দ্বিতীয় এবাৰ মোৰ জীৱনলৈ আহিবলৈ নিদিওঁ ।

এসময়ত ছাৰ গ'লগৈ। দুটা ক্লাছ ছুটি থকাৰ কাৰণে আকৌ বাৰাণ্ডালৈ ওলাই আহিলো । ফণীয়ে তলৰ মহলাৰ ফালে খোজ ল'লে । কিয় জানো মোৰ আজি কালি হুলস্থুল একেবাৰে ভাল নালাগে । অকলে কৰবাত বহি নতুবা দূৰৈৰ পাহাৰটোলৈ চাই থাকিহে মই ভাল পাঁও। প্ৰকৃতিৰ এই মনোমোহা দৃশ্যৰাজিয়ে মোৰ মন বৰকৈ আকৰ্ষণ কৰে।

"হাই দীপু"

"অ, হাই বৰ্ণালী।"

বৰ্ণালী আৰু তাইৰ লগৰ কেইজনীমান আহি মোৰ কাষত ৰ'লহি ।

"কি হ'ল দীপু, আজি-কালি কৰবাত দেখিলেও নেদেখাৰ ভাওঁ ধৰা যে।" বৰ্ণালীয়ে কৈ উঠিল ।

"তুমি এইষাৰ মিছাকৈয়ে ক'লা।"

"মিছা ?"

"অঁতো।"

"কিয়, সেইদিনা ৰামুদাৰ ঘুমটি খনত তুমি বৈ নাছিলা ? আৰু মোক দেখিয়েই মুখ ---"

"ইছ ৰাম তুমি আৰু দেই, মই তোমাক দেখাই নাই।"

"অ, হয় নেকি ? বাৰু বাদ এইবোৰ । এই ওপাৰৰ পৰা তোমালোকে ছোৱালী বিলাকক খুওঁৱ চাই থাকা নহয় ?"

"অকল ছোৱালী বুলিয়ে নকবা, লৰাবিলাককো চাওঁ।"

"লৰাবিলাকক কেলেই ?"

"তেন্তে তোমালোকেনো কিয় চোৱা ?"

"হোৱাট ?". - তাই খঙেৰে মোৰ ফালে চালে ।

"ঐ বৰ্ণালী চাৰ আহিল ব'ল ব'ল ।" লগৰ এজনীৰ মাতত আটাইকেইজনী উধাতু খাই লৰি গ'ল ।

বৰ্ণালীক কোনদিনা কেনেকৈ লগ পাইছিলো বা চিনাকী হৈছিলো মোৰ মনত নাই । লগ পালেই আমি কথা কটা-কটি আৰম্ভ কৰো । তাৰ বাবে তাই যে মোক বেয়া পায় বা মই বেয়া পাওঁ এনে নহয়।

হঠাতে এজনী ছোৱালীৰ ওপৰত মোৰ চকু পৰিল । বগা খীণকৈ চাপৰ এজনী ধুনীয়া ছোৱালী । লাহে লাহে তাই ওপৰ মহলালৈয়ে উঠি আহিব ধৰিছে। থৰ লাগি মই তাইক দৃষ্টি নিক্ষেপ কৰি থাকিলো । মোৰ চকুৰে চকুৰে পৰাত তাই অন্যফালে চাই ৰূম এটাত সোমাই পৰিল । মোৰ আকৌ দ্বিতীয় এবাৰ তাইক চাবৰ মন গ'ল। প্ৰথম দৃষ্টিতে তাইক মোৰ গহীন যেন লাগিল । তাইক দেখাৰ লগে লগে যেন মোৰো হৃদয়ত কিবা অজান শিহৰণ বৈ গ'ল । আকৌ মনত পৰিল 'প্ৰেম' শব্দটো । নিজৰ ওপৰতে মোৰ খং উঠি গ'ল। যিটো শব্দই মোক দ্বিতীয় বাৰ আমনি নকৰক বুলি ভাবিছো সিয়েই আহি মোক পুনৰ আমনি কৰিববলৈ ধৰিছে নেকি ? নাই ইয়াত আৰু থিয় হৈ থাকিলে মোৰ টেনচন আৰু দুগুনে বাঢ়িব । ৰূমটোৰ ভিতৰত পুনৰ সোমাব খোজোতেই তাই আৰু লগত এজনী ছোৱালী পুনৰ ওলাই আহিল মোৰ ফালে এপলক চাই। মই স্তব্ধ হৈ গ'লো । তাই আৰু মোক পাগল কৰি পেলাব। লগৰ জনীৰ লগত তললৈ নামি গৈ গাৰ্লছ কমন ৰূমত এই বাৰ সোমাই পৰিল । মই ৰূমৰ ভিতৰত সোমাই ধপচকৈ বেঞ্চ এখনতে বহি পৰিলো । ক'লা মেঘে আকাশ ছাটি ধৰাৰ দৰে ছাটি ধৰিলে মোৰ হৃদয়। কিয় বাৰু প্ৰেম ইমান শক্তিশালী ? ইমান জীৱন্ত ? এটি দীৰ্ঘনিশ্বাস ওলাই আহিল মোৰ ।

" ঐ দীপু, ক্লাছ আৰু নহয়।" ফণীৰ মাতত মই উচপ খাই উঠিলো

"কিয় ?

"ষ্ট্ৰাইক"

মই পুনৰ একো নুসুধিলো । ভাবিলো গুছিয়ে যাওঁ । বহীখন লৈ ওলাই আহিলো ৰূমৰ পৰা । ফণীয়েও মোৰ পিছে পিছে আহি থাকিল । খটখটিটোৰ পৰা নামিছোহে মাথোন, গাৰ্লছ কমন ৰূমৰ বাৰান্দাত থিয় হৈ আছে তাই । এপলক তাইৰ ফালে চালো কি যে অপূৰ্ব তাই । ভগৱানৰ কিযে মনোমোহা সৃষ্টি ।

ঘৰত আহিয়ো তাইৰ প্ৰতিচ্ছবিটো মোৰ দুচকুত ভাহি উঠিব ধৰিলে বাৰে বাৰে । গধূলি কিতাপ এখন মেলি ল'লো যদিও কোনো কথাই মনত বৈ যোৱা নাই । প্ৰতিটো পৃষ্ঠা লুটিয়ালেই যেন তাইক দেখা পাওঁ । মূৰটো ৱাল ত খুন্দিয়াই দিবৰ মন গ'ল।

ৰাতি বিচনাত পৰিও টোপনিৰ নাম-গোন্ধেই নাপালো। আজি যেন টোপনিয়ে কৰবাত ফুৰিবলৈহে গ'ল। বাৰ এক বজালৈকে বিচনাত চটফটাই আছো । দেখিছো তাই মোক শুকুৰাই-খিনুৱাই মাৰিব। হাজাৰবাৰ মনটোক বুজাবলৈ গৈয়ো বুজাব পৰা নাই । চকু দুটা জোৰেৰে মুদি দিলো জানোচা টোপনি আহেই ।

ওপৰাৰ মহলাৰ বাৰাণ্ডাত থিয় হৈ আজিও অপেক্ষা কৰিছো ছোৱালীজনী অহালৈ । তাইৰ নামেইবা কি ? থাকেইবা ক'ত ? পঢ়েইবা কোন ইয়েৰত ? আদি নানান প্ৰশ্নই একেলগে গোট খাইছেহি মনত । আনদিনাতকৈ হয়তো আজি বহুত সোনকালে আহিলো কলেজলৈ । আজি দিনটোত জান্টু আৰু জয়ন্তকো লগ পাম প্ৰথম ক্লাছটোৰ পিছতে । কাৰণ প্ৰথম ক্লাছটোৰ পিছত দুটা ক্লাছ ছুটী । অইন দিনাৰ দৰে মোৰ চকু পাহাৰটোৰ ফালে নহয়, কলেজলৈ অহা বাটটোলৈহে । তাই যেন এতিয়াই আহি দেখা দিবহি এনে লাগিছে মোৰ । খৰখোজেৰে আহিব তাই; ক্লাছ দেৰি হোৱাৰ ভয়ত কলৈকো দৃষ্টি নাৰাখি পোনে পোনে ক্লাছ ৰূমলৈ গতি কৰিব বেচেৰী তাইৰ দেৰি হ'লে ছাগে শিক্ষকে দুই এটা প্ৰশ্নও কৰিব । তাই তেতিয়া কি কব বাৰু ? গা-ধোওঁতে, উঠোতে নে বাটত কিবা অসুবিধা ... ইত্যাদি তাই কিবা এটা কব ।

"ঐ দীপু "

ঘূৰি চাই দেখো জান্টু ।

"অ জান্টু, কথা এটা আছিল তোৰ লগত।" মই সেমেনা-সেমেনি কৰি ক'লো ।

"কি কথা ?"

"তই মোক অলপ সহায় কৰনা ভাই"

"কি সহায় ?"

"মানে, মানে মই খুওৱ বেয়াকৈ প্ৰেমত পৰিছো"

"হা-হা-হা- ..." মোৰ কথাত সি জোৰেৰে হাঁহিব ধৰিলে।

" হাঁহিছ যে ?"

"নেহাঁহি কান্দিব লাগে নেকি ?"

"তেনেহলে ---

"কোন তাই ? কি নাম ?"

"মই নাম-চাম নেজানো ।"

"নাজান ? হা-হা-হা--" - সি পুনৰ হাঁহিলে ।

"তই পাগল হলি নেকি জান্টু ?" মই অলপ খঙেৰে কলো ।

" আৰে ভাই খং নকৰিবি । মই আছোতো ।" সি মোক সান্ত্বনা দি ক'লে ।

"আজি তই মোক তাইক দেখুৱাই দিবি । তাৰ পাছত তই চিন্তা নকৰিবি । তোৰ কাম হ'ল বুলিয়েই ধৰ।" - সি পুনৰ ক'লে । মই সন্তোষেৰে তাৰ ফালে চালো । সি এটি কুটিল হাঁহি মাৰিলে ।

"জয়ন্ত ক'ত ? "

"সি অহাই নাই ।"

**"আজি তই মোক তাইক দেখুৱাই দিবি । তাৰ পাছত তই চিন্তা নকৰিবি । তোৰ কাম হ'ল বুলিয়েই ধৰ।" - সি পুনৰ ক'লে । মই সন্তোষেৰে তাৰ ফালে চালো । সি এটি কুটিল হাঁহি মাৰিলে ।**

"এতিয়া তোৰ ক্লাছ আছে নহয়, মোক অফ ক্লাছত ইয়াতে লগ পাবি ।" মই ক'লো ।

"বাৰু মই যাওঁ এতিয়া, তই একো চিন্তাই নকৰিবি ।"

সি ক্লাছ কৰিবলৈ গুছি গ'ল। পুনৰ আলি বাটলৈ চকু দিলো। কিন্তু তাই দেখোন নাহে নাহে। ফণীও অহা নাই । আজি ক্লাছ অকলে কৰিব লাগিব যেন লাগিছে । বৰ অস্বস্তি পাওঁ অকলে ক্লাছ কৰিবলৈ । নাই, তাই আজি হয়তো নাহিব । মনটো বিষাদে ভৰি পৰিল ।

চাৰো আহি ক্লাছ কৰি গুছি গ'ল । ফণীও নাহিল, পুনৰ বাৰাণ্ডালৈ ওলাই আহিলো । জাক-জাক ছোৱালীৰ মাজত মোৰ দুচকুৱে তাইক বিচাৰিবলৈ ধৰিলে । কিন্তু তাইৰ দেখোন আজি কোনো শুং সূত্ৰই নাই । মনটোক বুজাব নোৱাৰা হৈ পৰিছো । কিয় অহা নাই বাৰু তাই ? কিবা অসুবিধাও হয়তো হব পাৰে ।

"দীপু ব'ল---" জান্টুৱে মোক পিছফালৰ পৰা চিঞৰিলে ।

"কত ?"

"কিয়, দেখুৱাম বুলি কোৱা নাছিলি জানো ?"

"তাকেইতো, তাই আজি অহাই নাই ছাগৈ ।"

"কেনেকৈ জানিলি ?

"তাইক এবাৰো দেখা নাই ।"

"বলচোন তলৰ পৰা আহো ।"

"ব'ল ---" - দুয়ো খোজ ল'লো তললৈ ।

সকলোফালে তীক্ষ্ণ দৃষ্টিৰে চকু ফুৰালো । নাই তাইৰ ক'তো দেখা দেখি নাই । কমাৰ্ছ বিল্ডিং, ছায়েন্স বিল্ডিং, সকলোতে তন্ন-তন্ন কৈ বিচাৰ-খোচাৰ কৰা স্বত্তেও তাইৰ নাম গোন্ধেই নাপালো। অৱশেষত মনৰ বেজাৰতে পুনৰ ওপৰ মহলা পালোগৈ ।

"এতিয়া কি কৰিবি দীপু ?" জান্টুৱে অলহভাবে ক'লে

"কিয় তইয়ে দেখোন চিন্তা নকৰিবি বুলি কৈছিলি ?"

"কৈছিলো, কিন্তু ---, বলচোন পিছফালৰ ৰুম কেইটাৰ ফালে চাই আহো।" - দুয়ো পুনৰ আগবাঢ়িলো পিছফালে । নাই ক'তো নাই । পুনৰ ঘূৰিব ধৰোতেই তাই সৰগৰ পৰা নামি অহাদি আমাৰ বিপৰীত ফালৰ পৰা গহীন খোজেৰে আহি আছে । কব নোৱাৰাকৈয়ে মোৰ ভৰি দুখন ঠাইতে থমকি ৰল । জান্টুৱে মোৰ অৱস্থা দেখা নোপোৱাত সি আগবাঢ়ি গৈয়েই থাকিল ।

"জান্টু ---" মই চিঞৰিলো। মোৰ মাতত জান্টু আৰু ছোৱালীজনী দুয়ো সমানে মোৰ ফালে চাই ৰল ।

" জান্টু, এইফালে আহচোন ।" - সি খৰ-খোজেৰে মোৰ ওচৰত পালেহি ।

"কি ?"

"সেই জনীয়েই --" - মই তাক ফুচফুচাই ক'লো । ছোৱালীজনী ইতিমধ্যে আমি থিয় হৈ থকা কাষৰ ৰুমটোতে সোমাই পৰিল । আগৰে পৰা তাত কেইজনীমান ছোৱালী সোমায়েই আছিল । সি ভুমুকিয়াই চালে ।

"অ এইজনী, তই চিন্তা নকৰিবি । তাইৰ ইনট্ৰডাকচনটো মই কাইলৈ যে তোক দিম । এতিয়া ব'ল, "

"কলৈ ?"

"কেন্টিনলৈ, কিয় পাৰ্টী এটা নিদিয় নেকি ?"

"ইছ ৰাম, কামটো হোৱাই নাই ।"

"আৰে বাবা হ'ব বুলি কৈছোত ।"

দুয়ো কেন্টিন অভিমুখে খোজ ল'লো ।

"তই কিন্তু চিলেক্ট কৰিব জান দেই।" জান্টুৱে কলে,

"কিয় তোৰো ভাল লাগিছে নেকি ?"

"আৰে কিয় নালাগিব ? তোৰ পচণ্ড মানেইতো মোৰ পচণ্ড ।"

"তেন্তে তয়েই পটাই ল ।"

"ইডিয়ট, মোক তোৰ দৰে দূৰ্ভগীয়া বুলি ভাবিছ নেকি ? তই পৰিস্মাক লৈ লবি ?"

"চুপ চাল্লা, তোৰ মাইকী মই কিয় লম ?"

"তেন্তে তোৰ মাইকী কি মই লম ?"

কেন্টিনত তাক চিংৰা এটা খুৱাই দিলো । কামটো বিন্দু মাত্ৰাও হোৱা নাই । কেন্টিনৰ পৰা ওলাই আহি পুনৰ ওপৰ মহলা পালোগৈ । ক্লাছ হ'বৰ পাঁচ মিনিট বাকী ।

"ঐ চা এইফালে আহিছে ।" মই জান্টুৰ কথাত ঘূৰি চালো । ঠিকেই এইফালেই আহিছে । বুকুখন কঁপি উঠিল । ঘন ঘন উশাহ বাহিৰ হৈ আহিল মোৰ । কিজানি এই অকঁৰাটোৱে মোক জোকাৱেই দিয়ে ।

"ঐ দীপু, তই এই ৰুমটোতে সোমাই থাক । আজিয়েই তাইৰ ইনট্ৰডাকচনটো সুবিধা পাওঁতেই লৈ থওঁ । যা সোনকালে ।" জান্টুৰ কথাত মই লৰা-লৰিকৈ সোমাই পৰিলো কোঠাটোত । বহুসময় পাৰ হৈ গ'ল । জান্টুৱে হয়তো তাইক কিবা-কিবি সুধিছে । মই আগ্ৰহেৰে বাট চাই থাকিলো সি অহালৈ । আনন্দতে

ডেক্সখনতে মূৰটো শুৱাই দিলো। কিন্তু চেণ্ডেল চোচৰনিত মূৰ তুলি দেখো মেজৰৰ দ্বিতীয় ক্লাছটো কৰিবৰ বাবে বাইদেউ সোমাই আহিছে।

"কি হল দীপু, ফণী অহা নাই নেকি ?" - বাইদেউ-ৰে কথাষাৰ কৈ চকীখন টানি বহি পৰিল।

"নাই অহা বাইদেউ"

"তোমালোক যে আৰু ; তোমালোকে কিয় ইমান মেজৰৰ প্ৰতি অবহেলা কৰিছা ভাবি নাপাওঁ। ইফালে মেজৰৰ ষ্টুডেন্ট মাত্ৰ দুজন। কোনো আগ্ৰহেই নাই। এজন আহিলে এজন নাহা। এনেকৈ কেনেকৈ হব।" - বাইদেউৰে খঙেৰে ক'লে। মই মাথোন তলমূৰ কৰি আছো।

বাইদেউৰে বুজাই গৈছে যদিও মোৰ কোনো কথাই মনত বৈ যোৱা নাই.। এখন কাণেৰে শুনিছো আৰু এখন কাণেৰে উলিয়াই দিছো। কেৰাহিকৈ দূৰাৰখনেৰে বাহিৰলৈ চালো। জান্টুক দেখাৰ লগে লগে বগা কাগজ এটুকুৰাত সি ডাঙৰকৈ লিখি কাগজ খন মেলি ধৰিলে। দেখিলো ডাঙৰকৈ লিখা আছে তাত 'প্ৰণতি'। মানে ছোৱালী জনীৰ নাম। মোৰ ভাল লাগি গল। আনন্দতে মোৰ চিঞৰি দিবৰ মন গল।

"বকুল বনৰ কবি কোন দীপু ?"

"প্ৰণতি ---, অহ নহয়---"

"প্ৰণতি ? কি প্ৰণতি ?"

"মানে মানে বাইদেউ ---"

"কি মানে মানে, পঢ়োৱা সময়ত কি ভাবি থাকা ? কোন প্ৰণতি ?"

"বাইদেউ প্ৰণতি কোনো নহয়, জ্যোতিপ্ৰসাদৰ 'মোৰে ভাৰতৰে --- নামৰ গীতটোৰ শেষৰ লাইনটোৰ কথা ভাবি আছিলো বাইদেউ ---"

'হোৱাট ননচেঞ্চ আৰ ইউ টকিং, ক্লাছ কৰিবলৈ মন নগলে আগতে কবা। মই আপত্তি নকৰো।" বাইদেউৰে খঙেৰে ক'লে। কি যে কৈ পালো। ছেহ: বাইদেউৰে কিমান যে বেয়া পালে। ভাল পটকৰে বুদ্ধিটো মনলৈ আহিল। নহলে আচল প্ৰণতিৰ কথা সঁচাকৈ কঁ ব লগা হ'লহেতেন। জান্টুটোও কম নহয়। কি দৰকাৰ বাৰু সি এতিয়াই জানিবলৈ দিয়াটো। ক্লাছ শেষ হওঁক তাক এসেকা দিব লাগিব। যি কি নহওঁক তাইৰ নামটো সংগ্ৰহ কৰা হ'ল, তাৰ পিছৰ কামখিনি লাহে লাহে হ'ব। কিন্তু ছোৱালীজনীক দেখিলে এনে লাগে তাইৰ এইবোৰৰ প্ৰতি যেন একো আগ্ৰহেই নাই। বৰ ঠাণ্ডাকৈ থাকে তাই। আনবিলাকৰ দৰে তাই হৈ হাল্লা বেছি কৰি নুফুৰে। সেয়েহে তাইক প্ৰ'পজ দিবৰো সাহস যথেষ্ট লাগিব। যদি তাই না কয় মই আৰু জীয়াই থাকিব নোৱাৰিম। তাই মোক যদি ভাল নাপাই আনক পায় ? নাই এয়া কেতিয়াও হব নোৱাৰে। তাই মোক ভাল পাবহ লাগিব। ইছ কিযে কথা বোৰ ভাবি আছো। বাইদেউৰে যদি আকৌ কিবা সুধি দিয়ে আকৌ গালি খাব লাগিব। মূৰ তুলি বাইদেউলৈ চাব ধৰিলো। কিন্তু এয়া কি ? বাইদেউ দেখোন নাই। তাৰ মানে বাইদেউৰে ক্লাছ শেষ কৰিও গুছি গ'ল। নিজৰ ওপৰতে ধিক্কাৰ উপজিল, মই ইমান অকৃতজ্ঞ ? বাইদেউৰ প্ৰতি ইমান অৱহেলা কৰা উচিত জানো হৈছে ?

"ঐ গাধ বহিয়েই থাকিবিনে ?" - জান্টুৰ মাতত খকমকাই উঠি আহিলো।

"তই বাৰু পিছে পৰেও তাইৰ নাম কব পাৰ, ক্লাছ কৰি থাকোতেই জানিবলৈ দিব কিহে পাইছিল ? আজি মোৰ কিযে অৱস্থা হল।" মই দুখেৰে ক'লো।

"কি অৱস্থা হল ?"

"বকুল বনৰ কবিৰ নাম সুধোতে প্ৰণতি বুলি চিঞৰি পালো। ইছ, কিযে হ'ল ----" - মোৰ কথা শুনি জান্টুৰে পেটত হাত দি পাৰে মানে পৰি পৰি হাঁহিলে।

"কি হাঁহিছ মূৰ্খ ?" মই খঙেৰে ক'লো।

"বাদ দে যি হয় হৈ গল, এতিয়া পিছৰ খিনি কেনেকৈ আগবাঢ়িব লাগে তাক চিন্তা কৰ। তই কিন্তু মোক আদেশ দিলে কাইলৈয়ে তোৰ কথা কৈ দিম।"

"নাই, নাই ইমান সোনকালে নহয়।" মই তাক বাধা দি কৈ উঠিলো।

"বল ঘৰলৈ যাওঁগে, ভোক লাগিছে।" জান্টুৰে পেটত হাত বুলাই বুলাই ক'লে। দুয়ো ঘৰৰ অভিমুখে খোজ ল'লো।

এইকেইদিন কলেজলৈ মাথো প্ৰণতিৰ বাবেহে যেন আহো মই। এদিন তাইক নেদেখিলে মই থাকিব নোৱাৰো হৈ পৰিছো। তাইৰ মোহময়ী অবয়বটো যেন মই গোপনে আঁকি পেলালো হৃদয়ত। কিয় বাৰু প্ৰতিটো খোজতে মাথোন তাইৰ চিন্তাই গ্ৰাস কৰি পেলাইছে মোৰ দেহখন। তাইক চাবৰ বাবেই মোৰ ক্লাছ থাকিলেও নকৰো কেতিয়াবা। এনেদৰে বাৰু কিমান দিন পাৰ কৰিম ; তাইক প্ৰ'পজটো দিবই লাগিব এনে ভাব আহে কেতিয়াবা। অৱশ্যে মই তাইৰ লগত চিনাকীয়ে হোৱা নাই আজিলৈকে। হঠাতে যদি মই প্ৰ'পজ দি দিও তাই বাৰু আচৰিত নহবনে ? কথাবোৰ ভাবিলে কেতিয়াবা খুওৱ দুখ লাগে। জান্টুক মোৰ কথা ক'বলৈ দিয়া হ'লে সি ছাগে কেতিয়াবাই কৈ দিলে হেঁতেন। কিন্তু কিয় জানো, কি ভাবি পাওঁ কেতিয়াবা তাইক যেন মই একোৱেই অনিষ্ট হোৱাতো নিবিচাৰো, মই যদি তাইক প্ৰ'পজ দিও কিমানযে তাইৰ পঢ়া লোকচান হব! তাইৰ দৰে গহীন-গম্ভীৰ এজনী ছোৱালীৰ কোনো ক্ষতি হোৱাটোৱেই নিবিচাৰো মই। মই যে তাইক ইমান গভীৰভাবে ভালপাওঁ এই কথা তাই হয়তো কোন দিনেই উপলব্ধি কৰা নাই। এৰা কেনেকৈ কৰিব মইহে তাইক ভাল পাওঁ, তাইতো মোক ভাল নাপায়।

কথাবোৰ ভাবি ভাবি কেতিয়া কলেজ পালোগৈ গমেই নাপালো। লৰা-ছোৱালী তেনেকৈ এতিয়াও অহা নাই। মইহে সদায় সোনকালে আহোঁ। আজি-কালি মোৰ কলোজ ক্ষতি নহয়। দেওবাৰ দিনটো বৰ বিৰক্তিৰে

পাৰ কৰোঁ । হঠাতে ওপৰ মহলাত জয়ন্ত আৰু জান্টুক দেখি অবাক নহৈ নোৱাৰিলো। কাৰণ সিহঁতে সদায় ক্লাছ আৰম্ভ হোৱাৰ পাঁচ মিনিটৰ আগতহে আহি পায়হি । মই ঘড়ীটোলৈ চালো, ন বাজিবৰ এতিয়াও বিছ মিনিট বাকী ।

"মোৰে ভাৰতৰে ---" - জয়ন্তই মোলৈ চাই দীঘলীয়া সুৰ টানি গাবলৈ ধৰিলে।

"প্ৰণতি প্ৰণতি, প্ৰণতি ---" - লগে লগে জান্টুৱেও চিঞৰিলে ।

"কাম আৰু নাই নহয় তহঁতৰ ; ৰাতিপুৱাই কাৰ মুডটো বেয়া কৰিব লাগে তাকেহে ভাবি থাক নহয় ।" মই ধমকিৰ সুৰত ক'লো ।

"ক চোন কাম কিমানদূৰ আগবাঢ়িছে ?" জান্টুৱে কলে,

"নাই, তেনেকৈ আৰু আগবঢ়া নাই ।"

"তই ভাই কামবোৰ ইমান মনে মনে কৰিছ, অথচ ময়েই একো গম নাপাওঁ । জান্টুৰ মুখৰ পৰা শুনিহে, না মোক ক'লে মই বাধা দিম ? ধ্যুৎ ছাল্লা এনেকুৱাও লগৰীয়া থাকে ।" - জয়ন্তই কৃত্ৰিম খং দেখুৱাই ক'লে ।

"তই আকৌ তেনেকৈ কিয় ভৱিছ ? সপ্তাহটোত তহঁতৰ লগত মুক্তমনে কথা পাতিবলৈনো কেইদিনপাওঁ ? তই কলেজো অহা নাই এইকেইদিন । বাৰু এইবোৰ বাদ দিছো জান্টুৰ মুখৰ পৰা শুনিলি যেতিয়া মই আকৌ দুনাই নকলেও হ'ব । এতিয়া ভাবিছো তাইক আৰু প্ৰ'পজ নিদিওঁ।তাই মোৰ প্ৰস্তাৱ গ্ৰহণ কৰিব বুলি মোৰ মনে নকয়। একচুৱেলি তাই এনে বিধৰ ছোৱালীয়েই নহয় ।"

"তাৰ মানে তোৰ খেলা ইমানতেই সমাপ্ত ?" জয়ন্তই প্ৰশ্নবোধক দৃষ্টিয়ে মোৰ ফালে চাই ক'লে ।

"ঠিক সমাপ্ত নহয়, মই তাইক মনে মনে ভাল পায়েই থাকিম । তাইক কিন্তু এই কথা কোনোদিনেই জানিবলৈ নিদিওঁ ।"

"এয়া কিবা প্ৰেম হ'ল নেকি ? তোৰ দ্বাৰা আৰু একো নহব । তাতকৈ ভাই পঢ়াত লাগ ভালকৈ । আৰু মুখত কোনো দিনেই প্ৰণতিৰ নাম উচ্চাৰণ নকৰিবি । এয়া তোৰ প্ৰেম নহয় ।" জয়ন্তই ক'লে ।

"তেনেহলে কি ?" মই সুধিলো ।

"জাষ্ট এনজয়"

"ধুৰ, আচলতে তই প্ৰেম কি বুজিয়েই নাপাৱ । শুন প্ৰকৃত প্ৰেমহৃদয়ৰ পৰাহে নিগৰি আহে ।"

"হব হব এতিয়া প্ৰেমৰ বিষয়ে ডেছক্ৰাইব কৰিব নালাগে ।" এইবাৰ জান্টুৱে কৈ উঠিল ।

"পিছে তহঁতক আজি ইমান সোনকালে কলেজলৈ অহাৰ বাবে মই খুওৱ আচৰিত হৈছো ।" মই ক'লো।

"আচৰিতনো কিয় হ'ব লাগে ? তোৰ খবৰ লওঁ বুলিহে, আৰু তোকটো গম পাইছোৱেই আজি কালি খুওৱ সোনকালে আহ কলেজলৈ ।" জান্টুৱে কৈ উঠিল ।

"পিছে তহঁতক আজি ইমান সোনকালে কলেজলৈ অহাৰ বাবে মই খুওৱ আচৰিত হৈছো ।" মই ক'লো।

"আচৰিতনো কিয় হ'ব লাগে ? তোৰ খবৰ লওঁ বুলিহে, আৰু তোকটো গম পাইছোৱেই আজি কালি খুওৱ সোনকালে আহ কলেজলৈ ।" জান্টুৱে কৈ উঠিল ।

এসময়ত সিহঁত ক্লাছ কৰিবৰ গুছি গৈছিল । ময়ো দুটা ক্লাছ কৰি লাইব্ৰেৰীলৈ খোজ ল'লা ।

কিতাপ এখন উলিয়াবলৈ নাম্বাৰ এটা বিচাৰিবলৈ ধৰিলো বুকখনত । এনেতে লগত এজনী লৈ সোমাই আহিল প্ৰণতি ।

"এক্সকিউজ মি " - তাই মোৰ ফালে চাই ক'লে

" কওঁক"

"এইখন আছামিছ নাম্বাৰ বুক নেকি ?"

"ওঁ, আছামিছৰ, তুমি কিতাপ উলিৱাবা নেকি ?"

"ভাবিছো,

"কি কিতাপ ?"

"উপন্যাস ; দুখনমান ভাল উপন্যাসৰ নাম জানে নেকি ?"

"ভাৰাঘৰ পঢ়িছা ?"

" নাই পঢ়া"

"ভাল আছে",

"ৰাইটাৰ কোন ?"

"হিতেশ ডেকা"

"আৰু ?"

"অসমীত যাৰ হেৰাল সীমা' পঢ়িছা ?"

"নাই পঢ়া, ৰাইটাৰ ?"

"কাঞ্চন বৰুৱা, খুওৱ ভাল পঢ়িবলৈ।" - তাই আৰু একো নক'লে । কিতাপ দুখনৰ নাম্বাৰ দুটা বিচাৰি তাইক দিলো, তাই আগ্ৰহেৰে ললে । মইও দুখন কিতাপ উলিওৱাই লাইব্ৰেৰীৰ বাৰাণ্ডাত কিতাপৰ পৃষ্ঠাবোৰ এনেয়ে লুটিয়াই থাকিলো । কিছুসময়ৰ পাছতে তাইও ওলাই আহিল ।

"কিতাপ কেইখন পালেনে ?"

"ওঁ," তাই প্ৰত্যুত্তৰ জনাই খৰ-খেদাকৈ আঁতৰি গলগৈ । মই তাইক থৰ লাগি চাই থাকিলো । মনতে ভাবিলো 'প্ৰণতি তোমাক মই এদিন নহয় এদিন প্ৰ'পজ দিমেই ।' কিন্তু এয়া মোৰ ভবা কথাহে; বাস্তৱত একোৱেই কৰিব নোৱাৰিম ।

কিছু দেৰিৰ পিছত ময়ো গুছি আহিলো লাইব্ৰেৰীৰ পৰা । তাইৰ লগত দুই-এষাৰ কথা পাতিবলৈ পোৱাত মোৰ মনটো আজি ফৰকাল ফৰকাল লাগিছে । খোজ ল'লো ওপৰ মহলালৈ । এনেতে কাৰোবাৰ কথা কটা-কটি শুনি ৰূম এটালৈ চকু ফুৰালো । আৰে এয়া দেখোন প্ৰণতি, আৰু লৰাজন ? নাই লৰাজনকতো মই চিনি নাপাওঁ ---"

"প্লিজ প্লিজ প্ৰণতি মই তোমাক বহুত ভাল পাওঁ প্ৰণতি, বহুত ---" লৰাজনে চিঞৰি উঠিল ।

"হোৱাট ননচেঞ্চ তোমাক বাৰে বাৰে কব লাগে

নেকি ? মোৰ পচণ্ড অপচণ্ডৰ কথা আছে। মোৰ ভৱিষ্যতৰ কথা আছে। মোক জোৰ কৰি তোমাকভাল পাবলৈ তুমি কিয় ইমান উঠি-পৰি লাগিছা ? দৰকাৰ নাই নহয় তোমাৰ।" প্ৰণতিয়ে খঙত ফোপাবলৈ ধৰিলে।

"প্ৰণতি, তুমি ইমান নিষ্ঠুৰ ?"

"অঁ মই নিষ্ঠুৰ; কোনোবাই প্ৰপজ দিলেই ভাল পাব লাগে নেকি ? প্লিজ ডন্ট ডিষ্টাৰ্ব মি।"

"শুনা প্ৰণতি, মই তোমাৰ বাহিৰে আন কাকো ভাল পাব নোৱাৰিম। তুমি ইমান নিষ্ঠুৰ নহবা প্ৰণতি ---" লৰাজনে কিছু উত্তেজিত ভাবে ক'লে। প্ৰণতিয়ে আৰু একো নকলে, ঘপ্‌ঘপাই ওলাই আহিল ৰূমটোৰ পৰা। লৰাজনে আবেগেৰে চাই ৰ'ল তাই যোৱালৈ। ময়ো এখন্তেক চাই ৰ'লো। বেচেৰীৰ গাল দুখন খঙত তেনেই ৰঙা পৰি গৈছে। ময়ো আগবাঢ়িলো ক্লাছ ৰূমলৈ।

মনটো এইকেইদিন একেবাৰে ভাল লগা নাই। দুদিন ধৰি আজি কলেজো বন্ধ। দুপৰীয়া ভাতকেইটা খাই বিচনাতে পৰি আছো। মাও নাই, অলপ আগতে বেবীহঁতৰ ঘৰৰ ফালে ওলাই গৈছে। ভন্টি শ্ৰুতিয়ে তাইৰ ৰূমত সোমাই চিঞৰি চিঞৰি গান গায় আছে। দেউতাও ডিউটিলৈ গৈছে।

"শ্ৰুতি -- শ্ৰুতি" মই চিঞৰিলো।

"কি হল ?"

"মনে মনে থাকা" মই খঙত চিঞৰিলো।

"কিঁ হ'ল হা, কি হল ? নিজেতো গাবলৈ নাজানাই আৰু আনে গালেও খং কৰা নহয় ?" তাই কথাষাৰ কৈ মোৰ ওচৰ পালেহি।

"আৰে ভাই গোৱা, কিন্তু ইমান জোৰেৰে চিঞৰিবলৈ কিহে পাইছে ?"

"ভূতে ---" তাই ঠাট্টা কৰি ক'লে।

"এক চৰ দিম নহয় ---"

"কি এক চৰ ? আহা দিয়াহি।" তাই মোৰ ক্ৰিকেটৰ বেটডাল দাঙি ধৰি মোৰ ফালে চাই ক'লে।

"শ্ৰুতি, তুমি কিয় নুবুজা ? তুমিতো এতিয়া সৰু ছোৱালী হৈ থকা নাই। থোৱা বেটডাল।" মই খঙেৰে ক'লো। তাই বেটডাল থৈ এইবাৰ সত্ৰীয়া নৃত্য প্ৰদৰ্শন কৰাত লাগিল।

"তা-ধেই-ধেই - তা ---"

"শ্ৰুতি, - মোৰ হাঁহি উঠি গ'ল। মৰমেৰে তাইক মোৰ সাৱটি ল'বৰ মন গ'ল। মোৰ হাঁহি দেখি তাইৰ সাহস দুগুনে চৰিল।

"চোৱা দাদা, মই কিন্তু এইবাৰ শংকৰ জয়ন্তীত প্ৰথম স্থান পামেই, ধেই-তা-তা-ধেই ---"

"হব হব পাবা, এতিয়া অলপ মনে মনে থাকিবানে ?" মই গহীনাই ক'লো।

"কিয় ?" - তাই মুখ ওফন্দাই ক'লে।

"এইফালে আহাচোন ?" - তাই মোৰ কাষত ৰলহি। মই তাইৰ চুলিত হাত বুলাই দি ক'লো - "আবেলিকৈ নাচিবা, এতিয়া অলপ শুই লোৱাগৈ যোৱা।"

তাই মনে মনে গৈ ৰূমত সোমাল। মোৰহে মন মগজুত পুনৰ চিন্তাই আগুৰি ধৰিলে। কি কৰিম কি নকৰিম যেন লাগি আছে। চকু দুটা মুদি টোপনি যাবলৈ চেষ্টা কৰিলো।

হঠাতে শ্ৰুতিৰ হেঁচুকনিতহে সাৰ পালো।

"দাদা, জান্টুদা আহিছে" - শ্ৰুতিৰ কথাত একেজাপে বিচনাৰ পৰা উঠিলো।

"ঐ দীপু বলচোন অলপ আগৰ পৰা আহিম। সোনকালে ওলা। কুইক।" জান্টুৱে কথাষাৰ কৈ মোৰ ৰূম পালেহি।

"ক'ত ?"

"আৰে ভাই ওলাচোন সোনকালে।"

অনিচ্ছা স্বত্বেও মুখ হাত ধুই কাপোৰ পিন্ধি সাজু হ'লো,

"ব'ল" - বাইক খন লৈ দুয়ো ওলাই গ'লো। বাইক জান্টুৱেই চলাইছে। সি গন্তব্যস্থানলৈ আগবঢ়াই নিছে বাইকখন। সি ক'লৈ যাব সোধাৰ প্ৰয়োজনীয়তা অনুভৱ কৰা নাই মই। এসময়ত সি ৰূপজান তিনিআলিত ৰখালেগৈ বাইকখন।

"ইয়ালৈ কিয় আহিলো জান ?" সি বুকুফিন্দাই ক'লে।

"কিয় ?"

"তোৰ আৰু মোৰ দুয়োটোৰে লাভৰ বাবে আহিলো।"

"কেনেকৈ ?"

"অলপ পিছতে এইফালে প্ৰণতি আহিব আৰু তাৰ দহমিনিট মানৰ পিছতে অপৰ্না।"

"অপৰ্না ? কোন অপৰ্না ?"

"আৰে ভাই মোৰ নতুন চিনাকী"

"কি ? তাৰ মানে তই ---"

"ওঁ সেইটোৱেই, এতিয়া তই প্ৰণতি অহালৈ বাট চাই থাক। আজি কিন্তু তই প্ৰ'পজ দিবই লাগিব।"

"নাই মই নোৱাৰিম ভাই।"

"কিয় ? সৌজনী চা তাই আহিছে, কিন্তু লৰা জন কোন ?" ময়ো অবাক লাগি চাই থাকিলো। সিহঁত প্ৰায় আমাৰ ওচৰত পালেহি। দুয়ো বহু অন্তৰংগতাৰে কথা পাতি আহিছে। সেই লৰাজন তাইৰ প্ৰেমিক ---। মোৰ খঙে চুলিৰ আগ পালেগৈ। এতিয়াই গৈ লৰাজনক উধাই-মুধাই ঘুচিয়াম যেন লাগিল। সিহঁত ইতিমধ্যে পাৰ হৈ গ'ল।

"চাল্লা বেইমান তই মোক এইবোৰ দেখুৱাবলৈয়ে ইয়ালৈ লৈ আনিছিলি ?" মই খঙত জান্টুক ক'লো।

"ৰচোন ৰ সি তাইৰ আত্মীয়ও তো হব পাৰে।" জান্টুৱে মোক সান্তনা দি কলে।

"কি কলি আত্মীয় ? ইমান অন্তৰংগতাৰে কথা পাতি যোৱাৰ পাছতো ---, আত্মীয় ? নাই মই ইয়াত এক মুহূৰ্তও থাকিব নোখোজো। তই থাক যদি থাক মই যাওঁগৈ।"

"আৰে ৰ'না ---"

"উঠ উঠ সোনকালে।" - মই ইতিমধ্যে বাইক ষ্টাৰ্ট

দিলোঁৱেই । উপায় নাপায় সি পিছফালে বহি পৰিল । প্ৰচণ্ড বেগত বাইক আগবঢ়াই নিলো । জান্টুক সিহঁতৰ পদূলিতে নমাই ঘৰ পালোগৈ । বাইক বাৰাণ্ডাত ষ্টেণ্ড কৰি মোৰ ৰুমলৈ সোমাই গ'লো । মাই মোৰ আলনাৰ কাপোৰ কানিবোৰ ঠিক-ঠাক কৰাত ব্যস্ত । মই বিচনাখনতে বাগৰি দিলো ।

"ক'ত গৈছিলা ?" মাৰ প্ৰশ্নত কিছু স্তব্ধ হ'লো ।

"ফুৰিবলৈ"

"ইমান সোনকালে আহিলা যে ?"

"কিয় ? আহিব নাপায় নেকি ?"

"সেইবুলি কোৱা নাই, অইন দিনা ওলাই গলে দুই তিনিঘন্টাৰ আগতেতো আহি নোপোৱাহি।"

"আজি মন গ'ল সোনকালে আহিবলৈ, আহিলো । মা, দিয়কনা চাহ একাপ ।"

"ৰবা, নিজৰ কাপোৰ-কানি কেইটাও ভালদৰে ৰাখিব নাজানা ।" মাই ভোৰভোৰালে । মই একো নকলো । প্ৰণতিলৈ বাৰে বাৰে মনত পৰিছে, আৰু সেই লৰাজন ? কোন বাৰু সেইজন ? নিশ্চয় তাইৰ প্ৰেমিকেই হ'ব । চাল্লা বেইমান, তাক মই শেষ কৰি দিম । তাই মোকেই ভাল পাব লাগিব । তাই অন্য কাৰোবাক ভাল পাব ? নাই এয়া কেতিয়াও হব নোৱাৰে । তাইক মই কলেজ খুলিলেই কৈ দিম মই তাইক ভাল পাওঁ বুলি । কিন্তু, কিন্তু জোৰ কৰি জানো ভাল পাব পাৰি ? তাইৰোতো ভৱিষ্যত আছে !!

কেইবাদিনৰ মূৰত আজি ওলাই আহিছো কলেজলৈ । হাজাৰ বুজাব গৈয়ো বুজাব পৰা নাই মনটোক । কি যে হৈ গৈছে দিনে দিনে মনটো । আগতে নোখোৱা নিচাযুক্ত দ্ৰব্য কোনো এটাই বাদ পৰা নাই । কৰবাত ঘুমটি এখন পালেই উন্মাদৰ দৰে চিগাৰেট হোপাত ব্যস্ত হওঁ । নাই, আৰু একোতেই মন বহুৱাব নোৱাৰি । এই কিতাপবোৰ ? দলিয়াই দিবলৈ মন যায় কেতিয়াবা । মই অলপ শান্তি বিচাৰিছো, এৰা শান্তি ।

খিৰিকীৰে দূৰৈৰ পথাৰখনলৈ চাই পঠিয়ালো । শূন্য আজি পথাৰ । আঘোণৰ সোণালী ধানেৰে উপচি পৰা নাই পথাৰখন । তাত আজি নিৰানন্দ কোলাহলে গ্ৰাহ কৰি পেলাইছে । আনন্দৰ ঢৌবোৰ যেন সংঘাতৰ এজাক ধুমুহাই উৰুৱাই লৈ গ'ল কৰবালৈ ।

"দাদা চাহ ---" শ্ৰুতিয়ে চাহ কাপ দি গল ।

চাহ কাপ খাই বাৰণ্ডাৰ চকীখনতে বহি পৰিলো । মাও আহি মুঢ়া এটাত বহিল । অলপপৰ পিছতে দেউতাও আহি পাবহি । জান্টুৰে ছাগে মোক বেয়াই পালে, বেচেৰাৰ অৰ্পনা চোৱাই নহল । দুয়োৰে লাভৰ কথা কওঁতে লোকচানহে হ'ল ।

সূৰ্য্য পশ্চিম দিগন্তত ডুব যাওঁ যাওঁ । পৃথিবীৰ বুকুলৈ ক্ৰমে আন্ধাৰৰ টুকুৰা নামি আহিছে । নন্দিনীহঁতৰ ডেকটোৰ বক্সকেইটাৰ পৰা ভাঁহি আহিছে জুবিনৰ সুৰীদী কন্ঠত "মুৰ্দ্ধ হিয়া মোৰ কোনে চুই যায় ---" গীতটো । আজিৰ এই পৰিবেশটো মোৰ অকণো ভাল লগা নাই । বাৰে বাৰে প্ৰণতিৰ কথাহে আহিব ধৰিছে মনত । নাই, তাইক আৰু প্ৰ'পজ নকৰো । তাই তাক লৈয়ে কৰি থাকক প্ৰেম । মই মাজতে সোমাই সিহঁতৰ ভালপোৱা আদায় কৰিবলৈ নাযাওঁ । যদি তাইৰ মৰম আদায় কৰিবলৈ যাও, তেন্তে কিমান যে মই স্বাৰ্থপৰ হম ।

"দীপু বজাৰলৈ গৈ আহা ।" মাই পিছফালৰ পৰা ক'লে ।

"কিয় ?"

"শাক-চাক একোৱেই নাই । আৰু শুনা ভাল চাই বৌমাছ আধাকেজি আনিবা ।" মাই পুনৰ ক'লে ।

বজাৰ সমাৰ কৰি পুনৰ সোমালোহি ঘৰত । পঢ়িবৰতো মনেই নাই । গতিকে টি. ভি. টোকে খুলি ল'লো । মোক দেখি শ্ৰুতিও বহিলহি টি.ভি.ৰ সম্মুখত ।

"শ্ৰুতি তুমি যোৱা পঢ়াগৈ ।" মই ক'লো

"আৰু তুমি ?"

"কিয় মই নপঢ়িলে পঢ়িব নালাগে নেকি ?"

"অঁতো",

"শ্ৰুতি তুমি মোৰ কথা একেবাৰে নুশুনা হৈছা, এদিন মান এনেকুৱাকৈ পিতিম নহয় ---" মই খঙেৰে ক'লো ।

"আৰু মই কি চাই থাকিম, মা, মা ---" - তাই চিঞৰি উঠিল ।

"কি হল ?

"চোৱা মা, দাদাই খালি মোক পিতিম কৈ থাকে ।" তাই কন্দনামুৱা হৈ কৈ উঠিল ।

মই একো নকৈ নিজৰ ৰুমত সোমালোগৈ ।

কেইবাদিনৰ মূৰত আজি ওলাই আহিছো কলেজলৈ । হাজাৰ বুজাব গৈয়ো বুজাব পৰা নাই মনটোক । কি যে হৈ গৈছে দিনে দিনে মনটো । আগতে নোখোৱা নিচাযুক্ত দ্ৰব্য কোনো এটাই বাদ পৰা নাই । কৰবাত ঘুমটি এখন পালেই উন্মাদৰ দৰে চিগাৰেট হোপাত ব্যস্ত হওঁ । নাই, আৰু একোতেই মন বহুৱাব নোৱাৰি । এই কিতাপবোৰ ? দলিয়াই দিবলৈ মন যায় কেতিয়াবা । মই অলপ শান্তি বিচাৰিছো, এৰা শান্তি ।

পঢ়া আৰু কি ? ৰাতিপুৱাই ওলাই আহিছো মেজৰ ক্লাছ কেইটা কৰিবলৈ । ক্লাছত গুৰুত্ব দিওঁ-নিদিওঁ মোৰ কথা । চিগাৰেট এটা খোৱাৰ বৰকৈ প্ৰয়োজন অনুভৱ কৰিছো । ৰামুদাৰ ঘুমটিখনৰ ফালে আগবাঢ়িলো ।

"ৰামুদা দিয়ক চিগাৰেট এটা ।"

"তোৰ কি হৈছে অ দীপু ?" ৰামুদাই আচৰিত হৈ কলে ।

"হ'বলৈ আৰু কিটো আছে ? একো হোৱা নাই ।"

"নহয় দীপু, তোৰ কিবা হৈছে । আগতে তইতো কোনোদিনাই চিগাৰেটৰ নাম নলৈছিলি ।"

"ছে: দিয়ক না দেৰি হৈছে মোৰ । কি যে আল্টু ফাল্টুবোৰ বকি আছে ।"

"চা দীপু আজিয়েই তোক যি চিগাৰেট দিলো, আৰু দ্বিতীয় এদিন তই মোৰ ওচৰত চিগাৰেট বিচাৰি নাহিবি ।"

"কিয় ?"

"কিয় বুলি প্ৰশ্ন কৰিছ ? তোক মই তোৰ ভালৰ বাবেহে কৈছো দীপু । তই আগতে মোৰ ওচৰত চিগাৰেট বিচাৰি অহা নাছিলি, আহিছিলি চকলেট নতুবা ভজা চানা বিচাৰি ।"

"একো ডাঙৰ কথা নহয় ৰামুদা, চকলেটৰ পৰা চিগাৰেটলৈ প্ৰমোচন, হা-হা---"

মই হাঁহি চিগাৰেটটো জ্বলালো । ৰামুদাই মোক সজল চাৱনিৰে ভে বা লাগি চাই থাকিল । মনত মোৰ শোকে খুন্দা মাৰি ধৰিছে যদিও মই সহজ হ'বলৈ চেষ্টা কৰিছো । কোনে জানে মই আজি কিয় ইমান উদণ্ড হৈ পৰিছো । কোনে ভাবিব মোৰ হৃদয়ত যে এজাক বিষাদৰ বতাহ অনবৰতে বলি আছে ? ৰামুদাৰ চকুলৈ মোৰ চোৱাৰ আৰু সাহস নহল । দুচকুৰে দুধাৰি তপত চকুলো বৈ আহিল মোৰ । এৰা সি মোৰ ভালৰ বাবেহে কৈছে ।

"মই আপোনাৰ কথা ৰাখিব নোৱাৰিম ৰামুদা ।" মোৰ মাতটো থোকা-থুকি হৈ পৰিল । চিগাৰেটটো জোৰেৰে এবাৰ টান মাৰি বেগেৰে গুচি আহিলো ৰামুদাৰ কাষৰ পৰা ।

"হেই দীপু ৰবা"

"অ বৰ্ণালী, অহা ক্লাছলৈ বেছিপৰ নায়েই ।"

"কিয়নো ইমান লৰা-লৰি ? এতিয়াও দহ মিনিট বাকী ।" তাই কথাষাৰ কৈ মোৰ ওচৰ পালেহি ।

"কেনে পঢ়া-শুনা ?" মই সুধিলো ।

"শূন্য, তোমাৰ ?"

"শূন্য"

"বাৰু দীপু চিগাৰেট খাবলৈ কেতিয়া শিকিলা ?"

"আৰে শিকিবলৈ লাগে নেকি ? এয়া চোৱা ।" মই জোৰেৰে এবাৰ টান মাৰি ওপৰলৈ ধোৱাঁবোৰ শূন্যতে একোটাকৈ ৰিং বনাই দেখুৱালো ।

"ইছ মই বৰ বেয়া পাওঁ ।" তাই থাপা মাৰি চিগাৰেটটো দূৰলৈ দলিয়াই দিলে ।

"ইছ ৰাম, তুমি দলিয়াই দিবলৈ নালাগিছিল । এতিয়াওঁ দুটান মাৰিবলৈ পালোহেঁতেন ।"

"তোমাৰ হৈছে কি দীপু ? তোমাকতো মই আগতে কেতিয়াও চিগাৰেট খোৱা দেখা নাই ।"

"একো হোৱানাই, চিগাৰেট খালে মনটো বহুত শান্তি লাগে জানা বৰ্ণালী ।"

"কি কলা শান্তি ? চিগাৰেটক কিবা শান্তিৰ প্ৰতীক বুলি ভাবা নেকি ? চোৱা দীপু, চিগাৰেটখালে শান্তি নাহে, বৰং অশান্তিহে বাঢ়িব । তোমাক মোৰ ভাল বন্ধু বুলিহে কৈছো দীপু । তোমাৰ অহিত চিন্তা মই কেতিয়াও নকৰো ।" তাই ফৰফৰায় কৈ পেলালে কথা কেইটা ।

**কেতিয়া কলেজ পালোগৈ গমেই নাপালো । বৰ্ণালীৰ তলৰ মহলাতে ক্লাছ থকাৰ কাৰণে তাই তলৰ ৰূম এটাতে সোমাই পৰিল । মই ওপৰ মহলালৈ আগবাঢ়িলো । আকৌ প্ৰণতিলৈ মোৰ মনত পৰিবলৈ ধৰিলে । নাই তাইক আৰু এতিয়া চাই লাভ নাই । তাই ইতিমধ্যে প্ৰেমিক এজন বিচাৰি লৈছে ।**

"ঐ শুন শুন দীপু, সেইদিনা প্ৰণতিৰ লগত অহা লৰাজন প্ৰণতিৰ মাহীয়েকৰহে লৰা আছিল ।" জান্টুৱে মোক হাত এখনত খামোছ মাৰি ধৰি ক'লে ।

"সঁচা জান্টু ?"

"অঁ একদম সঁচা, মই কালি তাইক ৰূপজান তিনিআলিত লগ পাওঁতে সুধিছিলো । বোলে সি যোৰহাটৰ প্ৰণতিৰ নিজৰ মাহীয়েকৰ লৰা ।"

"আই এম ভেৰি হেপ্পী জান্টু, আই লাভ ইউ প্ৰণতি, আই লাভ ইউ ---" মই জোৰেৰে চিঞৰিদিলো । ৰূমটোৰ ওৱালত ঠেকা খাই শব্দকেইটা বাৰে বাৰে উচ্চাৰিত হ'ল । দূৱাৰ মুখৰ পৰা ফণীয়ে মোক অবাক লাগি চাই থাকিল ।

"কি হ'ল ফণী অবাক হ'লা দেখোন ?" মই কলো ।

"তই পাগল হ'লি নেকি দীপু ?" ওলোটাই সুধিলে সি ।

"আৰে ভাই, তই কি বুজিবি মোৰ লীলা..."

"তই কিন্তু আজি কবই লাগিব তাইক ভাল পাওঁ বুলি । মেজৰ ক্লাছ এটা কৰি তাইক লগ কৰিলৈ যাম । তাই তলৰ মহলাৰ দুই নম্বৰ ৰূমতে প্ৰায় থাকে ।" জান্টুৱে ক'লে ।

"বাৰু ঠিক আছে ।" মই ক'লো ।

"এতিয়া মই যাওঁ । ক্লাছ শেষ হ'লে তোৰ ওচৰলৈ আহিম ।" জান্টুৱে কথাষাৰ কৈ আঁতৰি গ'ল ।

"মানে দীপু তয়ো তাৰমানে প্ৰেমত পৰিছ ? মোক বৰ ফুটনি মাৰিছিলি নহয় । এতিয়া পাইছ মজাতো ।" ফণীয়ে ক'লে ।

"তোৰটো কি হ'ল ?"

"কি হব আৰু, যাক প্ৰ'পজ দিম বুলি ভাবিছিলো তাই দেখিছো এজনৰ লগত টেগুাৰ মাৰিয়ে আছে । গতিকে বাদেহদিলো ।" সি দুখেৰে ক'লে । মইও পুনৰ একো নকলো । মনটো হঠাতে বৰ ফূৰ্তি লাগিছে । তাইক আজি কথাতো কবই লাগিব ।

মেজৰ ক্লাছ এটা কৰি মই তলৰ মহলা পালোগৈ জান্টুও মোৰ লগ লাগিল। দুই নম্বৰ ৰূমটোৰ খিৰিকীৰ ফাকেৰে ভুমুকি চালো । ঠিকেই তাই আপোন মনে বহি আছে । কাষত আৰু দুজনী ছোৱালীৰে কথা পাতি আছে । তাইক দেখাৰ লগে লগে মোৰ বুকুৰ ধপ্‌ধপনি বাঢ়িবলৈ ধৰিলে । জান্টুৰ আদেশ মতে মই কৰিড'ৰত থিয় হৈ থাকিলো । অলপপৰ পিছতে প্ৰণতিক লগত লৈ সি মোৰ ওচৰ পালেহি ।

"প্ৰণতি. এয়া মোৰ বেষ্ট ফ্ৰেইণ্ড দীপু ।" জান্টুৱে ক'লে ।

"অ নমস্কাৰ মই প্ৰণতি ।" তাই মোলৈ সোঁহাতখন আগবঢ়াই দিলে ময়ো আগবঢ়াই দিলো ।

"তোমাক এদিন লাইব্ৰেৰীত লগ পাইছিলো নহয় জানো ?"

"ওঁ ঠিকেই ।"

"খুওঁৰ ভাল লাগিলে কিতাপকেইখন পঢ়ি ।"

"ঐ তহঁতে কথা পাতচোন মই ওপৰত বস্তু এটা এৰি আহিলো ।" কথাষাৰ কৈ সি লৰ দিলে ।

"কিছুসময় নিস্তব্ধতা । কাৰো মুখত মাত নাই । মই সাহস গোটাই ক'লো - "প্ৰণতি ?"

"হুঁ",

"মই তোমাক কথা এটা কওঁ বেয়া পাবা নেকি ?

"কি কথা ?"

"মই তোমাক ভাল পাওঁ প্ৰণতি, মই তোমাক

"ঠাছ ---"

খঙত তাই মোৰ বাওঁগালত এটা প্ৰচণ্ড চৰ বহুৱাই দিলে । চৰটোৰ বাবে মই মুঠেই প্ৰস্তুত নাছিলো । অবাক হৈ মই তাইক চাই থাকিলো ।

"ইউ ষ্টুপিড, লাজ নাই প্ৰথম চিনাকীতে প্ৰ'পজেল দিবলৈ ? মই জানিছিলোৱেই তুমি মোৰ পিছ লৈ আছা বুলি । ইডিয়ট ।"

এৰা মই বনৰীয়া ফুলহে আছিলো । আৰু পোন্ধৰ ছেকেণ্ড মানৰ পিছতে মই এই পৃথিৱী ত্যাগ কৰিম । ট্ৰাকখন ওচৰ পোৱাৰ লগে লগে মই জপিয়াই পৰিম আগত । মোৰ গাৰ ওপৰেদি পাৰ হৈ যাব ট্ৰাকখন । ঘটনাতো যেন মই মনতে কল্পনা কৰি পেলালো । যেন মই জপিয়াই পৰিছো ।

"দীপু ---" কোনো নাৰীৰ চিঞৰ এটা মোৰ কাণত পৰিল ।

"দীপু -- দী--পু, আই - লাভ - ইউ দীপু, আই লাভ ইউ ---। এয়া তুমি কি কৰিলা দীপু, দীপু --।" তাই কান্দি উঠিল । মোৰ মুখেৰে কেকনি এটা বাহিৰ হৈ আহিছে । হয়তো মোৰ ৰঙা তেজেৰে এখন আচিন নৈ বৈ গৈছে প্ৰধান পথটোৰেদি ।

"তুমি মোক ক্ষমা কৰি দিয়া দীপু, মোক ক্ষমা কৰি দিয়া, মোৰ ভুল হৈছিল দীপু, মোৰ ভুল হৈছিল --" তাই পাগলীৰ দৰে চিঞৰি চিঞৰি মোৰ কাষতে আঠুকাঢ়ি বহিল ।

"তু--তু--মি হ-জ-ৰত ম-হ-ম্মদৰ দ--ৰে কথা কৈ-ছা প্ৰণ-তি ভুল ক-ৰি-ছো মই আ-আ-ৰু ক্ষমা খুজি-ছা তুমি ।" মই কেকাই কেকাই ক'লো ।

**মেজৰ ক্লাছ এটা কৰি মই তলৰ মহলা পালোগৈ জান্টুও মোৰ লগ লাগিল। দুই নম্বৰ ৰুমটোৰ খিৰিকীৰ ফাকেৰে ভুমুকি চালো । ঠিকেই তাই আপোন মনে বহি আছে । কাষত আৰু দুজনী ছোৱালীৰে কথা পাতি আছে । তাইক দেখাৰ লগে লগে মোৰ বুকুৰ ধপ্‌ধপনি বাঢ়িবলৈ ধৰিলে । জান্টুৰ আদেশ মতে মই কৰিড'ৰত থিয় হৈ থাকিলো । অলপপৰ পিছতে প্ৰণতিক লগত লৈ সি মোৰ ওচৰ পালেহি ।**

"প্ৰণতি তুমি যিয়েই নোকোৱা কিয় ? মই তোমাক বহুত ভাল পাওঁ প্ৰণতি, বহুত ---।"

"চতাপ, আই চে গেট আউট ---"মই এক মুহূৰ্তও তাত ৰৈ থাকিব নোৱাৰিলো । খৰ-খোজেৰে আগবাঢ়িলো প্ৰধান পথটোলৈ ।

"দীপু , শুন দীপু ---" জান্টুৱে পিছফালৰ পৰা চিঞৰা স্বত্বেও মই ঘূৰি নাচালো । প্ৰধান পথটোৰ কাষ পালোগৈ মই । সেইসময়ত গাড়ীৰো কোনো আহ-যাহ নাই । বিষাদে ভৰি পৰিল হৃদয় মোৰ । ইমান লাজ, তাৰোপৰি এটা প্ৰচণ্ড চৰ । লাভ নাই চাল্লা জীয়াই থাকি । পূৱফালৰ পৰা ট্ৰাক এখন আহিথকা মোৰ বিনি-ৰিণি চকুত পৰিল । নাই আজি গাড়ীৰ আগত পৰিয়েই মই মৃত্যুৰ শীতল কোলাত শুই পৰিম । ভাল নাপাওঁ আৰু কাকো, চিৰ দিনৰ বাবে গুছি যাম এখন অচিন পৃথিৱীলৈ । যত নাথাকিব হিংসা, দ্বেষ, কপটতা । গাড়ীখন মোৰ ভালকৈয়ে ইতিমধ্যে দৃষ্টিগোচৰ হ'ল । যতীন্দ্ৰ নাথ দুৱৰাৰ কবিতা এটিলৈ মনত পৰি গল মোৰ -

"কোনোয়েবা চুই যায়, কোনোৱে দূৰতে মোৰ -
চেনেহ কণিকা বুলি কৰোঁ তাকে ভুল,
সময় আতঁৰি গলে দিঠকে জনাই দিয়ে
বাটৰ কাষৰ মই বনৰীয়া ফুল ।"

"নহয় নহয় দীপু, ভুল মোৰ হৈছিল দীপু, ভুল মোৰ হৈছিল । তুমি মোক ক্ষমা কৰি দিব লাগিব দীপু, দীপু ---, তই চিঞৰিয়েই থাকিল ।

"প্ৰ-ণ-তি, তুমি চি-ন্তা ন-কৰিবা প্ৰ-ণ-তি"

"দীপু - দীপু --- আই লাভ ইউ দীপু, আই লাভ ইউ ---" কান্দি কান্দি তাই এসময়ত মোৰ দেহত অজ্ঞান হৈ ঢলি পৰিল ।

মোৰ মাততো ক্ৰমে ক্ষীণ হৈ আহিল । চকু দুটাও ক্ৰমান্বয়ে মুদ খাই আহিল, আৰু একো নুশুনিলো, নেদেখিলো । মাথোন চকু দুটা মুদি কৈ উঠিলো - "আই লাভ ইউ প্ৰণতি, আই লাভ ইউ ---।"

"দীপু !" - কাৰোবাৰ মাতত মই সম্বিত ঘূৰাই পালো । ঘূৰি চাই দেখো - জান্টু আৰু প্ৰণতি । দুয়োৰে চকুত পানী । এৰা, ট্ৰাকখনো দেখোন পাৰ হৈ গল। অজানিতে সোঁ হাতখন মোৰ মুখলৈ উঠিগল। মোৰ গাল দুখন দেখোন লোতকেৰে সিক্ত !! ❑

(মৰমেৰে বন্ধু জান্টু, জয়ন্ত আৰু বান্ধৱী বৰ্ণালী, মাম্পীআৰু ভন্টি চাহনাজ বেগমৰ হাতত -- লেখক)

# আমাৰ প্ৰশ্ন আপোনাৰ উত্তৰ

| | | |
|---|---|---|
| প্ৰশ্নকৰ্তা | : | সম্পাদনা সমিতি |
| উত্তৰ দিওঁতা | : | ডিগবৈ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী |

## প্ৰশ্ন সমূহ

১) বৰ্তমান ছাত্ৰ-ছাত্ৰী সকলৰ উশৃংখলতাৰ মূল কাৰণ সমূহ কি কি ? এই উশৃংখলতা নিৰ্মূল কৰিবৰ বাবে তুমি কি পৰামৰ্শ আগবঢ়াবা ?
(What are the main causes behind the unruliness of Students at present ? What suggestions would you offer to unroot it ?

২) ছাত্ৰ-ছাত্ৰীৰ প্ৰতিভা বিকাশত এখন মহাবিদ্যালয়ে কেনেধৰণৰ ভূমিকা ল'ব পাৰে বুলি তুমি ভাবা ?
(What role, according to you, can a college play to promote the talents of students ? )

## উত্তৰ সমূহ

### মুকুট চন্দ্ৰ শৰ্মা

স্নাতক তৃতীয় বৰ্ষ

১) যুৱ উশৃংখলতা বৰ্তমান সমাজ জীৱনৰ সম্মুখত এক ভয়াবহ প্ৰত্যাহ্বান । আজিৰ ডেকাসকলৰ মাজত দেখা দিয়া নিচাসক্তি, নিম্ন ৰুচিবোধ, সংস্কৃতিৰ নামত নগ্নতাৰ প্ৰচাৰ আদি বিষয়বোৰ এখন ভদ্ৰ সমাজৰ প্ৰতি ভাবুকি যিয়ে বিদ্যালয়, মহাবিদ্যালয়, বিশ্ববিদ্যালয় আদি সকলো পৰ্য্যায়ৰ ছাত্ৰ-ছাত্ৰীৰ ওপৰত মাৰাত্মক ভাৱে প্ৰভাৱ বিস্তাৰ কৰিছে । প্ৰধানত: বস্তুবাদী ভাবধাৰাই যুবচামক বেচকৈ ভোগবাদী মনোবৃত্তি গ্ৰহণ কৰাত উৎসাহ যোগাব লাগিছে, তদুপৰি সন্ত্ৰাসবাদৰ প্ৰভাৱত যুবচামৰ মাজত নিচাযুক্ত সামগ্ৰীৰ প্ৰচলন মাত্ৰাধিক হাৰত বৃদ্ধি পাইছে । যুব উশৃংখলতাৰ বাবে নগ্ন / অৰ্ধনগ্ন বিজ্ঞাপন, কৰ্মসংস্থাপনৰ অভাৱ, দৰিদ্ৰতা আদিও কম দায়ী নহয় ।

যুৱ সমাজক এডাল অদৃশ্য জৰীৰে নাকী লগাব পাৰিব লাগিব, সেইডাল হ'ল মাৰ্জিত ৰুচিবোধ । শৃংখলাবদ্ধ জীৱন যাপন কৰিবৰ বাবে সবল নেতৃত্বৰ প্ৰয়োজন যিয়ে যুবচামৰ বিকৃত ৰুচিবোধৰ পৰিবৰ্তন আনিব পাৰিব । ইয়াৰ বাবে বলিষ্ঠ ছাত্ৰ আন্দোলনেই যথেষ্ট ।

২) ছাত্ৰ-ছাত্ৰীৰ প্ৰতিভা বিকাশত এখন মহাবিদ্যালয়ে গুৰুত্বপূৰ্ণ ভূমিকা ল'ব পাৰে । উদাহৰণ স্বৰূপে মহাবিদ্যালয় আলোচনীয়ে ছাত্ৰ-ছাত্ৰীসকলৰ প্ৰতিভা বিকাশত প্ৰভূত অৱদান আগবঢ়ায় । মহাবিদ্যালয় আলোচনীৰ উদ্দেশ্য সাহিত্যিকৰ অভিষেক ঘটোৱা নহয়, বৰং সাহিত্যিকৰ জন্ম দিয়া । প্ৰতিভাধৰ ছাত্ৰ-ছাত্ৰীৰ বৌদ্ধিক জগতখনত ভূমুকি মাৰি তাৰ গভীৰতাৰ উমান দিয়াটো এনে আলোচনীৰ প্ৰধানতম দায়িত্ব । এই আলোচনী সমূহে ছাত্ৰ-ছাত্ৰীসকলক মাৰ্জিত ৰুচিসম্পন্ন লেখাসমূহত উদ্‌গনি যোগাই আহিছে । সাধাৰণতে একোটি লেখনিৰ মাজেৰে একোজন ব্যক্তিৰ ব্যক্তিত্ব জিলিকি উঠে, আৰু সাহিত্য সাধনাৰ যোগেৰে তেওঁৰ ব্যক্তিত্ব এজন সাধাৰন পঢ়ুৱৈৰ ওপৰত ক্ৰিয়াশীল হ'ব পাৰে । গতিকে সুস্থ মানসিকতা আৰু সবল ব্যক্তিত্ব গঢ়াত মহাবিদ্যালয় এখনে ছাত্ৰ-ছাত্ৰীসকলৰ ওপৰত অপৰিসীম প্ৰভাৱ পেলাব পাৰে । □

### নিৰ্জু বৰুৱা

স্নাতক দ্বিতীয় বৰ্ষ

১) বৰ্তমান ছাত্ৰ-ছাত্ৰী সকলৰ উশৃংখলতাৰ মূলতে হৈছে আমাৰ তথাকথিত আধুনিক সমাজখন। যিহেতু ছাত্ৰ সমাজ বৃহৎ সমাজখনৰেই অংশ সেই সমাজৰ পৰিবেশৰ পৰা যি পোৱা যায়, তেওঁলোকৰ কথা আৰু কাৰ্য্যত তাৰেই বহি:প্ৰকাশ ঘটে । গতিকে ছাত্ৰ-ছাত্ৰীসকলৰ উশৃংখলতাৰ মূল কাৰণসমূহ হ'ল -

ক) ত্ৰুটিপূৰ্ণ শিক্ষা-ব্যৱস্থা ছাত্ৰ-ছাত্ৰী উশৃংখল হোৱাৰ মূল কাৰণ । কিয়নো প্ৰচলিত শিক্ষা ব্যৱস্থাই ছাত্ৰ-ছাত্ৰীক প্ৰকৃত পথ দেখুওৱাত ব্যৰ্থ। গতিকে তেনে শিক্ষাৰে শিক্ষিত হৈ ছাত্ৰ-ছাত্ৰীসকলৰ ভৱিষ্যতৰ সোণালী সপোন কেতিয়াও বাস্তৱত ৰূপায়িত হব নোৱাৰে । চামে চামে কৰ্মবিমুখ যুৱক-যুৱতী সমাজত সৃষ্টি হৈ সমাজ জীৱনত ভয়াবহতাৰ সৃষ্টি কৰিছে ।

খ) বৰ্ত্তমান সমাজত আদৰ্শবাদৰ ঠাইত বস্তুবাদৰ ওপৰতহে অধিক গুৰুত্ব দিয়া দেখা গৈছে । ফলত ছাত্ৰ-ছাত্ৰীসকল 'Easy money' ৰ প্ৰতি আকৰ্ষিত হৈ পথভ্ৰষ্ট হৈ পৰিছে ।

গ) অভিভাৱকৰ অসচেতনতাও ছাত্ৰ-ছাত্ৰীসকলৰ উশৃংখলতাৰ এটা কাৰণ। অভিভাৱক আৰু অনুপ্ৰেৰনাৰ উৎস স্বৰূপ শিক্ষকসকল আৰু ছাত্ৰ-ছাত্ৰীৰ মাজৰ আগৰ অতীতৰ মধুৰ সম্বন্ধ, শ্ৰদ্ধা, মানৱীয় অনুভূতিৰ অভাৱে উশৃংখল ছাত্ৰ-ছাত্ৰীৰ জন্ম দিছে ।

ঘ) তথাকথিত ব্যক্তিকেন্দ্ৰিক বাতাবৰণত কুটিল ৰাজনীতিৰ পাকচক্ৰত ছাত্ৰ-ছাত্ৰীসকল উশৃংখল হৈ পৰিছে । বৰ্ত্তমান মহাবিদ্যালয়, বিশ্ববিদ্যালয় ছাত্ৰ একতা সভা নিৰ্বাচন ছাত্ৰ-ছাত্ৰীয়ে একো একোটা ৰাজনৈতিক দল মনোনীত কৰি এক স্বাৰ্থান্বেষী শক্তিশালী প্ৰতিদ্বন্দিতা কৰা দেখা গৈছে । গতিকে এনে ভ্ৰষ্টাচাৰী ৰাজনৈতিক বাতাবৰনত ছাত্ৰ-ছাত্ৰীসকল উশৃংখল হৈ পৰিছে ।

ছাত্ৰ শক্তি বৃহৎ শক্তি । দেশৰ ছাত্ৰ-ছাত্ৰীসকলৰ নৈতিকতা, কৰ্তব্যজ্ঞান থাকিলেহে এখন আদৰ্শনিষ্ঠ, সুসংগঠিত দেশ আৰু জাতিৰ উত্তৰণ হয় । গতিকে উশৃংখলতা নিৰ্মূল কৰিবৰ বাবে লাগিব সমাজৰ প্ৰতিজন সমাজ সচেতন

ব্যক্তি, অভিভাৱক আৰু শিক্ষকৰ ধৈৰ্য্য, সাহস আৰু ঐকান্তিক প্ৰচেষ্টা। আমাৰ সমাজখনেও ছাত্ৰ সমাজক বুজিবলৈ চেষ্টা কৰিলেহে উশৃংখলতা বোধ কৰি সমাজখনলৈ সুস্থ সামাজিক, অৰ্থনৈতিক, সাংস্কৃতিক বাতাবৰণ ঘূৰাই আনিব পৰা যাব।

২) মহাবিদ্যালয়খনেই হৈছে ছাত্ৰ-ছাত্ৰীৰ জ্ঞানৰ সাগৰ, বিদ্যাৰ মন্দিৰ। গতিকে মহাবিদ্যালয় একোখনৰ মৌলিক চৰিত্ৰ ৰক্ষনাবেক্ষনৰ এক গুৰু দায়িত্ব ছাত্ৰ সমাজে বহন কৰে। মহাবিদ্যালয় একোখনত বৌদ্ধিক কছৰতৰ বাবে কিছুমান আলোচনা বিলোচনা, আৰু সাহিত্য আলোচনাৰ বাবে এটা সুচল পৰিবেশ সৃষ্টি কৰি ছাত্ৰ-ছাত্ৰীসকলৰ প্ৰতিভা বিকাশত যথেষ্ট সহায় কৰিব পাৰি। কিয়নো প্ৰকৃত মানসিক বিকাশমুখী শিক্ষাৰ প্ৰসাৰৰ ফলত ছাত্ৰ-ছাত্ৰীসকলে উপলব্ধি কৰিবলৈ সক্ষম হব যে শিক্ষাৰ প্ৰসাৰনৰ প্ৰয়োজন যাতে মানসিক বিকাশ তথা বৌদ্ধিক বিকাশ সাধন হ'ব পাৰে। □

**কমল কছাৰী**

স্নাতক দ্বিতীয় বৰ্ষ

১) বিভিন্ন নিচাযুক্ত দ্ৰব্য সেৱন, বিকৃত ৰুচিবোধযুক্ত বোলছবি আৰু বিজ্ঞাপনৰ বহল প্ৰচাৰ, নিবনুৱা অৱস্থা, দৰিদ্ৰতা, ৰাজনীতিকাৰীৰ কু-প্ৰৰোচনা আদিয়েই বৰ্তমান সময়ত ছাত্ৰ-ছাত্ৰীসকল উশৃংখল হোৱাৰ মূল কাৰণ।

ছাত্ৰ-ছাত্ৰীসকলক এই উশৃংখলতাৰ পৰা ৰক্ষা কৰিবলৈ এক সু-শিক্ষা ব্যৱস্থাৰ প্ৰয়োজন। এই সু-শিক্ষা ব্যৱস্থাই -

(ক) ছাত্ৰ-ছাত্ৰীৰ প্ৰকৃত মানসিক বিকাশ ঘটাব লাগিব; বেয়াখিনি অনুসৰণ নকৰি ভালখিনি অনুসৰণ আৰু গ্ৰহণ কৰিবলৈ শিকাব লাগিব।

(খ) ছাত্ৰ-ছাত্ৰীয়ে যাতে নিজৰ ভৰিত থিয় দিব পাৰে - সেই শিক্ষা দিব লাগিব।

(গ) ৰাজনীতিকাৰী তথা আমোলাসকলৰ দুৰ্নীতি বোধ কৰিব লাগিব সৰ্বোপৰি লাগিব ছাত্ৰ-ছাত্ৰীৰ নিজা এটা দৃঢ় মন। উশৃংখলতাৰ পৰা নিজকে আতৰাই ৰাখিবলৈ ছাত্ৰ-ছাত্ৰীয়ে মন বান্ধিব লাগিব।

২) শিক্ষা মানৱ জীৱনৰ উচ্চতম জ্ঞান বুলি ভাবি অহা হৈছে। সেয়া আদিম সমাজতেই হওক বা আধুনিক সমাজতেই হওক সকলোতে একেই। শিক্ষা অবিহনে জনসাধাৰণৰ মাজলৈ দুৰ্দিন, দুৰ্বলতা আৰু দুৰ্ভাৱনা নামি আহে। শিক্ষাবিহীন অৱস্থা দেশৰ উন্নতি তথা সমাজৰ প্ৰগতিৰ বাধা স্বৰূপ। এক কথাত কবলৈ গলে কেৱল শিক্ষা বিস্তাৰৰ যোগেদি মানুহে শাৰীৰিক মানসিক, বৌদ্ধিক তথা আধ্যাত্মিক সম্ভাৱনীয়তাৰ বিকাশৰ বাবে নিজকে প্ৰস্তুত কৰি তুলিব পাৰে।

এই ক্ষেত্ৰত মহাবিদ্যালয় সমূহে ছাত্ৰ-ছাত্ৰীৰ প্ৰতিভা বিকাশৰ ক্ষেত্ৰত লবলগীয়া ভূমিকা বিশেষ উল্লেখযোগ্য। কিয়নো মহাবিদ্যালয় এখনে ছাত্ৰ-ছাত্ৰীৰ - বৌদ্ধিক, মানসিক বিকাশ তথা শিক্ষা জ্ঞানৰ আলোকেৰে আলোকিত কৰি সমাজত এজন সুস্থ-সবল নাগৰিক ৰূপে গঢ়ি তোলাই হৈছে নৈতিক পৰম্পৰা। ছাত্ৰ-ছাত্ৰীয়ে এই সময়তেই নিজৰ নিজৰ দক্ষতাৰ পৰিচয় দিবলৈ যথেষ্ট সুযোগ পায় আৰু এই সুযোগৰ যেন অপব্যৱহাৰ নহয় তাৰ বাবে এখন মহাবিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰী পৰিচালনা সমিতিৰ সদস্য তথা অভিভাৱকে যথেষ্ট ধ্যান দিয়া উচিত।

তলত মহাবিদ্যালয় সমূহে লব পৰা কেইটামান ভূমিকাৰ বিষয়ে আলোচনা কৰা হৈছে -

১) <u>মহাবিদ্যালয়ৰ বাৰ্ষিক ক্ৰীড়া সপ্তাহ</u> :- ছাত্ৰ-ছাত্ৰীয়ে কেৱল কিতাপৰ মাজেৰেই নিজৰ সুপ্ত সম্ভাৱনীয়তাক বিকশিত কৰিব এনে নহয়। মহাবিদ্যালয়ৰ বাৰ্ষিক ক্ৰীড়া সপ্তাহ সমূহে ছাত্ৰ-ছাত্ৰীক শাৰীৰিক সঞ্চালনৰ কাৰ্যদক্ষতাৰ পৰিচয় দিবলৈ অফুৰন্ত সাহস তথা প্ৰেৰণা দিব পাৰে। আচলতে ছাত্ৰ-ছাত্ৰীৰ শাৰীৰিক প্ৰতিভা চিনাক্তকৰণৰ বাবে বাৰ্ষিক ক্ৰীড়া সপ্তাহৰ গুৰুত্ব কেতিয়াও উলাই কৰিব নোৱাৰি।

২) <u>শিক্ষা মূলক ভ্ৰমণ</u> :- মহাবিদ্যালয় সমূহত শিক্ষা মূলক ভ্ৰমণৰ এক সুকীয়া মৰ্য্যাদা আছে। এনে ভ্ৰমণৰ যোগেদি ছাত্ৰ-ছাত্ৰীয়ে দেশৰ ইতিহাস, সংস্কৃতি, তথা বিভিন্ন মানুহৰ লগত চা-চিনাকীৰ মাজেৰে পাৰস্পৰিক বুজাবুজি আচাৰ ব্যৱহাৰ আদি সম্বন্ধে থকা নানা ধ্যান ধাৰণাৰ আভাস পাব পাৰে।

৩) <u>কৃতী ছাত্ৰ-ছাত্ৰীৰ সম্বৰ্ধনা</u> :- ই মহাবিদ্যালয়ত ছাত্ৰ ছাত্ৰীৰ প্ৰতিভা বিকাশত অন্য এটা অতি গুৰুত্ব পূৰ্ণ দিশ। এখন মহাবিদ্যালয়ত প্ৰতিবছৰে পৰীক্ষা সমূহৰ ফলাফল ঘোষনা কৰা হয় য'ত নেকি কেতিয়াবা মহাবিদ্যালয় খনৰ মাজৰ পৰা দুই এজনে সুক্ষাতিৰে নাম অৰ্জন কৰিবলৈ সক্ষম হয়। তেনে ছাত্ৰ ছাত্ৰীক প্ৰতিখন মহাবিদ্যালয়ে নিমন্ত্ৰণ জনাই সম্বৰ্ধনা জনোৱা উচিত। কিয়নো ইয়াৰ দ্বাৰাই আগন্তুক ছাত্ৰ-ছাত্ৰীক যথেষ্ট উৎসাহ উদ্দীপনাৰে আলোকিত কৰি তুলিব পাৰি।

৪) <u>মহাবিদ্যালয়ৰ জন্ম জয়ন্তী</u> :- মহাবিদ্যালয় সমূহৰ জন্ম জয়ন্তীক লৈ কৰা (ৰূপালী, সোনালী, হীৰক) উৎসৱ সমূহ বিভিন্ন সময়ত সমাজত এক মহান উৎসৱ হিচাপে পৰিগণিত হৈ আহিছে। এনে উৎসৱ সমূহত ছাত্ৰ-ছাত্ৰীৰ মাজত স্ব-ৰচিত গল্প, কবিতা, প্ৰবন্ধ, প্ৰশ্নমঞ্চ, নাট্যাভিনয় আদি বিষয়ৰ ওপৰত বিশিষ্ট চিন্তাবিদ বুদ্ধিজীৱিৰ উপস্থিতি তথা আলোচনাৰ মাজেৰে সকলোকে সাংস্কৃতিক ক্ষেত্ৰ খনৰ প্ৰতি সচেতন কৰি তুলিব পৰা যায়। জন্ম জয়ন্তীৰ আন এটা সাৰ্থক দিশ হৈছে স্মৃতিগ্ৰন্থ প্ৰকাশ। এখন স্মৃতি গ্ৰন্থই মহাবিদ্যালয় খনৰ গৌৰব কৰিব লগীয়া কাৰ্য তথা জনজীৱনত লোৱা ভূমিকা সম্বন্ধে এখন সফল ছবি দাঙি ধৰে। □

**Sidhartha Sankar Deb**

TDC 3rd Year

